www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

সৰু বুলি কাকো অৱহেলা নকৰিবা। তুমি সৰু বুলি উলাই কৰা বস্তু এটাই তোমাক কেতিয়াবা বিৰাট সত্যৰ সন্ধান দিব পাৰে। - গ্যেটে

ষষ্ঠ বছৰ | সংখ্যা - ২৬৭ | শনিবাৰ | ২৭ ডিচেম্বৰ, ২০২৫ চন | ১১ পুহ, ১৯৪৭ শক | VOL - 6 | NO.- 267 | Saturday | 27th December, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

৫ জানুৱাৰীৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ত শপতনামা দাখিলৰ সিদ্ধান্ত

## দিছপুৰত কাৰ্বি আংলঙৰ আন্দোলনকাৰী নেতৃত্বৰে ত্ৰিপাক্ষিক বৈঠক



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলঙৰ খেৰণি অঞ্চলত ভি জি আৰ (ভিলেজ গ্ৰাজিং ৰিজাৰ্ভ) আৰু পি জি আৰ (প্ৰফেছনেল গ্ৰাজিং ৰিজাৰ্ভ) ভূমিত অবৈধ দখল উচ্ছেদৰ দাবীত উত্থাপিত তীব্ৰ প্ৰতিবাদ আৰু আমৰণ অনশনৰ পৰিপ্ৰেক্ষিতত শুকুৰবাৰে দিছপুৰৰ জনতা ভৱনত এখন ত্ৰিপাক্ষিক ৬ পৃষ্ঠাত

## ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তি সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰীক সাক্ষাৎ ৰাভা, তিৱা, মিচিং জনগোষ্ঠীৰ প্ৰতিনিধিৰ



কেন্দ্ৰীয় গৃহমন্ত্ৰী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাত মিলিত হয় ৩ জনগোষ্ঠীৰ প্ৰতিনিধি

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ডিচেম্বৰ ঃ** অসমৰ তিৱা, মিচিং আৰু ৰাভা জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবীসমূহক লৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে এক গুৰুত্বপূৰ্ণ আলোচনা সম্পন্ন হৈছে। নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে অনুষ্ঠিত এই বৈঠকত অসমৰ ৬ পৃষ্ঠাত

ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সভাত দলীয় নেতা-কৰ্মীক প্ৰাৰ্থীৰ বিজয় নিশ্চিত কৰাৰ আহ্বান নীতিন নবীনৰ

# বিধানসভা নিৰ্বাচনত জয়ী হোৱাৰ মন্ত্ৰণা নীতিন নবীনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) নৱ-নিযুক্তি ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীন শুকুৰবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হয়। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়াকে ধৰি দলীয় শীৰ্ষ নেতৃত্বই তেওঁক উষ্ম আদৰণি জনায়। বিমানবন্দৰৰ ৬ পৃষ্ঠাত



এখন অধ্যাদেশ আনিয়েই জনজাতিকৰণ কৰিব পাৰি কিন্তু চৰকাৰে ইচ্ছাকৃতভাৱে সেই কাম কৰা নাই ঃ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণত চৰকাৰে ইচ্ছাকৃতভাৱে বিলম্ব কৰিছে!



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬ ডিচেম্বৰ** অসমৰ ছয়টা জনগোষ্ঠী- টাই আহোম, চুতীয়া, মৰাণ, মটক, কোচ-ৰাজবংশী আৰু চাহ জনজাতি (আদিবাসী)ক জনজাতি (এছটি) মৰ্যাদা প্ৰদানৰ প্ৰক্ৰিয়াত বিজেপি নেতৃত্বাধীন চৰকাৰে নিৰ্বাচনী স্বাৰ্থত কেৱল কৌশল অৱলম্বন কৰি বিলম্ব ঘটাইছে বুলি ৬ পৃষ্ঠাত

আলোচনা নহ'লে পুনৰ ধাৰাবাহিক প্ৰতিবাদৰ হুংকাৰ

## নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বিৰুদ্ধে AJYCPৰ কঠোৰ সকীয়নি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে (AJYCP) নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য আৰু ইয়াৰ সম্ভাব্য ভয়াৱহ ৬ পৃষ্ঠাত

কামৰূপৰ পছৰীয়াত জীৱশ্ৰেষ্ঠৰ নিকৃষ্ট কাণ্ড; তীব্ৰ চাঞ্চল্য

## মা পদুমী ছাগলী ফাৰ্মত একাংশ চকুচৰহাই বিহ দি হত্যা কৰিলে ৮০টাকৈ বিভিন্ন প্ৰজাতিৰ ছাগলী



সৰ্বস্বান্ত উদ্যোগী পশুপালক দম্পতী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ পছৰীয়া অঞ্চলত সংঘটিত এক অতি নিষ্ঠুৰ আৰু অমানৱীয় ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। দীৰ্ঘদিনৰ কষ্ট আৰু পৰিশ্ৰমেৰে গঢ়ি তোলা এখন ছাগলী পালন ফাৰ্মত দুৰ্বৃত্তই বিষ প্ৰয়োগ কৰি একেলগে ৭৫টা ছাগলী নিধন কৰি দিবাকৰ কলিতা আৰু ভণিতা কলিতা দম্পতীক লাখ লাখ টকাৰ লোকচানৰ ৬ পৃষ্ঠাত

## প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ প্ৰথম মৃত্যু বাৰ্ষিকীত দেশজুৰি শ্ৰদ্ধাঞ্জলি



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ডিচেম্বৰ ঃ** আজি দেশে প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা বিশ্ববিখ্যাত অৰ্থনীতিবিদ ড° মনমোহন সিঙৰ প্ৰথম মৃত্যু ৬ পৃষ্ঠাত

## শিৱসাগৰত আৰক্ষীৰ অভিযান; ৪০টা অবৈধ গৰু সহ ৫ সৰবৰাহকাৰীক আটক

**অসম বাৰ্তা, শিৱসাগৰ, ২৬ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলা আৰক্ষীয়ে যোৱা নিশা চলোৱা এক তীব্ৰ অভিযানত ৬ পৃষ্ঠাত

## নৱবৰ্ষৰ আনন্দত বাধা! চুইগি, জোমেটো, ব্লিংকিটকে ধৰি অনলাইন ডেলিভাৰী সেৱাত ধৰ্মঘটৰ সম্ভাৱনা

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ ডিচেম্বৰ** দেশৰ প্ৰধান অনলাইন খাদ্য ডেলিভাৰী আৰু ই-কমাৰ্চ প্লেটফৰ্মসমূহৰ ডেলিভাৰী কৰ্মীসকলে ক্ৰিছমাছ (২৫ ডিচেম্বৰ) আৰু নৱবৰ্ষৰ পূৰ্বাহ্নৰ দিনা (৩১ ডিচেম্বৰ) সৰ্বভাৰতীয় ধৰ্মঘটৰ ঘোষণা ৬ পৃষ্ঠাত



## নগাঁৱত ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি

ইভিএমৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ আৰম্ভ



**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২৬ ডিচেম্বৰ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰাক-প্ৰস্তুতিৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে নগাঁও ৬ পৃষ্ঠাত

ৰাষ্ট্ৰপতিৰ পৰা যোৰহাটৰ আইচি প্ৰিষা বৰাৰো বঁটা গ্ৰহণ

## বীৰ বাল দিৱসত ৰাষ্ট্ৰপতি মুৰ্মুৰ ২০জন শিশু-কিশোৰক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ ডিচেম্বৰ ঃ** বীৰ বাল দিৱস উপলক্ষে শুকুৰবাৰে ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দেশৰ ১৮খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ পৰা নিৰ্বাচিত ২০জন শিশু-কিশোৰক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰে। সাহস, সামাজিক সেৱা, পৰিৱেশ সংৰক্ষণ, ক্ৰীড়া, কলা-সংস্কৃতি ৬ পৃষ্ঠাত

কাৰ্বি আংলঙৰ ঘটনা ভুল বুজাবুজিৰ বাবেই হৈছিল

## কাৰ্বি আংলঙৰ জনগাঁথনি বহিৰাগতই নষ্ট কৰাৰ সন্দেহ অসম সাহিত্য সভাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ ডিচেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলঙৰ খেৰণি অঞ্চলত কাৰ্বি সমাজ আৰু অনা-কাৰ্বি লোকসকলৰ মাজত সংঘটিত হোৱা সংঘৰ্ষৰ ঘটনাই অসমৰ সামাজিক সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধত আঘাত হানিছে বুলি গভীৰ উদ্বেগ প্ৰকাশ কৰিছে অসম সাহিত্য সভাই। ৬ পৃষ্ঠাত



## প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত 'বিকশিত ভাৰতৰ বাবে মানৱ পুঁজি' থীমত আলোচনা



পঞ্চম ৰাষ্ট্ৰীয় মুখ্য সচিব সন্মিলন আৰম্ভ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজিৰে পৰা নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় মুখ্য সচিব সন্মিলন আৰম্ভ হৈছে। ২৬ৰ পৰা ২৮ ডিচেম্বৰলৈকে চলি থকা এই তিনিদিনীয়া সন্মিলনত কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত ৬ পৃষ্ঠাত

## ভুল তথ্যৰ ভিত্তিত ছ'চিয়েল মিডিয়াত বিচাৰ চলোৱা নেতাৰ পৰিৱৰ্তে দায়িত্বশীল জনপ্ৰতিনিধিৰ প্ৰয়োজন



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ** কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলৰ উপ-নেতা গৌৰৱ গগৈয়ে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এ'ত পোষ্ট কৰি নলবাৰী জিলাৰ পানীগাঁৱৰ ছেইণ্ট মেৰী স্কুলত বৰদিন উদ্‌যাপনৰ সামগ্ৰী লণ্ডভণ্ড কৰাৰ ঘটনাৰ তীব্ৰ নিন্দা কৰাৰ লগতে কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাক ৬ পৃষ্ঠাত

আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন?



আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে

আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক।

2025 চনৰ অক্টোবৰৰ পৰা ডিচেম্বৰলৈকে দেশৰ সকলো জিলাতে চলি থকা সম্পত্তিৰ বিশেষ শিবিৰসমূহ চাওক




অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটচএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

"কবিসকল নিপুণ সমাজ সংস্কাৰক" - ড° দেৱজিৎ শইকীয়া

# মাজুলীত অতুল চন্দ্ৰ বৰাৰ দুখন গ্ৰন্থ উন্মোচন



**অসম বাৰ্তা, উজনী মাজুলী, ২৬ ডিচেম্বৰ ঃ** মাজুলীৰ শ্ৰীৰাম বালিগাঁৱৰ যুৱ লেখক তথা তেলীয়াবাৰী প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক অতুল চন্দ্ৰ বৰাৰ দুখন পুথি ক্ৰমে 'কাষলতি তলৰ পুৰাণ' নামৰ কাব্যগ্ৰন্থ আৰু 'শৰবিদ্ধ সময়' নামৰ উপন্যাস আজি শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আয়োজিত এক অনুষ্ঠানত উন্মোচন কৰা হয়। এই উপলক্ষে দুপৰীয়া ১১.৩০ বজাৰ পৰা আয়োজিত গ্ৰন্থ উন্মোচনী সভাখনিত সভাপতিত্ব কৰে শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ দীনাৰাম বৰাই। মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্যকুমাৰ ভূঞাই উদ্বোধন কৰা সভাৰ আৰম্ভণিতে জনশিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মাই। শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ পদ্মধৰ শইকীয়াই বন্তি প্ৰজ্বলন কৰি সভাৰ কাৰ্যসূচী শুভাৰম্ভ কৰে। পাহি-পৰি প্ৰকাশনৰ স্বত্বাধিকাৰ তথা মাজুলীত কবিতাৰ সম্পাদক জয়ন্ত হাজৰিকাই আঁত ধৰা সভাখনিত আদৰণী ভাষণ দিয়ে ফুলনি মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নৰেন ওজাই। সভাত অতুল চন্দ্ৰ বৰাৰ হাস্য-ব্যংগ কাব্যগ্ৰন্থ 'কাষলতি তলৰ পুৰাণ' উন্মোচন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "কবিসকল নিপুণ সমাজ সংস্কাৰক। এখন সমাজ এখনৰ সংস্কাৰৰ বাবে এটা মাত্ৰ সাৰ্থক কবিতাই যথেষ্ট। কবিতাৰ বুকুত অন্তৰ্নিহিত হৈ থকা তেনে গুণৰ বাবেই কবিতাৰ স্থান যথেষ্ট ঊৰ্ধ্বত।" বৰাৰ আনখন গ্ৰন্থ 'শৰবিদ্ধ সময়' নামৰ উপন্যাসখনি উন্মোচন কৰে মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা লেখক ডিম্বেশ্বৰ ভূঞাই। লেখকৰ পৰিয়ালৰ তৰফৰ পৰা ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী কাকুমণি ওজাই উপস্থিত অতিথিসকলক অংগ বস্ত্ৰৰে সম্ভাষণ জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মেৰাগড় নাৰায়ণদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শশীধৰ দাস, ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ দুৰ্গেশ্বৰ শইকীয়া, মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, মাজুলী জিলা আবৃত্তি পৰিষদৰ সভাপতি দিগন্ত শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৱনী বৰা, বিজিৎ হাজৰিকা, তপন শইকীয়া, কুমুদ বৰা, জ্যেষ্ঠ সাংবাদিক পদ্মধৰ কলিতা, শিক্ষাবিদ বিপিন হাজৰিকা, অধ্যক্ষ প্ৰভাত বৰা, শিক্ষাবিদ গোবিন শইকীয়া, কৃষ্ণৰাম বৈৰাগী, কমল শইকীয়া, অতুল কলিতা, তিলেশ্বৰ কলিতা, দীপক দাস, বিপুল শইকীয়া, পুণ শইকীয়া, গুণকান্ত বৰা, যাদৱ বৰা, কৃষ্ণা মেধি, পম্পী হাজৰিকা, ফণীধৰ শইকীয়া, দিপালী তামোলী বৰা, অনিল চমুৱা, সাংবাদিক তথা মাজুলী জিলাৰ আপকুৰ সভাপতি ৰঞ্জন বৰা, সাংবাদিক তথা মাজুলী আপকুৰ উপ-সভাপতি প্ৰাঞ্জল খাউণ্ড, ৰমেন ভূঞা প্ৰমুখ্য ব্যক্তিসকল। দ্বিশতাধিক লোক উপস্থিত থকা সভাখনত বিশিষ্ট অনাতাঁৰ শিল্পী বিষ্ণু দাসে লোকগীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। শেষত শলাগৰ শৰাই আগবঢ়ায় জয়ন্ত হাজৰিকাই।

# কামৰূপ জিলাত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত সন্ধিয়া ৫ বজাৰ পিছত বনভোজত নিষেধাজ্ঞা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৬ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই ২৪ ডিচেম্বৰত এক নিৰ্দেশযোগে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগেৰে সমগ্ৰ কামৰূপ জিলাত প্ৰযোজ্য হোৱাকৈ এলানি নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা অনুসৰি সন্ধিয়া ৫ বজাৰ পিছত কামৰূপ জিলাৰ বনভোজথলীসমূহত বনভোজ খোৱা বা আন ভোজৰ উদ্দেশ্যে মানুহ সমবেত হোৱা, বনভোজস্থলী/নদীঘাটত আৰু তাৰ আশে-পাশে অজৈৱ প্লাষ্টিক আৰু অন্যান্য প্লাষ্টিক সামগ্ৰীৰ ব্যৱহাৰ বা তেনে সামগ্ৰী পেলোৱাত, বনভোজস্থলী/নদী ঘাটত আৰু দাঁতি কাষৰীয়া এলেকাত উচ্চ স্তৰত লাউড স্পিকাৰ, ডি জে, ৰাজহুৱা অনুভাষ যন্ত্ৰ, মাইক আদিৰ ব্যৱহাৰ, বনভোজস্থলী/নদীঘাটত তথা দাঁতি কাষৰীয়া এলেকাত সুৰা বিক্ৰী, ক্ৰয় আৰু সেৱন কৰা আৰু বনভোজস্থলী/নদীঘাটসমূহ আৰু চৌদিশৰ এলেকাত আৱৰ্জনা পেলোৱা আৰু মুকলি মলত্যাগ কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। উল্লেখ্য যে শীতকালৰ সময়চোৱা আৰম্ভ হোৱা আৰু বছৰৰ শেষৰ সময়চোৱাত বৃহৎ সংখ্যক লোক বনভোজ, নৱবৰ্ষ আৰু মাঘ বিহু আদি উদযাপনৰ বাবে কামৰূপ জিলাৰ বিভিন্ন বনভোজস্থলী আৰু অন্যান্য পৰ্যটনস্থলীসমূহলৈ ওলাই অহা আৰু একাংশ ব্যক্তি/ব্যক্তিৰ গোট/ বনভোজ খাবলৈ অহা ব্যক্তিয়ে কামৰূপ জিলাৰ বিভিন্ন বনভোজ/ পৰ্যটনস্থলীসমূহত ৰাজহুৱাভাৱে অশান্তি সৃষ্টি কৰা আৰু শান্তি-শৃংখলা ভংগ কৰাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশ জাৰি কৰা হৈছে। এই নিৰ্দেশ জাৰি কৰাৰ সময়ত একাংশ ব্যক্তিয়ে কামৰূপ জিলাৰ বিভিন্ন বনভোজস্থলীসমূহৰ পৰিৱেশৰ ক্ষতিকাৰক কাৰ্যকলাপত লিপ্ত হোৱাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰখা হৈছে, যি কাৰ্যকলাপৰ ভিতৰত ৰাজহুৱা স্থানত সুৰাপান কৰা, বেপৰোৱাভাৱে গাড়ী চলোৱা আৰু অন্যান্য যান-বাহনৰ নিয়ম উলংঘন কৰা, য'তে-ত'তে আৱৰ্জনা পেলোৱা, লাউডস্পীকাৰ আৰু অন্যান্য শব্দৰ সৃষ্টি কৰা সঁজুলিৰ ব্যৱহাৰ, ৰাজহুৱা সম্পত্তি নষ্ট কৰা ইত্যাদি অন্যতম। আনহাতে, দুস্কৃতিকাৰীৰ দ্বাৰা প্ৰাকৃতিক জলাশয়বোৰ দূষিত কৰি তাত অজৈৱ প্লাষ্টিক নিক্ষেপ কৰা আৰু নদীত গোটা আৱৰ্জনা নিক্ষেপ কৰাটোৱে জলজ উদ্ভিদ আৰু প্ৰাণীৰ বাবে ভাবুকিৰ সৃষ্টি কৰা আৰু আনহাতে আইন-শৃংখলা, ৰাজহুৱা শান্তি বজাই ৰাখিবলৈ আৰু মানুহৰ জীৱন আৰু সম্পত্তিৰ ক্ষতি প্ৰতিৰোধ কৰাৰ লগতে বনাঞ্চল আৰু জীৱ-জন্তুৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবেও এনে জৰুৰীকালীন পদক্ষেপ গ্ৰহণ কৰাটো প্ৰয়োজনীয় আছিল বুলি বিবেচনা কৰি এই নিৰ্দেশ জাৰি কৰা হৈছে। তাৎক্ষণিকভাৱে বলবৎ হোৱা এই নিৰ্দেশনা পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব। এই নিৰ্দেশনা উলংঘা কৰিলে বি. এন. এছ.-ৰ ধাৰা ২২৩ আৰু আইনৰ আন যিকোনো বিদ্যমান প্ৰাসংগিক ব্যৱস্থাৰ অধীনত দণ্ডনীয় হ'ব।

# ডুমডুমা প্ৰেছ ক্লাবৰ উদ্যোগত অসমৰ সংবাদপত্ৰ উদ্যোগৰ এগৰাকী মহীৰূহ প্ৰফুল্ল গোবিন্দ বৰুৱাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৫ ডিচেম্বৰ ঃ** অসমৰ সংবাদপত্ৰ উদ্যোগৰ এগৰাকী মহীৰূহ, 'আচাম ট্ৰিবিউন' গোষ্ঠীৰ 'চেয়াৰমেন এমেৰিটাছ' তথা উত্তৰ পূৰ্বাঞ্চলৰ বহুল প্ৰচলিত ইংৰাজী দৈনিক বাতৰি কাকত 'দ্যা আচাম ট্ৰিবিউন'ৰ সম্পাদক প্ৰফুল্ল গোবিন্দ বৰুৱাই যোৱা ১৪ ডিচেম্বৰত ইহলীলা সম্বৰণ কৰে। অসমৰ সংবাদপত্ৰ জগতৰ এইগৰাকী বিশিষ্ট ব্যক্তিক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে অহা ২৬ ডিচেম্বৰ, শুকুৰবাৰে বিয়লি ৪-০০ বজাত ডুমডুমা প্ৰেছ ক্লাবৰ উদ্যোগত ক্লাবৰ নিজা ভৱনত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানটিত উত্তৰ পূৰ্বাঞ্চলৰ এগৰাকী প্ৰখ্যাত সাংবাদিক তথা বৰ্তমান নাগালেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সমুদ্ৰগুপ্ত কাশ্যপ 'মুখ্য বক্তা' হিচাপে উপস্থিত থাকিব। ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, উপসভাপতি অভিজিৎ খাটনিয়াৰ আৰু সম্পাদক অভিজিৎ খাটনিয়াৰে অনুষ্ঠানটিত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে।

# পানীগাঁৱৰ বিশিষ্ট ব্যক্তি কিৰণ মেধিৰ বিয়োগ

**অসম বাৰ্তা, লীলাবাৰী, ২৬ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ পানীগাঁৱৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত ভূমি সংৰক্ষণ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কিৰণ মেধি (৭৫)ৰ নিজা বাসগৃহত জটিল ৰোগত আক্ৰান্ত হৈ বৃহস্পতিবাৰে সন্ধিয়া পৰলোকপ্ৰাপ্তি ঘটে। বিশিষ্ট ব্যক্তি গৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে-লগে অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। প্ৰয়াত মেধিয়ে জীৱিতকালত অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান ক্ৰমে- পানীগাঁও নামঘৰ, লখিমপুৰ তেলাহী কমলাবৰীয়া পেঞ্চনাৰ সন্থা, লখিমপুৰ তেলাহী কমলাবৰীয়া জ্যেষ্ঠ নাগৰিক সন্থাৰ বিভিন্ন বিষয়বাব সুচাৰু ৰূপে দায়িত্ব সম্পাদন কৰিছিল। মেধিয়ে মৃত্যুৰ সময়ত পত্নীসহ পুত্ৰ-বোৱাৰী, দুই জী-জোঁৱাই, নাতি-নাতিনীৰ লগতে বহু আত্মীয়-কুটুমক এৰি যায়।

# শিক্ষামন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰাক্তন ছাত্ৰৰ
# নাজিৰা মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰৰ সন্মুখত বিপদজনক CATTLE GRID BRIDGE

**অসম বাৰ্তা, গেলেকী, ২৫ ডিচেম্বৰ ঃ** ৰাইজৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত গঢ় লৈ উঠা ঐতিহাসিক নাজিৰাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান নাজিৰা মহাবিদ্যালয়। নাজিৰাৰ সম-জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা শিক্ষাৰ্থীসকল আহে শিক্ষা গ্ৰহণৰ উদ্দেশ্যেৰে এই মহাবিদ্যালয়খনলৈ। এই নাজিৰা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই কিছুবছৰৰ পূৰ্বে মহাবিদ্যালয় খনৰ মূল প্ৰৱেশদ্বাৰৰ সন্মুখত অবিজ্ঞানসন্মত ভাৱে এখন Cattle Grid Bridge নিৰ্মাণ কৰিছিল। সময় বাগৰাৰ লগে লগে এই Cattle Grid Bridgeখন হৈ পৰিছে ছাত্ৰ - ছাত্ৰীৰ বাবে বিপদজনক। বিগত সময়ছোৱাত কেইবাগৰাকী শিক্ষাৰ্থী এই দলঙত ভৰি সোমাই গুৰুত্বৰ ভাৱে আঘাতপ্ৰাপ্ত হৈছে বুলি অভিযোগ উত্থাপন কৰিছে প্ৰাক্তন ছাত্ৰ তথা স্থানীয় বাসিন্দা ভাস্কজ্যোতি মহন্তই। এই সকলো দেখিও মহাবিদ্যালয় খনৰ কৰ্তৃপক্ষই কোনো ধৰণৰ যোগাত্মক পদক্ষেপ গ্ৰহণ নকৰা বুলিও অভিযোগ উত্থাপন কৰি প্ৰাক্তন ছাত্ৰ তথা স্থানীয় বাসিন্দা ভাস্কৰজ্যোতি মহন্তই ৰাজ্যৰ শিক্ষামন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। স্মাৰক পত্ৰৰ যোগেদি বিষয়টো ৰাজ্যৰ শিক্ষামন্ত্ৰী গৰাকীয়ে গুৰুত্বসহকাৰে লৈ বিপদজনক Cattle Grid Bridgeখন বিপদ মুক্ত কৰিবৰ বাবে অনুৰোধ জনাইছে। শিক্ষামন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰদানৰ সমান্তৰালকৈ নাজিৰা সমষ্টিৰ বিধায়ক আৰু সম-জিলা আয়ুক্তলৈও স্মাৰক পত্ৰৰ প্ৰতিলিপি প্ৰেৰণ কৰিছে ভাস্কৰজ্যোতি মহন্তই।

# অভয়াপুৰীত ফিউচাৰ ইয়ুথ লীডাৰশিপ বুটকেম্প অনুষ্ঠিত

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ২৬ ডিচেম্বৰ ঃ** যোৱা ২২ ডিচেম্বৰ পৰা ২৪ ডিচেম্বৰ, ২০২৫ লৈ অভয়াপুৰীৰ এচ, আই, পি, আৰ, ডি এক্সটেনশন চেণ্টাৰত, মাই ভাৰত কেন্দ্ৰ, বঙাইগাঁৱৰ উদ্যোগত "ফিউচাৰ ইয়ুথ লীডাৰশিপ বুটকেম্প" শীৰ্ষক তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই বুটকেম্পত বঙাইগাঁও জিলাৰ বিভিন্ন উন্নয়ন খণ্ডৰ মুঠ ৩৫জন ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰে। যুৱক-যুৱতীসকলৰ মাজত নেতৃত্ব গুণ, সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা আৰু ফলপ্ৰসূ যোগাযোগ দক্ষতা বিকাশৰ লক্ষ্যৰে এই প্ৰশিক্ষণ কাৰ্যসূচী আয়োজন কৰা হৈছিল। বুটকেম্পত নেতৃত্ব বিকাশ, ব্যক্তিত্ব উন্নয়ন, সমাজিক দায়িত্ববোধ আদিৰ লগতে বিভিন্ন সমসাময়িক বিষয়ত অংশগ্ৰহণকাৰীসকলক জ্ঞান প্ৰদান কৰা হয়। প্ৰশিক্ষণকালত ইণ্টাৰেক্টিভ ক্লাছ, গোটভিত্তিক কাৰ্যসূচী আৰু আলোচনা সভাৰ জৰিয়তে যুৱক-যুৱতীসকলক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ সুযোগ দিয়া হয়। আয়োজকসকলৰ মতে, এই ধৰণৰ বুটকেম্পে যুৱ সমাজক ভৱিষ্যতৰ নেতৃত্ব গঢ়ি তোলাত সহায়ক হ'ব বুলি জনায়।

# হাজোত প্ৰধানমন্ত্ৰী গ্ৰাম্য পথ যোজনাৰ ২৫ বছৰীয়া স্মৃতিৰক্ষা কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা, হাজো, ২৬ ডিচেম্বৰ ঃ** এখন দেশ উন্নয়নৰ দিশে যাবলৈ হ'লে গ্ৰাম্যাঞ্চলৰ পথ উন্নত হোৱাতো নিতান্তই প্ৰয়োজনীয়। ভাৰতবৰ্ষৰ উন্নয়নৰ স্বাৰ্থত প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে গ্ৰহণ কৰা আঁচনিৰ জৰিয়তে আজি গ্ৰাম্যাঞ্চলৰ পথসমূহ পকীকৰণ হৈ উঠিছে। ২০০০ বৰ্ষৰ ২৫ ডিচেম্বৰত আৰম্ভ হোৱা প্ৰধানমন্ত্ৰী গ্ৰাম্য পথ যোজনাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত আজি হাজোস্থিত লোক নিৰ্মাণ বিভাগৰ কাৰ্য্যালয় চৌহদত প্ৰধানমন্ত্ৰী গ্ৰাম্য পথ যোজনাৰ ২৫ বছৰীয়া স্মৃতিৰক্ষা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপলক্ষে ৰাতিপুৱা ১১ বজাত লোক নিৰ্মাণ বিভাগৰ কাৰ্যালয় চৌহদত অনুষ্ঠিত সভাত সভাপতিৰ ভাষণত হাজো উপ সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা যতীন্দ্ৰ বৈশ্যই কয়, প্ৰয়াত প্ৰধানমন্ত্ৰী বাজপেয়ীদেৱে গ্ৰহণ কৰা গ্ৰাম্য পথ উন্নয়নৰ আঁচনিৰ অসমৰ প্ৰতিটো ভিতৰুৱা অঞ্চলৰ গাঁওসমূহৰ পথ




পকীকৰণ হৈছে। যাৰ বাবে গ্ৰাম্যাঞ্চলৰ লোকসকলে উন্নয়ন দেখিছে, চৌদিশে পৰিৱৰ্তন জোঁৱাৰ উঠিছে। প্ৰয়াত প্ৰধানমন্ত্ৰী বাজপেয়ীদেৱৰ সপোন আজি বাস্তবায়িত হৈছে। আনহাতে হাজো শুৱালকুছি ক্ষেত্ৰীয় সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা হিমাংশু দাস, ১নং হাজো গাঁও পঞ্চায়তৰ সভানেত্ৰী টুটুমণি দাস, ২নং গাঁও পঞ্চায়তৰ সভানেত্ৰী বনানী দাসৰ লগতে অনুষ্ঠানত সমল ব্যক্তি হিচাপে প্ৰাগ নিউজৰ হাজোৰ সাংবাদিক মদন দাস উপস্থিত থাকি প্ৰধানমন্ত্ৰীৰ গ্ৰাম্য পথ যোজনা আঁচনি সন্দৰ্ভত বক্তব্য ৰাখে। এই অনুষ্ঠানত হাজো লোক নিৰ্মাণ বিভাগৰ অভিযন্তা, বিষয়া কৰ্মচাৰীসকলৰ উপৰিও হাজোৰ স্থানীয় ৰাইজ উপস্থিত থাকে।

# ওদালগুৰিত শিশু সুৰক্ষাৰ ওপৰত ৯০ দিনীয়া প্ৰচাৰ অভিযানৰ শুভাৰম্ভণি

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৬ ডিচেম্বৰ ঃ** শিশুৰ সুৰক্ষাৰ ওপৰত সুৰক্ষিত শৈশৱ, সোণালী অসম নামেৰে এক ৯০ দিনীয়া জিলা ভিত্তিক প্ৰচাৰ অভিযান আজি ওদালগুৰি জিলাৰ পানেৰী দুৰ্গা মন্দিৰ প্ৰাংগনত আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰা হয়। ওদালগুৰি জিলা প্ৰশাসন আৰু ওদালগুৰি জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত অনুষ্ঠিত এই কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে অতিৰিক্ত জিলা আয়ুক্ত তথা ভেৰগাঁৱৰ মহকুমা বিষয়া ৰিংখাং মোচাহাৰীয়ে। উদ্বোধনী ভাষণত তেওঁ ৰাইজক শিশুৰ অধিকাৰৰ লগতে শিশুৰ লালন পালনৰ ক্ষেত্ৰত অভিভাৱক সকলক সজাগ হ'বলৈ আহ্বান জনায়, তথা সন্তানৰ প্ৰতিটো পদক্ষেপ নিৰীক্ষণ কৰিবলৈ পৰামৰ্শ দিয়ে। যাতে সন্তান কেতিয়াও বিপথে নাযায়, আৰু তেনে পথত অগ্ৰসৰ হ'লে ঘূৰাই আনিব পাৰে। ইয়াৰোপৰি শিশু সুৰক্ষা গোটৰ হৈ বুদ্ধ বসুমতাৰী, শিশু কল্যাণ গোটৰ অধ্যক্ষ ৰেৱেন বসুমতাৰী, জুবিনাইল জাষ্টিচ বৰ্ডৰ হৈ জ্যেতিশ দাস, চাইল্ড হেল্পলাই ১০৯৮ৰ বেলিনা দৈমাৰীয়ে বাল্য বিবাহ, শিশু সৰবৰাহ, শিশু শ্ৰম, যৌন নিৰ্যাতন আদি বিভিন্ন বিষয়ৰ ওপৰত বক্তব্য ৰাখে আৰু ৰাইজক সজাগ হ'বলৈ আহ্বান কৰে। অসম ৰাজ্যিক শিশু সুৰক্ষা সমিতি, মহিলা আৰু শিশু বিকাশ বিভাগৰ সহযোগত অনুষ্ঠিত এই অনুষ্ঠানটো পৰিচালনা কৰে এম. আৰ. এছ. ডিৰ অধ্যক্ষ ড° মিলন দাসে সহযোগিতা আগবঢ়ায়। আজিৰ অনুষ্ঠানটোত লিংগ বিশেষজ্ঞ পঞ্চমী স্বৰ্গীয়াৰীৰ লগতে, স্থানীয় সমাজকৰ্মী, ডি. এল. এছ এছৰ পি এল ভি, চিকিৎসা কৰ্মীকে ধৰি পুৰুষ-মহিলা আৰু শিশু সকলে অংশগ্ৰহণ কৰে।

# ধুবুৰীত ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰত ৰত্ন, অটল বিহাৰী বাজপেয়ীৰ প্ৰতিমূৰ্তি উন্মোচন

**অসম বাৰ্তা, ধুবুৰী, ২৬ ডিচেম্বৰ ঃ** আজি শ্ৰদ্ধাৰ অটল বিহাৰী বাজপেয়ী দেৱৰ ১০১ সংখ্যক জয়ন্তীৰ শুভক্ষণত ধুবুৰীৰ ৬ নং ৱাৰ্ড হৰিসভা মোৰত বাজপেয়ী দেৱৰ এটি প্ৰতিমূৰ্তি উন্মোচন কৰে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। ধুবুৰী পৌৰসভাৰ নেতৃত্বত "সদাইভ অটল উদ্যান" নামেৰে প্ৰাক্তন প্ৰধামন্ত্ৰী গৰাকীৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। কাৰ্যসূচীত উপস্থিত থাকে ধুবুৰী পৌৰসভাৰ অধ্যক্ষ ডাঃ দেৱময় সান্যাল, গোলোকগঞ্জ সমষ্টিৰ প্ৰাক্তন বিধায়ক অশ্বিনী সৰকাৰ ৰায়, ধুবুৰী-গৌৰীপুৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দীপক কুমাৰ সাহা, ধুবুৰী জিলা বিজেপিৰ সভাপতি ৰণজিত কুমাৰ ৰায়, ৬ নং ৱাৰ্ডৰ কমিছনাৰ শ্ৰীমতী নৱনীতা ঘোষ, ১ নং ৱাৰ্ডৰ কমিছনাৰ উমেশ কুমাৰ ৰয়, জিলা বিজেপিৰ বিভিন্ন পৰ্যায়ৰ কৰ্মকৰ্তা সকল আৰু স্থানীয় ৰাইজ। প্ৰাক্তন প্ৰধানমন্ত্ৰী বাজপেয়ীৰ প্ৰতিমূৰ্তি উন্মোচন কৰি সাংবাদিকৰ আগত কয় যে বাজপেয়ী দেৱে সকলোকে সমন্বয় কৰাৰ ক্ষেত্ৰত প্ৰায় ৩০ টাকৈ ৰাজনৈতিক দলক একত্ৰিত কৰি এখন চৰকাৰ চলাই গৈছিল। যিটো আমি কেতিয়াও দেখা নাই। তেখেত এগৰাকী ভাল সমন্বয়ক




হিচাপে পৰিচিত, ভাল সাহিত্যিক আছিল। দেশৰ কাৰণে যি সমৰ্পিত মনোভাৱেৰে কাম কৰি গৈছিল চন্দ্ৰ-সূৰ্য থকালৈকে আমি ভাৰতবৰ্ষৰ সকলো নাগৰিকে তেখেতক স্মৰণ কৰি যাম। আগন্তুক দিনত দেশ নিৰ্মাণৰ ক্ষেত্ৰত ভাৰতবৰ্ষক বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত গোটেই অসমবাসীৰ লগতে ধুবুৰীবাসী ৰাইজৰ সহায় সহযোগিতা বিচাৰি মন্ত্ৰী গৰাকীয়ে কয় যে শ্যামাপ্ৰসাদ মুখাৰ্জীৰ যি সপোন, শ্ৰদ্ধাৰ বল্লভ ভাই পেটেলৰ যি সপোন, অটল বিহাৰী বাজপেয়ীৰ যি সপোন, লাল কৃষ্ণ আদৱানীৰ যি সপোন, নৰেন্দ্ৰ মোদীৰ যি সপোন সেই সপোনবোৰক বাস্তবায়িত কৰি ভাৰতবৰ্ষক বিশ্বগুৰু হিচাপে অধিষ্ঠিত কৰাৰ বাবে সকলোকে আহ্বান জনায়। ইয়াৰোপৰি আজি ধুবুৰীত কেইবাটাও উন্নয়নমূলক কামৰ শুভ উদ্বোধন কৰে ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী গৰাকীয়ে। ধুবুৰী পৌৰসভাৰ উদ্যোগত পুনঃনিৰ্মাণ হোৱা নেতাজী পাৰ্কৰ মুকলিৰ লগতে নেতাজী স্তম্ভৰ শিলান্যাস, অসমত পোনপ্ৰথমবাৰৰ বাবে হোৱা 'কেনভাচ' শীৰ্ষক দেৱাল আলোচনীৰ শুভ উন্মোচন, ধুবুৰীৰ যোগমায়া আশ্ৰমৰ সমীপৰ 'আচাৰ্য তুলসী মাৰ্গ' নামৰ পথটিৰ শুভ উদ্বোধনী আদি কাৰ্যসূচীত অংশগ্ৰহণ গ্ৰহণ কৰে মন্ত্ৰী গৰাকীয়ে।

# নকছাৰিৰ তৰাতলিত অনুষ্ঠিত ছহিদ দহা কোঁৱৰৰ স্মৃতিচাৰণ অনুষ্ঠান


**অসম বাৰ্তা, আমগুৰি, ২৬ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ নকছাৰিৰ তৰাতলিত অসমৰ প্ৰথম স্বাধীনতা সংগ্ৰামৰ অন্যতম ছহিদ দহা কোঁৱৰৰ স্মৃতিচাৰণ অনুষ্ঠান যোৱা ২২ ডিচেম্বৰ তাৰিখে অনুষ্ঠিত হৈ যায়। স্থানীয় ৰাইজ আৰু বংশ-পৰিয়ালৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত ছহিদজনৰ বীৰত্ব, ত্যাগ আৰু ঐতিহাসিক অৱদান গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। উল্লেখ্য যে, ১৮২৬-২৮ চনৰ সময়ছোৱাত তৰাতলি অঞ্চলত গোমধৰ কোঁৱৰৰ নেতৃত্বত আৰম্ভ হোৱা স্বাধীনতা বিদ্ৰোহৰ এজন সক্ৰিয় সেনানী আছিল দহা কোঁৱৰ। গোমধৰ কোঁৱৰৰ অভিভাৱক স্বৰূপ দহা কোঁৱৰে দিচৈ কোঠৰ মূল সেনাপতি ফুকনৰ দায়িত্ব পালন কৰিছিল। ১৮২৮ চনৰ ১১ কাতিৰ দিনাখন গোমধৰ কোঁৱৰৰ শিঙৰি ঘৰত আৰোহণ অনুষ্ঠানতো দহা কোঁৱৰৰ গুৰুত্বপূৰ্ণ ভূমিকা কৰিছিল। ১৮২৮ চনৰ ১৫ কাতি (৩০ অক্টোবৰ) তাৰিখে নকছাৰিৰ ডেবেৰাপাৰৰ মৰঙীয়াল গাঁৱৰ নামঘৰৰ কাষত অসমীয়া সৈন্য আৰু বৃটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ চিপাহীৰ মাজত সংঘটিত হোৱা প্ৰথমখন স্বাধীনতা ৰণতো দহা কোঁৱৰে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। উক্ত ৰণত ধেনুধৰ কোঁৱৰ ছহিদ হোৱাৰ লগতে দহা কোঁৱৰো আঘাতপ্ৰাপ্ত হৈ বৃটিছৰ হাতত বন্দী হৈছিল। পৰৱৰ্তী সময়ত সেই বছৰৰে ২২ ডিচেম্বৰ তাৰিখে বৃটিছে দহা কোঁৱৰ ফুকনৰ ওপৰত বিচাৰ চলায় আৰু বন্দী অৱস্থাতে তেখেতৰ মৃত্যু ঘটে বুলি ইতিহাসত উল্লেখ পোৱা যায়। এই তথ্যসমূহ বহু বছৰ পিছত ডণ্ড° হেমেশ্বৰ দিহিঙীয়া, ড° ৰেৱতী মোহন লাহিড়ী আদি গৱেষকসকলে বৃটিছ শাসনৰ নথিপত্ৰৰ পৰা উদ্ধাৰ কৰে। ইয়াৰ পূৰ্বে স্থানীয় ৰাইজে দহা কোঁৱৰৰ মৃত্যু মৰঙীয়াল গাঁৱৰ যুদ্ধতেই হোৱা বুলি বিশ্বাস কৰি আহিছিল। ছহিদ দহা কোঁৱৰৰ পুত্ৰ মগধৰ কোঁৱৰৰ বংশধৰসকল আজিও নকছাৰি অঞ্চলত বাস কৰি আহিছে। স্মৃতিচাৰণ অনুষ্ঠানত বক্তাসকলে গোমধৰ কোঁৱৰৰ নেতৃত্বত হোৱা প্ৰথম স্বাধীনতা সংগ্ৰাম আৰু দহা কোঁৱৰ, ধেনুধৰ কোঁৱৰ আদিসকলৰ ত্যাগ আজিও প্ৰাসংগিক বুলি মন্তব্য কৰে। লগতে ছহিদজনৰ স্মৃতি সংৰক্ষণৰ নামত কিছুমানে অপচেষ্টা চলাই থকাৰ অভিযোগ উত্থাপন কৰি স্থানীয় ৰাইজে তেনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সঁকীয়াই দিয়ে। অনুষ্ঠানত ছহিদ দহা কোঁৱৰৰ পৰিয়ালবৰ্গৰ লগতে বীৰ লাচিত সেনাৰ আদিত্য পানীফুকন, প্ৰথম স্বাধীনতা ৰণৰ ৰণক্ষেত্ৰ স্মৃতিৰক্ষা সমিতিৰ ডিম্বেশ্বৰ বৰুৱা, সাংবাদিক চক্ৰসেন গগৈ, ব্ৰজেন দহোতিয়া, আছু নেতা ধ্ৰুৱজ্যোতি গগৈ, মোহন কোঁৱৰ, মনোৰঞ্জন ৰাজকোঁৱৰ, আটাছু নকছাৰি আঞ্চলিক সমিতিৰ বিপ্ৰ গগৈ, তৰাতলি সংস্কৃতি বিকাশ কেন্দ্ৰৰ সদস্যবৃন্দসহ বিভিন্ন সংগঠনৰ বিষয়ববীয়াসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# বীৰেন্দ্ৰ নাথ শৰ্মাক গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ 'জি, ডি, এছ, এ এৱাৰ্ড প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৬ ডিচেম্বৰ ঃ** বিশিষ্ট ক্ৰীড়া সংগঠক, প্ৰাক্তন কৃতি খেলুৱৈ বীৰেন্দ্ৰ নাথ শৰ্মাক গোলাঘাট জিলা ক্ৰীড়া সন্থাই আজি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'জি, ডি, এছ, এ এৱাৰ্ড -২০২৫' আনুষ্ঠানিকভাৱে প্ৰদান কৰে। উক্ত বঁটাত আছে গামোচা, চেলেং, সঁফুৰা, স্মাৰক, জাপি সম্বৰ্ধনা পত্ৰ আৰু ৫০ হাজাৰ টকাৰ চেক। গোলাঘাট ষ্টেডিয়ামত এই উপলক্ষে ক্ৰীড়া সন্থাৰ বিষয়ববীয়া অজয় ভৰালীয়ে পৰিচালনা কৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈয়ে। গোলাঘাটৰ জিলা আয়ুক্ত পুলক কুমাৰ মহন্ত, জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ অজিত বৰুৱা, জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতিদ্বয় ডণ নৃপেন বৰুৱা, পূৰ্ণ ৰাজখোৱা, বিশিষ্ট শিক্ষাবিদ, বোলছবি পৰিচালক দীনেশ আদি অনুষ্ঠানত উপস্থিত থাকে। উল্লেখ্য যে, গোলাঘাট জিলা ক্ৰীড়া সন্থাই ২০১৬ চনৰ পৰা ক্ৰীড়াৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়োৱা একোজন ব্যক্তিক প্ৰতি বছৰে সন্মানিত কৰি আহিছে। ৮০ বছৰ গৰকা বঁটা প্ৰাপক বীৰেন্দ্ৰ নাথ শৰ্মাই গোলাঘাটৰ ক্ৰীড়াৰ ক্ষেত্ৰখনলৈ যথেষ্ট বৰঙনি আগঢ়াইছে। গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ বহু কেইটা গুৰুত্বপূৰ্ণ পদত থাকি সেৱা আগবঢ়োৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া সম্পাদক হিচাপেও এটা সময়ত বিশেষ দক্ষতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। ফুটবল, এথলেটিকছ আদি অসম দলৰ টিম মেনেজাৰ হিচাপেও বহুকেইবাৰ তেওঁ নেতৃত্ব প্ৰদান কৰিছিল। গোলাঘাটত বেডমিণ্টনৰ প্ৰশিক্ষক হিচাপেও তেখেতে সেৱা আগবঢ়াইছিল। গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অংকশাস্ত্ৰৰ প্ৰৱক্তা হিচাপে ১৯৭০ চনৰ পৰা ২০০৫ চনলৈকে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। কেইবাখনো গ্ৰন্থ ৰচনা কৰি বীৰেন্দ্ৰ নাথ শৰ্মাই অসমীয়া আধুনিক সাহিত্যলৈও অৱদান আগঢ়াইছে।

# আমগুৰিত "জুবিনদা তুমি অমৰ হোৱা" শীৰ্ষক গীত উন্মোচন

**অসম বাৰ্তা, আমগুৰি, ২৬ ডিচেম্বৰ ঃ** আমগুৰি মহাবিদ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত আজি কণ্ঠ শিল্পী পলী চাংমাইৰ "জুবিন দা তুমি অমৰ হোৱা" শীৰ্ষক এক গীত উন্মোচন কৰা হয়। এইউপলক্ষে আমগুৰি মহাবিদ্যালয় প্ৰেক্ষাগৃহত সমাজকৰ্মী পুতুল বৰুৱাৰ সভাপতিত্বত এক গীত উন্মোচনী সভা অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে শিল্পী জুবিন গাৰ্গৰ প্ৰিয় গছ নাহৰৰ পুলি ৰোপণ কৰে সন্ধ্যাৰাণী শইকীয়া আৰু পুতুল বৰুৱাই। ইয়াৰ পিছতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজ্বলন কৰে ড° মালা হাজৰিকাই। ডাঃ প্ৰবীন গগৈ আৰু পলী চাংমাইয়ে আঁত ধৰা অনুষ্ঠানত সমবেত সকলোৱে জুবিন গাৰ্গৰ মায়াবিনী ৰাতি গীতটো পৰিবেশন কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিল্পী সুশীল লাহন, সমাজকৰ্মী পংকজ ভট্টাচাৰ্য্য, অঞ্জনা গগৈ, আৰু ড° হিমান্তবৰগোঁহাই। ড° মালা হাজৰিকাই



আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত বহুকেইগৰাকী সমাজকৰ্মী আৰু সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত গীতটি উন্মোচন কৰে কণ্ঠ শিল্পী সুশীল লাহনে। উল্লেখযোগ্য যে, কণ্ঠশিল্পী পলী চাংমাইয়ে কণ্ঠদান কৰা "জুবিন দা তুমি অমৰ হোৱা" শীৰ্ষক গীতটিৰ সুৰ পলী চাংমাইৰ, গীতৰ কথা ডাঃ প্ৰবীন গগৈৰ। সংগীত প্ৰৱাল শইকীয়াৰ আৰু বাদ্যযন্ত্ৰী অনিন্দ্য প্ৰত্যয় গগৈ আৰু প্ৰৱাল শইকীয়া। সহযোগী শিল্পী হিচাপে কণ্ঠদান কৰিছে ডাঃ প্ৰবীণ গগৈয়ে। গীতটো ইউটিউবত উপলব্ধ হব বুলি জানিবলৈ দিছে পলী চাংমাইয়ে।

### এম জি এনৰেগাৰ নাম সলনিৰ লগতে জলজীৱন মিছনত হোৱা দুৰ্নীতিক লৈ সৰৱ কংগ্ৰেছ

# বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ উদ্যোগত ব্যাপক প্ৰতিবাদ




**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৬ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ কাপলাবড়ীত আজি বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ তৰফৰ পৰা বিজেপি চৰকাৰ তথা শাসকীয় দলৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰায় এঘণ্টা ধৰি গুৱাহাটী বৰপেটা মূল পথটো স্তব্ধ হৈ পৰে। পদপথত বহি প্ৰতিবাদস্থলীত এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰে কংগ্ৰেছে। বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ সভাপতি পৰীক্ষিত দাস, প্ৰাক্তন বিধায়ক অশোক শৰ্মা, নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰী, নলবাৰী জিলা কংগ্ৰেছৰ সম্পাদক দিব্যজ্যোতি হালৈ, বৰক্ষেত্ৰীৰ বিধায়ক দিগন্ত বৰ্মণ, নাচিৰ প্ৰধানী, কংগ্ৰেছ নেত্ৰী ৰীণামণি বড়ো, বৰক্ষেত্ৰীৰ যুৱ কংগ্ৰেছৰ নেতা কাৰ্তিক তালুকদাৰ, হৰেকৃষ্ণ নাথ, কুমাৰ নিৰুপম হালৈ প্ৰমুখ্যে মণ্ডল কংগ্ৰেছৰ সভাপতি সম্পাদক, বিষয়ববীয়া তথা ভালেমান নেতা কৰ্মী উপস্থিতিত ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নিৰ্দেশমৰ্মে ৩৮ নং বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত নলবাৰী জিলাৰ কাপলাবড়ীত বৰক্ষেত্ৰী ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত ৰূপায়ণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ জলজীৱন মিছন আঁচনিৰ বিফলতা তথা দুৰ্নীতি আৰু এম জি এনৰেগাৰ নাম সলনিৰ বিৰুদ্ধে এনেদৰে ব্যাপক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে কংগ্ৰেছে। প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লেকাৰ্ড বেনাৰ পোষ্টাৰ লৈ ব্যৰ্থ জলজীৱন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা হায় হায়, বিজেপি চৰকাৰ হায় হায়, অসম চৰকাৰ হায় হায়, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা হায় হায় আদি শ্লোগানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে অঞ্চলটোত। বিধায়ক দিগন্ত বৰ্মণৰ কাপলাবড়ী চ'কস্থিত বাসগৃহৰ পৰা শান্তিপুৰ চ'কলৈ এক বিশাল সমদল বাহিৰ কৰে কংগ্ৰেছে। নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰী সমন্বিতে কংগ্ৰেছ নেতাকৰ্মী সকলে পদপথত বহি লৈ নল আছে জল নাই, ঠিকাদাৰৰ বিল নাই, বিজেপিৰ কাম নাই শ্লোগানেৰে হাজো-মুকালমুৱাৰ পৰা কাপলাবড়ী-দৌলাশাল- বৰপেটা মূল পথটো অৱৰোধ কৰি ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰে। জলজীৱন মিছন আঁচনিত হাজাৰ হাজাৰ কোটি টকা ৰাজহুৱা ধনৰ অপচয়ৰ অভিযোগ উত্থাপন কৰে কংগ্ৰেছে। বিধায়ক দিগন্ত বৰ্মণে কয়, "ইতিমধ্যে চৰকাৰে হাজাৰ- হাজাৰ কোটি টকা খৰচ কৰিও অসমত পানী উলিয়াব নোৱাৰিলে, এয়া অতি দুৰ্ভাগ্যজনক কথা। জলজীৱন মিছনৰ ঠিকাদাৰক ধন দিব নোৱাৰা বিজেপি চৰকাৰকো তীব্ৰ কটাক্ষ কৰে। ৰাজহুৱা ধনৰ ব্যাপক হাৰত অপচয় হোৱা বুলিও মন্তব্য কৰে। অসমৰ প্ৰায়বোৰ জলজীৱন মিছনৰ আঁচনি আজি ব্যৰ্থ হৈ আছে। অসমৰ মানুহে বিশুদ্ধ খোৱা পানী পোৱা নাই। নৰেন্দ্ৰ মোদীৰ হৰ ঘৰ নল হৰ ঘৰ জল শ্লোগান অসমত সঠিকভাৱে ৰূপায়ণ হোৱা নাই বুলিও মন্তব্য কৰে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিবেদন অনুসৰি অসম আজি ব্যৰ্থতাৰ দ্বিতীয় পৰ্যায়ত আছেবুলি কৈ এয়া অতি দুৰ্ভাগ্যজনক কথা বুলিও কয়। নৰেন্দ্ৰ মোদীৰ সপোনৰ আঁচনিখন সঠিক ৰূপত ৰূপায়ণ কৰিব পৰা নাই জয়ন্ত মল্ল বৰুৱাই। এম জি এনৰেগাৰ নাম সলনিৰে মহাত্মা গান্ধীক অপমান কৰিছে বিজেপিয়ে। যি সময়ত মহাত্মা গান্ধীক বিদেশতো তেওঁৰ অৱদান স্বীকাৰ কৰি তেওঁৰ আৱক্ষ মূৰ্তি বিভিন্ন স্থানত ৰাখিছে, সেইটো সময়ত বিজেপি চৰকাৰৰ এই সিদ্ধান্তক আমি সকলোৰে আজি গৰিহণা দিছোঁ। জলজীৱন মিছনত হোৱা অনিয়ম আৰু দুৰ্নীতিক লৈ সৰৱ হোৱা বিধায়ক দিগন্ত বৰ্মণে জনোৱা অনুসৰি কংগ্ৰেছ দলে জয়ন্ত মল্ল বৰুৱাক পদত্যাগ কৰিবলৈ দাবী জনায়। লগতে, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক বৰ্খাস্ত কৰিবলৈ আহ্বান জনায়। পানীগাওঁস্থিত ছেইণ্ট মেৰীজ স্কুলৰ ঘটনাক লৈও তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে বিধায়ক দিগন্ত বৰ্মনে। আনহাতে, প্ৰাক্তন বিধায়ক অশোক শৰ্মাই কয়, অসম চৰকাৰৰ জলজীৱন মিছন সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ কাৰণে এই বিভাগৰ মন্ত্ৰী তথা নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাৰ পদত্যাগ বিচাৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কংগ্ৰেছ কৰ্মী আৰু ৰাইজৰ সঁহাৰিৰ বাবে ৰাইজক অশেষ ধন্যবাদ জনায়। এইখন চৰকাৰৰ সমৰ্থকসকলে হিন্দু মুছলমান- খ্ৰীষ্টানৰ মাজত বিভাজনেৰে নিকৃষ্ট পন্থা হাতত লৈ শাসন কৰাৰো অভিযোগ উত্থাপন কৰে।

### জ্যেষ্ঠ সাংবাদিকৰ অংশগ্ৰহণেৰে যোগাত্মক বক্তৃতা প্ৰদান

# নগাঁৱৰ হয়বৰগাঁৱত মফচলীয়া সাংবাদিকৰ কৰ্মশালাত পঞ্চাশ গৰাকী সাংবাদিকৰ অংশগ্ৰহণ

**অসম বাৰ্তা, নগাঁও, ২৬ ডিচেম্বৰ ঃ** "সাংবাদিক নহয়, সংবাদ মাধ্যমহে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। সাংবাদিক সকল হৈছে গণতন্ত্ৰৰ বাৰ্তাবাহক, ৰক্ষক।" নগাঁৱৰ হয়বৰগাঁও প্ৰেছ ক্লাৱ আৰু অসম মেডিয়া কমনিকেশ্বন ইনষ্টিটিউটৰ উদ্যোগত আজি সোণাই একাডেমীত অনুষ্ঠিত হোৱা মফচলীয়া সাংবাদিকৰ এদিনীয়া কৰ্মশালাত এইদৰে মন্তব্য কৰে হয়বৰগাঁও প্ৰেছ ক্লাৱৰ সভাপতি দিব্যজ্যোতি বৰুৱাই। নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা তথা বিশিষ্ট লেখক ড° অমিয়া পাটৰে আনুষ্ঠানিক ভাৱে উদ্বোধন কৰা কৰ্মশালাটিত মুখ্য প্ৰশিক্ষক হিচাপে বক্তব্য প্ৰদান কৰি নগাঁও প্ৰেছ ক্লাৱৰ উপদেষ্টা কনক হাজৰিকাই কয়, "অতীতৰ, বৰ্তমান আৰু ভৱিষ্যতৰ সাংবাদিকতাৰ ক্ষেত্ৰখনত এক বিশাল পাৰ্থক্য দেখা যায়। কাগজৰ পৰা গণ মাধ্যম আৰু গণ মাধ্যমৰ সামাজিক বা ডিজিটেল মাধ্যমৰ দীঘলীয়া যাত্ৰাত সংবাদ মাধ্যমৰ বহুখিনি পৰিৱৰ্তন হৈছে। সাম্প্ৰতিক কালত চেটেলাইট বা সুস্বাদু ডিজিটেল যুগত প্ৰতিযোগিতা আৰম্ভ হৈছে। আৰু এই সময়ত আমি সাংবাদিক সকলে অতি সংযত আৰু কৌশলগতভাৱে বা-বাতৰিবোৰ পৰিৱেশন কৰিব লাগে।" নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ গণ মাধ্যমৰ লগত জড়িত সাংবাদিক আৰু সংবাদ কৰ্মীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনিত নগাঁও প্ৰেছ ক্লাৱৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক নিলোৎপল বৰাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নিজৰ ভাষণত কয়, সাম্প্ৰতিক সময়ত সকলো সাংবাদিকক এটা নিৰ্দিষ্ট নীতি-নিৰ্দেশনাৰ গণ্ডীত থাকি সহজ সৰল বাবে সংবাদ পৰিবেশন কৰা উচিত। স্পৰ্শকাতৰ, উৰাবাতৰি আৰু সংঘৰ্ষৰ উদ্ভৱ হ'ব পৰা বা-বাতৰিবোৰ পৰাপক্ষত এৰাই চলিব লাগে। দেশ আৰু জাতিৰ পক্ষত থাকি সমাজৰ যোগাত্মক বাতৰিবোৰৰ প্ৰতি বেছি গুৰুত্ব প্ৰদান কৰিব লাগে। এজন সাংবাদিক বা সংবাদ কৰ্মীয়ে সদায় আৰ্তজনৰ কাষত থাকি সাহসেৰে তেওঁৰ পক্ষত মাত মাতিব লাগে। তদুপৰি এজন সফল সাংবাদিক হ'বলৈ হ'লে অধ্যয়ন আৰু ভাষা জ্ঞান প্ৰাচুৰ্য পৰিমাণে থাকিব লাগিব।' দীৰ্ঘদিনৰ অন্তত হয়বৰগাঁও প্ৰেছ ক্লাৱে অনুষ্ঠিত কৰা এনে এক ব্যতিক্ৰমী প্ৰয়াসক আন্তৰিক ধন্যবাদ জনাই নগাঁও বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা জ্যেষ্ঠ সাংবাদিক নব কুমাৰ মহন্তই কয় যে, হত্যা, অপহৰণ, ধৰ্ষণ, দুৰ্ঘটনাত মৃত্যু, পৰীক্ষাৰ পৰা নিলম্বন আদি বিষয়ৰ ওপৰত বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত সাংবাদিক সকলে খুব সংবেদনশীল আৰু সংযমতাৰে আগবাঢ়িব লাগিব। অন্যথা সমাজত ইয়াৰ প্ৰভাৱ ইতিবাচক হোৱাৰ পৰিবৰ্তে নেতিবাচক প্ৰভাৱ পৰাৰ সম্ভাৱনা থাকে। কৰ্মশালাত দেৱজিৎ বৰদলৈ আৰু হৰিনাক্ষী হাজৰিকাই বৰ্তমান সমাজত সাংবাদিকৰ কৰণীয় বিষয়ৰ ওপৰত চমুকৈ বক্তব্য প্ৰদান কৰি সকলোকে আপ্লুত কৰিবলৈ সক্ষম হয়। হয়বৰগাঁও প্ৰেছ ক্লাৱৰ সম্পাদক মোস্তাফা কামাল আৰু জনসম্পৰ্কৰক্ষী প্ৰাঞ্জল শইকীয়াই আঁত ধৰা গাম্ভীৰ্যপুৰ্ণ অনুষ্ঠানত চেটেলাইট চেনেল, বিভিন্ন প'ৰ্টেল, আৰু দৈনিক বাতৰি কাকতৰ পঞ্চাশ গৰাকী সাংবাদিকে প্ৰশিক্ষণ গ্ৰহণ কৰে। চাৰিঘণ্টীয়া সাংবাদিক কৰ্মশালাৰ অন্তত লগে ভাগ এসাঁজ আহাৰ গ্ৰহণ কৰাৰ লগতে সকলো সাংবাদিকক মানপত্ৰ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।

### স্মাৰক বক্তৃতানুষ্ঠান; বিভিন্নজনলৈ সম্বৰ্ধনা

# সেৱাৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস



**অসম বাৰ্তা, নিমাতীঘাট, ২৬ ডিচেম্বৰ ঃ** যোৰহাটৰ অগ্ৰণী বে-চৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান সেৱাৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি কল্যাণী বাল্য ভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত অনুষ্ঠিত হয়। দিৱস উপলক্ষে ষষ্ঠ বাৰ্ষিক অৰুণ নাজিৰ আৰু নীৰদা নাজিৰ স্মাৰক বক্তৃতা প্ৰদান কৰি বিশিষ্ট বিজ্ঞান লেখিকা ড° অদিতি বেজবৰুৱাই বিজ্ঞানসন্মত বিশ্লেষণ আৰু যুক্তিসংগতভাৱে কথাবোৰ ভাবিব লাগে বুলি উল্লেখ কৰি জীৱনৰ প্ৰত্যেক ক্ষেত্ৰতে বিজ্ঞান মানসিকতাক জীৱনৰ অংগ কৰিব লাগিব বুলি ব্যক্ত কৰে। সেৱাৰ সভাপতি হেমেন কুমাৰ শইকীয়াৰ সভাপতিত্বত কল্যাণী সমাজ কল্যাণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰি অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ অধ্যক্ষ শান্তনু পূজাৰীয়ে সমাজত নিয়াৰিকৈ কাম কৰি যোৱাটো কষ্টসাধ্য বুলি ব্যক্ত কৰি সমাজৰ উন্নয়ন কৰিবলৈ আন্তৰিক শ্ৰদ্ধা আৰু নিষ্ঠা থাকিব লাগিব বুলি কয়। সেৱাৰ সম্পাদকত ৰাজীৱ কুমাৰ নাজিৰে আঁত ধৰা আৰু প্ৰধান সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত দিব্যাংগসকলৰ বাবে ত্ৰিছ বছৰৰো অধিক কাল সেৱা আগবঢ়োৱা চিনামৰাৰ প্ৰেৰণাৰ অধ্যক্ষা চায়েৰা ৰহমানক ষষ্ঠ বাৰ্ষিক ভদ্ৰেশ্বৰ শইকীয়া, দেৱে শইকীয়া সোঁৱৰণী সমাজ-সজ্জন অভিধা প্ৰদান কৰে। আনহাতে, সমাজকৰ্মী দিলীপ শইকীয়া সোঁৱৰণী তৃতীয় বাৰ্ষিক কৰ্ম-সংস্কৃতি বঁটা বাঁহ-বেতৰ বিশিষ্ট হস্ত শিল্পী প্ৰভাত শইকীয়া আৰু স্ব -নিৰ্ভৰশীলতাৰ নিদৰ্শন পীৰাকটাৰ ৰাকেশ ফুকনক প্ৰদান কৰে। সেৱাৰ মুখ্য উপদেষ্টাদ্বয় ডাঃ বলীন খাৰঘৰীয়া, ড° চেনিৰাম দত্তই সন্মানীয় অতিথি ৰূপে অংশগ্ৰহণ কৰা সভাত ডি ৱাই-৩৬৫ ৰ জ্যেষ্ঠ সাংবাদিক ৰাজীৱ বৰা, আকাশবাণী যোৰহাটৰ অনুষ্ঠান পৰিৱেশক দৰ্শনা বৰঠাকুৰক সেৱাই সম্বৰ্ধনা জনায়। দিৱসৰ সভাত অসম চৰকাৰৰ অসম গৌৰৱ বঁটাপ্ৰাপক আদৰ্শ কৃষক বিশ্বজিৎ বৰা, লক্ষ্মী দত্ত সোঁৱৰণী সাংবাদিক বঁটাপ্ৰাপক ৰমেন শইকীয়া, সংসদত ভাষণ প্ৰদান কৰা প্ৰতিভাৱান ছাত্ৰী চুমি শিখা বৰা, অসম মাষ্টাৰ গেমছত দৌৰত স্বৰ্ণ পদক লাভ কৰা অনন্ত কলিতা আৰু চৰকাৰৰ লোকসেৱা পুৰস্কাৰপ্ৰাপক ৰক্তিম নেওগক অভিনন্দন জনায়। অনুষ্ঠানত উত্তৰ যোৰহাট জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি বৈকুণ্ঠ মহন্ত, কল্যাণী সমাজ কল্যাণ কেন্দ্ৰৰ সভাপতি অশোক বৰা, কল্যাণী বাল্য ভৱনৰ অধ্যক্ষা বিশ্বজিতা বৰপূজাৰী, বঁটা দাতা পৰিয়ালৰ ৰেখা শইকীয়া, হীমাৰাণী কলিতা প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। অনুষ্ঠানত অৰ্চিতা নাজিৰ আৰু কল্যাণী বাল্য ভৱনৰ ছাত্ৰীসকলে নৃত্য প্ৰদৰ্শন কৰে। সেৱাৰ শ্ৰীমন্ত মাধৱ বৰুৱা, ৰূপক ৰঞ্জন দত্ত, অভিজিত হাজৰিকা, পল্লৱী শইকীয়া, বিৰাজ বৰুৱা, জিতাশ্ৰী শইকীয়াই সহযোগিতা আগ বঢ়োৱা আজিৰ অনুষ্ঠানত পৰাগজ্যোতি দত্ত, সূৰ্য্যকমল বৰা, গোপাল মহন্ত, দৌৰবিদ অভিজিত বৰুৱা, অনাতাঁৰ শিল্পী নীলকান্ত শইকীয়া, ৰঞ্জিত কুমাৰ বৰা, লক্ষ্মী দত্ত, বুধিন্দ্ৰ নাথ বৰা, সুনীল কুমাৰ শইকীয়া, অঞ্জন বৰা প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকে। আৰম্ভণিতে পতাকা উত্তোলন কৰে সেৱাৰ কাৰ্যকৰী সমিতিৰ সভাপতি জগন্নাথ অগ্নি বৰাই, স্মৃতি তৰ্পণ কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডঃ হেমেন শইকীয়াই আৰু বন্তি প্ৰজ্বলন কৰে নীলমণি পাঠকে।

# 'আপকু'ৰ সপ্তদশ কেন্দ্ৰীয় মধ্যকালীন তিনিচুকীয়া অধিৱেশনৰ ব্যাপক প্ৰস্তুতি

### সম্বৰ্ধিত হ'ব কেইবাগৰাকী স্বনামধন্য বিশিষ্ট ব্যক্তি

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৬ ডিচেম্বৰ ঃ** অহা ৩ আৰু ৪ জানুৱাৰী, ২০২৬ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে 'আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন', চমুকৈ 'আপকু'ৰ সপ্তদশ কেন্দ্ৰীয় মধ্যকালীন অধিৱেশনখনি তিনিচুকীয়া জিলা সমিতিৰ আতিথ্যত তিনিচুকীয়াৰ উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। উল্লেখ্য যে, ১৯৯৩ চনৰ ৩০ এপ্ৰিলত ৰাজ্যৰ কেইগৰাকীমান বৰেণ্য সাহিত্যিক, সাংবাদিকৰ আশাশুধীয়া প্ৰচেষ্টাত অসমৰ সংবাদ ক্ষেত্ৰত মফচলীয়া সাংবাদিক তথা সংবাদকৰ্মীসকলৰ সুৰক্ষাৰ লগতে সংবাদ মাধ্যমৰ মৰ্যাদা অটুট ৰখাৰ স্বাৰ্থত গুৱাহাটীৰ 'গৌৰী সদন'ত গঠন হৈছিল 'আপকু'। অসমৰ একমাত্ৰ চৰকাৰী চাকৰিবিহীন সাংবাদিকৰ সংগ্ৰামী মঞ্চ তথা ভাৰত চৰকাৰৰ ট্ৰেড ইউনিয়নৰ পঞ্জীয়নভুক্ত সাংবাদিক সংগঠন 'আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন', চমুকৈ 'আপকু'ৰ সপ্তদশ কেন্দ্ৰীয় মধ্যকালীন অধিৱেশনখনি অহা ৩ আৰু ৪ জানুৱাৰী, ২০২৬ তাৰিখ শনি আৰু দেওবাৰে দুদিনীয়া কাৰ্যসূচীৰে উজনি অসমৰ উদ্যোগ নগৰী তিনিচুকীয়াৰ বৰদলৈ নগৰস্থিত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক প্ৰেক্ষাগৃহত 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ আতিথ্যত আৰু তিনিচুকীয়াবাসীৰ সহযোগত অনুষ্ঠিত কৰাৰ দিহা কৰা হৈছে। এই অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰতিনিধি সভা, মুকলি সভা, জ্যেষ্ঠ নাগৰিকৰ বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানটিৰ প্ৰস্তুতি তুংগত বুলিয়েই জনাইছে 'আপকু'ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি স্বপন ৰাভা, কাৰ্যকৰী সভাপতি মৌচমজ্যোতি বৈশ্য, সম্পাদক প্ৰধান শৰৎ শেনচোৱা, 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ৰবীন মৰাণ, কাৰ্যকৰী সভাপতি কংকণজ্যোতি দেৱ গোস্বামী, সম্পাদক দ্বীপেন লহকৰ, আদৰণি সমিতিৰ সভাপতি বলিন চেতিয়া, কাৰ্যকৰী সভাপতি মুলেন্দ্ৰ মৰাণ আৰু মুখ্য সম্পাদক মনোৰঞ্জন নেওগে। কাৰ্যসূচী অনুসৰি, ৩ জানুৱাৰীৰ পুৱা ৯ বজাত আপকুৰ কেন্দ্ৰীয় সভাপতি স্বপন ৰাভাই পতাকা উত্তোলন কৰাৰ পাছতেই স্মৃতি তৰ্পণ কৰিব কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি মৌচমজ্যোতি বৈশ্য আৰু সম্পাদক প্ৰধান শৰৎ শেনচোৱাই। ইয়াৰ পাছতেই কেইবাগৰাকী স্বনামধন্য ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানটি আদৰণি সমিতিয়ে নিৰ্দিষ্ট কৰা সমাজৰ বিভিন্ন ক্ষেত্ৰৰ সন্মানীয় ব্যক্তি বিশেষে সম্পন্ন কৰিব। অসমৰ বিভিন্ন জিলা সমিতিৰ পৰা প্ৰতিনিধিত্ব কৰিবলগীয়া প্ৰায় ডেৰশ প্ৰতিনিধিৰ পঞ্জীয়ন সম্পন্ন হোৱাৰ পাছতেই অনুষ্ঠিত হ'ব কেন্দ্ৰীয় সাধাৰণ সভা। আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি মূলেন্দ্ৰ মৰাণে সাধাৰণ সভাখন উদ্বোধন কৰিব। দুপৰীয়া ১২ বজাত 'আপকু'ৰ কেন্দ্ৰীয় সভাপতি স্বপন ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। ফিলবাৰী চিকৰাজানৰ শিল্পী সমাজে পৰিৱেশন কৰা 'আপকু'ৰ শীৰ্ষ গীতৰ পাছতেই মুকলি সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব লক্ষ্মীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই। আদৰণি ভাষণ প্ৰদান কৰিব আদৰণি সমিতিৰ সভাপতি তথা শদিয়াৰ বিধায়ক বলিন চেতিয়াই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব কেন্দ্ৰীয় অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াব 'আপকু'ৰ মুখ্য উপদেষ্টা মনোজ সিঙে। নৱনিযুক্ত তিনিচুকীয়া জিলাৰ আয়ুক্ত সুমিত সাত্তাৱনে উন্মোচন কৰিব ফটিক নেওগৰ সম্পাদনাত প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থ। মুকলি সভাত বিশিষ্ট নিবন্ধকাৰ তথা তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ সাংবাদিক অমূল্য খাটনিয়াৰে 'সাংবাদিকতা - অতীত, বৰ্তমান আৰু ভৱিষ্যৎ' শীৰ্ষক বিষয়বস্তুৰ ওপৰত বক্তব্য ৰাখিব। অনুষ্ঠানত বিশিষ্ট অতিথি হিচপে উপস্থিত থাকিব তিনিচুকীয়া জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা, তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড: ভৈৰৱ বৰগোঁহাই, বিশিষ্ট সাংবাদিক ৰাণু বৰুৱা আৰু অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি মোহন মৰাণ। সন্মানীয় অতিথি হিচাপে থাকিব ডুমডুমাৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালা, প্ৰাক্তন শ্ৰমমন্ত্ৰী, তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষাণ, ডিগবৈৰ বিধায়ক সুৰেন ফুকন, মাৰ্ঘেৰিটাৰ বিধায়ক ভাস্কৰ শৰ্মা, তিনিচুকীয়াৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ংক কুমাৰ, তিনিচুকীয়া জিলা পৰিষদৰ অধ্যক্ষ ভাদেশ্বৰ মৰাণ, মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, মটক স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ সৰোজ গোঁহাই আৰু চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়াই। নিমন্ত্ৰিত অতিথিৰ বাবে আমন্ত্ৰিত হৈছে 'আছু'ৰ সহকাৰী সাধাৰণ সম্পাদক সমৰজ্যোতি গোঁহাই, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক সুৰজিৎ মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়া, সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, সদৌ অসম মটক সন্মিলনৰ সাধাৰণ সম্পাদক কিৰণ ৰাজখোৱা, মটক যুৱ-ছাত্ৰ সন্মিলনৰ কেন্দ্ৰীয় সম্পাদক স্বৰূপ গোহাঁই, সদৌ মৰাণ কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ সভাপতি ভাৰ্গৱ মৰাণ, মৰাণ সাহিত্য সভাৰ মুখ্য সম্পাদক মৃদুল দহোটীয়া, 'আছু'ৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জীতেন্দ্ৰ চুতীয়া, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক ব্ৰজেন ভূঞা, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নোমল ছেত্ৰী, তিনিচুকীয়া জিলা চাহ জনজাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জগত নায়ক। অনুষ্ঠানত জিলাখনৰ বিভিন্ন ক্ষেত্ৰৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰিব। তাৰ ভিতৰত বিষ্ণু ৰাভা বঁটা প্ৰাপক তথা বিশিষ্টা নৃত্য পটিয়সী দুৰ্লভা মৰাণ, পৰিৱেশ কৰ্মী নিৰন্ত গোঁহাই, শতবৰ্ষীয় তৰুণ পীতাম্বৰ সন্দিকৈ, বিশিষ্ট শিক্ষাবিদ, সমাজ সংগঠক টিকাৰাম ছেত্ৰী, সাহিত্যিক, প্ৰবীন শিল্পী যুদ্ধবীৰ ৰাণা, ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া, মননশীল লেখক বিমল বৰগোঁহাই আৰু তিনিচুকীয়াৰ সু-সন্তান তথা দক্ষিণ আফ্ৰিকাত কৰ্মৰত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিজ্ঞানী ড° মুকুট গোহাঁই অন্যতম। ৪ জানুৱাৰীৰ পুৱা ৯ বজাত প্ৰতিনিধিসকলৰ শদিয়া-অৰুণাচল ভ্ৰমণ কাৰ্যসূচী সম্পন্ন হোৱাৰ পাছতেই 'আপকু'ৰ সপ্তদশ কেন্দ্ৰীয় মধ্যকালীন তিনিচুকীয়া অধিৱেশনৰ দুদিনীয়া কাৰ্যসূচীৰ অন্ত পৰিব।

### একাংশ মৌলবাদী ভাবধাৰাৰে পৰিচালিত বাংলাদেশ চৰকাৰক উচিত শিক্ষা দিয়ক ভাৰত চৰকাৰে ঃ মণিকণ দাস

# বাংলাদেশ চৰকাৰৰ বিৰুদ্ধে ঢেকীয়াজুলিত বজৰং দলৰ উদ্যোগত কেইবাটাও হিন্দুত্ববাদী সংগঠনৰ সহযোগত তীব্ৰ প্ৰতিবাদ




**অসমৰ বাৰ্তা, ঢেকীয়াজুলি, ২৬ ডিচেম্বৰ ঃ** বাংলাদেশত সংঘটিত এক জঘন্য আৰু নৃশংস ঘটনাই এতিয়া সমগ্ৰ ভাৰতত গভীৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি, বাংলাদেশত দীপু চন্দ্ৰ দাস নামৰ এগৰাকী নিৰীহ হিন্দু যুৱকক সামান্য কথাক কেন্দ্ৰ কৰি একাংশ উন্মাদ মৌলবাদী ভাৱধাৰাৰ লোকৰ দ্বাৰা মৰিয়াই মৰিয়াই হত্যা কৰাৰ লগতে তেওঁৰ মৃতদেহ গছত উলমাই "আল্লাহু আকবৰ" ধ্বনি দি জ্বলাই দিয়া হয়। এই হৃদয়বিদাৰক ঘটনাই মানৱতা আৰু ধৰ্মীয় সহিষ্ণুতাক প্ৰশ্নবিদ্ধ কৰাৰ লগতে বাংলাদেশৰ সংখ্যালঘু হিন্দু সমাজৰ সুৰক্ষাক লৈ গভীৰ আশংকাৰ সৃষ্টি কৰিছে। এই জঘন্য আৰু বৰ্বৰ ঘটনাৰ বিৰুদ্ধে আজি শোণিতপুৰ জিলাৰ অন্তৰ্গত শ্বহীদ নগৰী ঢেকীয়াজুলিত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা হয়। বিশ্ব হিন্দু পৰিষদ বজৰং দলৰ উদ্যোগত অনুষ্ঠিত এই প্ৰতিবাদী কাৰ্যসূচীত দুৰ্গা বাহিনী, সনাতনী বীৰ হিন্দু সেনা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থা, সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচন, সদৌ অসম ভোজপুৰী পৰিষদৰ লগতে কেইবাটাও হিন্দুত্ববাদী সংগঠনৰ নেতা-কৰ্মী তথা সাধাৰণ লোকে অংশগ্ৰহণ কৰে। আজি বিয়লি প্ৰায় ৫ বজাত শ্বহীদ নগৰী ঢেকীয়াজুলিৰ ৰাজপথত প্ৰতিবাদকাৰী সকলে সমবেত হৈ বাংলাদেশ চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি নিজৰ ক্ষোভ প্ৰকাশ কৰে। প্ৰতিবাদকাৰী সকলে বাংলাদেশত হিন্দু সংখ্যালঘুৰ ওপৰত চলি থকা অত্যাচাৰ, ধৰ্মীয় হিংসা আৰু নৃশংস হত্যাকাণ্ডৰ তীব্ৰ নিন্দা কৰে। তেওঁলোকে অভিযোগ কৰে যে বাংলাদেশ চৰকাৰ একাংশ মৌলবাদী শক্তিৰ প্ৰভাৱত সংখ্যালঘু সমাজৰ সুৰক্ষা নিশ্চিত কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে ড° মহম্মদ ইউনুছৰ চৰকাৰ। এই প্ৰসংগত বজৰং দলৰ নেতা মণিকণ দাসে কয় যে, একাংশ মৌলবাদী ভাৱধাৰাৰে পৰিচালিত বাংলাদেশ চৰকাৰক ভাৰত চৰকাৰে কূটনৈতিকভাৱে হলেও উচিত শিক্ষা দিব লাগিব। বাংলাদেশত থকা হিন্দু সংখ্যালঘুৰ প্ৰাণ আৰু সন্মান ৰক্ষাৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কঠোৰ পদক্ষেপ গ্ৰহণ কৰা অতি প্ৰয়োজন। সমান্তৰালভাৱে বজৰং দলৰ নেতা শমীৰ কৰ, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ নেতা নাৰায়ণ সিং গোড়, সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ নেতা আযোতোষ চৰকাৰ, সদৌ অসম ভোজপুৰী পৰিষদৰ নেতা সন্তোষ চাহানীয়ে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ আৰু অসন্তুষ্টি প্ৰকাশ কৰে। প্ৰতিবাদস্থলীত অংশগ্ৰহণকাৰী সকলে ভাৰত চৰকাৰক বাংলাদেশ চৰকাৰৰ ওপৰত চাপ সৃষ্টি কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰাৰ লগতে ভৱিষ্যতে এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ দৃঢ় ব্যৱস্থা লোৱাৰ দাবী জনায়। লগতে, বাংলাদেশত বাস কৰা হিন্দু সমাজৰ সুৰক্ষা আৰু অধিকাৰ নিশ্চিত কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সংগঠনসমূহকো আগবাঢ়ি আহিবলৈ আহ্বান জনোৱা হয়। উল্লেখ্য যে, এই ঘটনাক কেন্দ্ৰ কৰি অসমসহ দেশৰ বিভিন্ন প্ৰান্তত এতিয়া তীব্ৰ প্ৰতিক্ৰিয়া দেখা গৈছে আৰু ঢেকীয়াজুলিৰ এই প্ৰতিবাদী কাৰ্যসূচীয়ে সেই সামগ্ৰিক ক্ষোভৰ প্ৰতিফলন।

# বিধায়ক পুঁজিৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতো বিল মোকলাই নিদিয়াৰ অভিযোগ বিধায়ক

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ২৬ ডিচেম্বৰ ঃ** অভয়াপুৰী সমজিলা আয়ুক্তৰ কাৰ্যালয়ত কৰ্মৰত এগৰাকী বিষয়াই বিধায়ক পুঁজিৰ অধীনত সম্পূৰ্ণ হোৱা উন্নয়নমূলক কামৰ বিল আদায় দিয়াত প্ৰয়োজনাধীন পলম কৰাক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক চৰ্চা চলিছে। প্ৰাপ্ত বাতৰি মতে বঙাইগাঁও জিলাৰ পূৰ্বৰ অভয়াপুৰী দক্ষিণ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰ্তমানৰ অভয়াপুৰী বিধানসভা সমষ্টিৰ দেওহাটী গাঁও পঞ্চায়তৰ শিঙিমাৰীত বিধায়ক পুঁজিৰ ২০২৩-২০২৪ বৰ্ষৰ অধীনত চেণ্ড গ্ৰেভেলিং পেলাই পথ মেৰামতিৰ কাম সম্পূৰ্ণ কৰা হৈছিল। প্ৰফুল্ল ৰায়ৰ ঘৰৰ পৰা গনক ৰায়ৰ ঘৰলৈ পথটো মেৰামতিৰ বাবদ মুঠ ২ লাখ ৫০ হাজাৰ টকা অনুমোদন হৈছিল আৰু আঁচনিখনৰ প্ৰাক কলন মতে পথটোৰ মেৰামতিৰ কাম ২০২৫ বৰ্ষৰ জুন মাহতেই সম্পূৰ্ণ হৈছিল। অভিযোগ অনুসৰি, চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহত সহকাৰী উন্নয়ন বিষয়া, সমজিলা অভয়াপুৰীৰ দিগন্ত বৰুৱাই পথটো পৰিদৰ্শন কৰে। কামটোৰ সভাপতি দয়াল নাথে অভয়াপুৰী সমজিলা আয়ুক্তক দাখিল কৰা অভিযোগত উল্লেখ কৰা মতে, সহকাৰী উন্নয়ন বিষয়াই কামটো ১০০ শতাংশ সম্পূৰ্ণ হৈছে বুলি অৱগত কৰে। কিন্তু ইয়াৰ পাছতেই সহকাৰী উন্নয়ন বিষয়াই উক্ত পথটো লোক নিৰ্মাণ বিভাগে গ্ৰহণ কৰা বুলি বিভাগীয় কৰ্তৃপক্ষক বিভ্ৰান্তিকৰ লিখিত তথ্য দাখিল কৰে। কাম সম্পূৰ্ণ হোৱাৰ পাছতো বিল মোকলাই দিয়াৰ পৰিবৰ্তে এইদৰে বিভ্ৰান্তিকৰ তথ্য দাখিল কৰাত কামটোৰ ধন এতিয়াও অনাদায়ে আছে বুলি অভিযোগত উল্লেখ কৰে কামটো সভাপতি দয়াল নাথে। অভিযোগ অনুসৰি, বিলৰ সন্দৰ্ভত কাৰ্যালয়ত লগ কৰিবলৈ আহিলে সহকাৰী উন্নয়ন বিষয়াই কামটোৰ সভাপতি দয়াল নাথক সন্ধিয়া ৰূমত আহি লগ কৰিবলৈ কয়। দুদিন পলম হোৱাত সহকাৰী উন্নয়ন বিষয়াই কাম সম্পূৰ্ণ হ'লেও বিলৰ ধন মোকলাই দিয়া নহ'ব বুলি অভিযোগত উল্লেখ কৰিছে। এই ঘটনাটোক কেন্দ্ৰ কৰি এতিয়া প্ৰশ্ন উত্থাপন হৈছে যে - কাৰ্যালয়ত লগ কৰাৰ পৰিবৰ্তে সহকাৰী উন্নয়ন বিষয়া গৰাকীয়ে কিয় সন্ধিয়া ৰূমত মাতিছিল নাথক ? ইপিনে, দয়াল নাথে উক্ত পথটো পুনৰ পৰিদৰ্শন কৰি কামটোৰ ধন শীঘ্ৰে মোকলাই দিয়াৰ বাবে অভয়াপুৰী সমজিলা আয়ুক্তক অনুৰোধ জনাইছে। ঘটনাটোক লৈ স্থানীয় ৰাইজৰ মাজতো তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে আৰু বিষয়টো সঠিক তদন্তৰ দাবী উঠিছে।

## সম্পাদকীয়

# তিৱা, মিচিং, ৰাভা স্বায়ত্তশাসিত পৰিষদ

অসমৰ তিৱা, মিচিং আৰু ৰাভা জনজাতিৰ স্বায়ত্তশাসিত পৰিষদসমূহক সাংবিধানিক মৰ্যাদা প্ৰদানৰ দীৰ্ঘদিনীয়া দাবীটোৱে এটা গুৰুত্বপূৰ্ণ ৰাজনৈতিক অধ্যায়ৰ আৰম্ভণি সূচাব পাৰে। নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে অনুষ্ঠিত বৈঠক আৰু ইয়াৰ ফলাফলসমূহে ৰাজ্যৰ জনজাতীয় সম্প্ৰদায়সমূহৰ সাংবিধানিক আকাংক্ষা পূৰণৰ পথত এক আশাব্যঞ্জক পদক্ষেপ হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু জনজাতি পৰিক্ৰমা মন্ত্ৰী ড° ৰণোজ পেগুৰ উপস্থিতিত হোৱা এই আলোচনাই এই দাবীৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ গুৰুত্ব আৰু গভীৰতা প্ৰতিফলিত কৰিছে। বৰ্তমান, তিৱা, মিচিং আৰু ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদকেইখন ৰাজ্যিক বিধেয়কৰ অধীনত কাৰ্যকৰী হৈ আছে। এই ব্যৱস্থাৰ জৰিয়তে এক নিৰ্ধাৰিত মাত্ৰাত স্বায়ত্তশাসন উপভোগ কৰিলেও, ষষ্ঠ অনুসূচীৰ সাংবিধানিক ছত্ৰছায়ালৈ সোমোৱাটোৱেই হৈছে এই সম্প্ৰদায়সমূহৰ মুখ্য লক্ষ্য। সংবিধানৰ ষষ্ঠ অনুসূচীয়ে জনজাতীয় অঞ্চলসমূহক স্বায়ত্তশাসন, সাংস্কৃতিক ৰক্ষণাবেক্ষণ আৰু সম্পদৰ ওপৰত নিয়ন্ত্ৰণৰ দৰে ব্যাপক অধিকাৰ প্ৰদান কৰে। গতিকে, এই মৰ্যাদা প্ৰাপ্তিৰ অৰ্থ হ'ব- অধিক স্বকীয়তা, উন্নয়নৰ বাবে অৰ্থনৈতিক ন্যায়, আৰু জনজাতীয় পৰিচয়ৰ দৃঢ় সংৰক্ষণ। কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে তিনিওটা জনগোষ্ঠীৰ প্ৰতিনিধিৰ সৈতে পৃথক আলোচনা আৰু এজন জ্যেষ্ঠ মধ্যস্থতাকাৰী নিয়োগৰ আশ্বাসে এক গতিশীল পৰিৱেশ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীয়ে ইয়াক কেন্দ্ৰৰ দায়বদ্ধতাৰ প্ৰতীক বুলি মন্তব্য কৰাটোৱে ৰাজ্যিক আৰু কেন্দ্ৰীয় মৰ্যাদাবোৰৰ মাজত প্ৰয়োজনীয় সমন্বয়ৰ ইংগিত দিয়ে। তথাপি, এই আলোচনা আৰু আশ্বাসসমূহে সাধাৰণ নাগৰিকৰ মনত কেইটামান প্ৰাসংগিক প্ৰশ্নৰ উদয় কৰিছে। প্ৰথমতে, এই জ্যেষ্ঠ মধ্যস্থতাকাৰীগৰাকীয়ে কিমান সময়ৰ ভিতৰত তেওঁৰ কাৰ্য্যকাল আৰম্ভ কৰিব? এই সম্পূৰ্ণ প্ৰক্ৰিয়াটো শেষ হ'বলৈ কিমান সময়ৰ প্ৰয়োজন হ'ব? দ্বিতীয়তে, ষষ্ঠ অনুসূচীভুক্ত হ'লেহে এই পৰিষদকেইখনৰ আৰ্থিক অনুদান, প্ৰশাসনিক ক্ষমতা আৰু নিৰ্ধাৰণাধিকাৰ কিমান দূৰ বৃদ্ধি পাব? তৃতীয়তে, এই মৰ্যাদা প্ৰদানে সমভূমি জনজাতিসকলৰ মাজৰ অন্যান্য সম্প্ৰদায়ৰ দাবীৰ সৃষ্টি কৰিব নেকি? যদি কৰে, তেনেহ'লে ৰাজ্যত এক নতুন ৰাজনৈতিক জটিলতাৰ সূত্ৰপাত হ'ব পাৰে নেকি? চতুৰ্থতে, এই সাংবিধানিক মৰ্যাদাই পৰিষদকেইখনৰ কৰ্মকাৰিতা আৰু প্ৰশাসনিক স্বচ্ছতা নিশ্চিত কৰিব পাৰিবনে? সাধাৰণ মানুহে ভাবে- উন্নয়নৰ নামত হোৱা প্ৰকৃত পৰিৱৰ্তনটোৱেই হ'ল চূড়ান্ত পৰীক্ষা। আনহাতে, এই দাবী পূৰণৰ অৰ্থ হ'ল অসমৰ বহুত্ববাদী সমাজ ব্যৱস্থাত সাংবিধানিক ন্যায় প্ৰতিষ্ঠা কৰা। ইয়াৰ দ্বাৰা জনজাতীয় ভাষা, সংস্কৃতি আৰু পৰম্পৰা ৰক্ষা কৰাৰ লগতে অঞ্চলবোৰৰ দ্ৰুত আৰু সুষম অৰ্থনৈতিক উন্নয়ন সম্ভৱপৰ হ'ব বুলি আশা কৰা হৈছে। কিন্তু ইয়াৰ বাবে ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰৰ মাজত অবিৰত সংলাপ, স্থানীয় জনতাৰ সৈতে পাৰস্পৰিক বিশ্বাস আৰু এক স্পষ্ট ৰোডমেপ প্ৰয়োজন। এই বৈঠকক এক সকাৰাত্মক আৰু ঐতিহাসিক মুহূৰ্ত হিচাপে গণ্য কৰিব লাগিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ সক্ৰিয় হস্তক্ষেপে এই জটিল ৰাজনৈতিক বিষয়টোৰ প্ৰতি চৰকাৰী গুৰুত্ব প্ৰদান কৰিছে। মধ্যস্থতাকাৰীৰ জৰিয়তে আগবাঢ়িবলগীয়া বাটটোৱে সকলো পক্ষৰ আশা-আকাংক্ষা আৰু উদ্বেগসমূহ সঠিকভাৱে সামৰিব লাগিব। অসমৰ জনজাতীয় ইতিহাস আৰু অধিকাৰৰ প্ৰতি সচেতনতাৰে এই সংলাপক এগৰাকী সু-নিৰ্দেশিত মধ্যস্থতাকাৰীয়ে এক স্থায়ী আৰু ন্যায়সংগত সমাধানলৈ লৈ যাব বুলি আমাৰ বিশ্বাস। কেৱল তেতিয়াহে এই আলোচনাই কাগজী আশ্বাসৰ সীমা অতিক্ৰম কৰি জনজাতীয় সমাজৰ জীৱনলৈ পৰিৱৰ্তন আনি দিব পাৰিব।

# যুৱ লেখক সন্মান: অনুপ্ৰেৰণা নে প্ৰশ্নবোধ?

ৰাজ্য চৰকাৰে সাহিত্য চৰ্চাত নিয়োজিত যুৱক-যুৱতীসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে "গ্ৰন্থ বৰ্ষ—২০২৫" উপলক্ষে যুৱ লেখক সন্মান প্ৰদান কৰাটো নিঃসন্দেহে এক শলাগযোগ্য পদক্ষেপ। সাহিত্য ক্ষেত্ৰত আগবাঢ়ি আহিব খোজা নৱপ্ৰজন্মৰ বাবে এনে সন্মান এক উৎসাহৰ উৎস হ'ব পাৰে। এই ঘোষণাই প্ৰথমে আমাৰ মনত আনন্দ আৰু আশাৰ সৃষ্টি কৰিছিল।

কিন্তু ২১ ডিচেম্বৰ ২০২৫ তাৰিখৰ ৰাতিৰ পৰা এই বঁটা বা সন্মানক লৈ সামাজিক মাধ্যম আৰু বৌদ্ধিক জগতত যি ধৰণৰ ভিন্নমুখী মতামত প্ৰকাশ পাই আহিছে, সেয়া উদ্বেগজনক। কোনোবাই ইয়াক ৰাজনৈতিক চক্ৰান্ত বুলি অভিহিত কৰিছে, আন কোনোবাই আকৌ হিন্দু-মুছলমানৰ ৰাজনীতিৰ লগত জড়িত কৰিব খুজিছে। এনে অভিযোগসমূহ সত্য হওক বা নহওক, এইবোৰে অৱশ্যে সন্মানটোৰ নৈতিক মৰ্যাদাক প্ৰশ্নৰ মুখত পেলাইছে।

এই সন্দৰ্ভত অসম প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত ৮১৮ জনীয়া যুৱ লেখক সন্মানপ্ৰাপ্তৰ তালিকাখন ভালদৰে নিৰীক্ষণ কৰাৰ সুযোগ পালোঁ। তালিকাখন চোৱাৰ পিছত কেৱল বিস্ময়েই নহয়, গভীৰ হতাশাও অনুভৱ কৰিলোঁ। কাৰণ, তাত মোৰ বহু চিনাকি, সঁচা অৰ্থত সাহিত্য সাধনাত নিয়োজিত ব্যক্তিৰ নাম থকাৰ লগতে এনে কিছুমান লোকৰ নামো দৃষ্টিগোচৰ হ'ল, যিয়ে সাহিত্যিক পৰিচয়টো কিমান দূৰ গম্ভীৰভাৱে লয় সেয়া লৈ প্ৰশ্ন উঠাটো স্বাভাৱিক।

তাৰো অধিক আচৰিত আৰু উদ্বেগজনক বিষয়টো হ'ল- বাইহাটা চাৰিআলিৰ এগৰাকী লেখিকাৰ নাম এই তালিকাত অন্তৰ্ভুক্ত হোৱা বুলি জনা গ'ল, যাৰ বিৰুদ্ধে আনৰ লেখা চুৰি কৰি নিজৰ নামত বিভিন্ন বাতৰি কাকতত প্ৰকাশ কৰাৰ গুৰুতৰ অভিযোগ ইতিমধ্যে উঠি আহিছে। এই অভিযোগসমূহ কেৱল অপপ্ৰচাৰ নহয়; চুৰি লেখা বুলি প্ৰমাণিত হোৱাৰ পাছতো যদি এনে এগৰাকী ব্যক্তিয়ে যুৱ লেখক সন্মান লাভ কৰিব পাৰে, তেন্তে বাছনি প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু গুণগত মান সন্দৰ্ভত প্ৰশ্ন উঠাটো একেবাৰে স্বাভাৱিক।

বঁটা বা সন্মান কেৱল এখন প্ৰমাণপত্ৰ বা এখন মানপত্ৰত সীমাবদ্ধ নহয়; ই সাহিত্যিকৰ পৰিশ্ৰম, সততা আৰু সৃষ্টিশীলতাৰ সামাজিক স্বীকৃতি। এনে সন্মান যদি অযোগ্য বা বিতৰ্কিত ব্যক্তিৰ হাতলৈ যায়, তেন্তে সেয়া যোগ্যসকলৰ প্ৰতি অন্যায় হোৱাৰ লগতে সমগ্ৰ সাহিত্য সমাজৰ প্ৰতিও এক ধৰণৰ অৱহেলা বা অসন্মান।

◀◀ অৰ্থনীতিত মিডিয়াই সৃষ্টি কৰা খ্যাতিয়ে ভোগবাদ বৃদ্ধি কৰিছে। সাধাৰণ মানুহে কৃত্ৰিম ভাৱে বিখ্যাত মানুহবোৰৰ দৰে জীৱন যাপন কৰিব খোজে, যাৰ ফলত অপচয় বাঢ়ি যায়। ৰাজনীতিত এই প্ৰভাৱ অধিক স্পষ্ট। কৃত্ৰিম ভাৱে বিখ্যাত মানুহবোৰে ৰাজনীতিত প্ৰৱেশ কৰি ভোট লাভ কৰে, কিন্তু নীতি নিৰ্ধাৰণত অক্ষম হয়। এই ফলত ৰাজনৈতিক ব্যৱস্থা দুৰ্বল হৈ পৰিছে। পৰিয়ালতো এই মানসিকতাই প্ৰভাৱ পেলাইছে। পিতৃ-মাতৃয়ে সন্তানক বিখ্যাত কৰিব খোজে, যাৰ ফলত পৰিয়ালৰ সম্পৰ্ক দুৰ্বল হয়। যুৱ সমাজত এই সমস্যা অধিক। তেওঁলোকে খ্যাতিৰ পিছে পিছে দৌৰে, কিন্তু প্ৰকৃত উন্নয়নত মনোনিৱেশ নকৰে। মহিলাৰ ক্ষেত্ৰত মিডিয়াই সৌন্দৰ্যক খ্যাতিৰ মাপকাঠী কৰিছে, যাৰ ফলত মানসিক চাপ বাঢ়ি যায়। বৃদ্ধসকলক অৱহেলা কৰা হয়, কিয়নো তেওঁলোক বিখ্যাত নহয়। ▶▶

## নৱবৰ্ষ

# অতীতৰ পৰা বৰ্তমানলৈ

**ড° আৰ কে বেজবৰুৱা**

পৃথিৱীৰ বিভিন্ন সভ্যতাত নৱবৰ্ষ উদ্‌যাপনৰ এক গৌৰৱময় ইতিহাস আছে, যাৰ প্ৰাচীনত্ব প্ৰায় চাৰি হাজাৰ বছৰ পুৰণি বুলি অনুমান কৰা হয়। প্ৰাচীন বেবিলনৰ পৰা আৰম্ভ কৰি ৰোমান, মিচৰীয় আৰু আধুনিক গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰলৈকে এই উদ্‌যাপন ধীৰে ধীৰে বিকশিত হৈ বিশ্বৰ বিভিন্ন সংস্কৃতি আৰু ধৰ্মত গভীৰভাৱে শিপাই পৰিছে। ধৰ্ম, ঋতু আৰু সামাজিক পৰম্পৰা অনুসৰি সুকীয়া ৰূপত পালন হোৱা এই উৎসৱে মানৱ জীৱনৰ পুনৰ্জন্ম, আশা আৰু নতুন আৰম্ভণিৰ প্ৰতীক হৈ পৰিছে।

খ্ৰীষ্টপূৰ্ব ২০০০ চনৰ আশে পাশে প্ৰাচীন বেবিলনীয়সকলেই সৰ্বপ্ৰথম নৱবৰ্ষ উদ্‌যাপনৰ পাতনি মেলিছিল। বেবিলনীয়াসকলে বসন্ত কালৰ মাৰ্চ মাহৰ পিছত প্ৰথম অমাৱস্যাৰ শেষত 'আকিটু' নামে এটি উৎসৱ উদ্‌যাপন কৰিছিল। এই উপলক্ষে তেওঁলোকে বিশদ ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত কৰিছিল। 'আকিটু' শব্দটো চুমেৰিয়ানসকলে 'Burley'ৰ বাবে ব্যৱহাৰ কৰা শব্দৰ পৰা উৎপত্তি হৈছে বুলি উল্লেখ পোৱা যায়। বসন্ত কালত মেছ'পটেমিয়াত 'Burley' কাটিছিল আৰু 'আকিটু' উৎসৱ চলি থকা ১১ দিনৰ প্ৰতিটোতে বেলেগ বেলেগ অনুষ্ঠান অনুষ্ঠিত কৰিছিল। 'আকিটু'ৰ সময়ত চহৰৰ ৰাজপথত দেৱতাৰ মূৰ্তি লৈ শোভাযাত্ৰা কৰিছিল আৰু এক অশুভ শক্তিৰ ওপৰত তেওঁলোকৰ জয়ৰ প্ৰতীক হিচাপে অনুষ্ঠান প্ৰণয়ন কৰা হৈছিল। এই আচাৰ-ব্যৱহাৰৰ জৰিয়তে বেবিলনীয়াসকলে বিশ্বাস কৰিছিল যে নতুন বছৰ আৰু বসন্তৰ উভতি অহাৰ প্ৰস্তুতিৰ বাবে দেৱতাসকলে পৃথিৱীখনক প্ৰতীকীভাৱে শুদ্ধ আৰু পুনৰ সৃষ্টি কৰে।

সভ্যতাৰ বিকাশৰ লগে লগে নৱবৰ্ষ উদ্‌যাপনৰ বিকাশ ঘটিল। প্ৰাচীন মিচৰীয়সকলৰ নৱবৰ্ষ উদ্‌যাপনৰ মৌলিক তাৎপৰ্য নীল নদীৰ বাৰ্ষিক বানপানীৰ লগত ওতঃপ্ৰোতভাৱে জড়িত, যিয়ে আগন্তুক বছৰৰ বাবে কৃষিভূমি উৰ্বৰ হৈ থকাটো নিশ্চিতভাৱে সহায় কৰিছিল। মিচৰীয়সকলে 'Wepet Renpet' নামেৰে জনাজাত এটি উৎসৱ পালন কৰিছিল, যাৰ অৰ্থ হৈছে 'বছৰৰ মুকলি'। তেওঁলোকে নৱবৰ্ষক পুনৰ্জন্ম সময় হিচাপে গণ্য কৰিছিল আৰু ভোজ-ভাত আৰু বিশেষ ধৰ্মীয় অনুষ্ঠানৰ মাজেৰে ইয়াক উদ্‌যাপন কৰিছিল।

প্ৰাক্-ৰোমান পঞ্জিকাত নৱবৰ্ষৰ আৰম্ভণি মাৰ্চ মাহত অৰ্থাৎ বসন্তৰ আৰম্ভণিত উদ্‌যাপন কৰা হৈছিল। প্ৰকৃতিৰ পুনৰ্জন্মৰ লগত সংগতি ৰাখি ১ মাৰ্চৰ পৰা বছৰটো আৰম্ভ কৰা হৈছিল। সেই সময়ত বছৰটো ১০ মহীয়া আছিল। মূল দহটা মাহৰ নামেৰে কৃষি আৰু ঋতুভিত্তিক তাৎপৰ্য্য বহন কৰিছিল। কৃষিৰ ৰক্ষক মংগল দেৱতাক সন্মান জনাবলৈ প্ৰথম মাহৰ নাম Martius (March), ফুল ফুলাৰ প্ৰতীক হিচাপে Aprilis (April), বৃদ্ধিৰ দেৱী 'মাইয়া'ক শ্ৰদ্ধাঞ্জলি জনাবলৈ Maius (May), নাৰীৰ ৰক্ষকৰ প্ৰতীক হিচাপে Junius (June), সংখ্যাগত অৱস্থান বুজাবলৈ Quintilis (July) আৰু Sextilis (August) নামকৰণ কৰা হৈছিল। সাত, আঠ, ন আৰু দহৰ লেটিন শব্দৰ সৈতে সামঞ্জস্য ৰক্ষা কৰিবলৈ September, October, November আৰু December নামেৰে নামকৰণ কৰা হৈছিল। কিন্তু ৰোমৰ দ্বিতীয় ৰজা নুমা পম্পিলিয়াছৰ ৰাজত্বকালত জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহ দুটা সংযোগ কৰি মুঠ বাৰ মাহৰ বাবে কেলেণ্ডাৰ পুনৰ্গঠন কৰা হয়। ৰোমানসকলে তেওঁলোকৰ ইষ্ট দেৱতা Janus ৰ প্ৰতি সন্মান জনাই শব্দটোৰ প্ৰথম আখৰ 'J'ক কেন্দ্ৰ কৰি বছৰৰ প্ৰথম মাহটোক 'January' বুলি নামকৰণ কৰে। সৌৰ কেলেণ্ডাৰৰ সৈতে মিল ৰাখিবলৈ নৱবৰ্ষক ১ জানুৱাৰীলৈ স্থানান্তৰিত কৰিছিল। এই তাৰিখটো আৰম্ভণি আৰু পৰিৱৰ্তনৰ প্ৰতীক দুমুখীয়া দেৱতা জানুছৰ নামত উৎসৰ্গা কৰা হৈছিল। খ্ৰীষ্টপূৰ্ব ৪৬ত ৰোমান ৰজা জুলিয়াছ ছিজাৰে জ্যোতিৰ্বিদসকলৰ লগত কৰা আলোচনাৰ মৰ্মে এইটো থাৱৰ কৰিলে যে পৃথিৱীয়ে সূৰ্যক এবাৰ প্ৰদক্ষিন কৰিবলৈ ৩৬৫ দিন লাগে। তেওঁ চাৰি বছৰৰ মূৰত ফেব্ৰুৱাৰী মাহটো ২৯ দিনীয়া কৰে। খ্ৰীষ্টপূৰ্ব ৪৪ত জুলিয়াছ ছিজাৰক হত্যা কৰা হয়। তেওঁৰ প্ৰতি সন্মান জনাই বছৰৰ সপ্তম মাহটো 'Quintilis'ৰ নাম সলাই 'July' আৰু একেদৰে 'Sextilis'ৰ নাম সলাই 'August' কৰা হয়। এইদৰেই এখন নতুন কেলেণ্ডাৰ প্ৰস্তুত হৈ উঠে আৰু ইয়াৰ ভিত্তিতেই ৰোমানসকলে জানুৱাৰী মাহৰ প্ৰথম দিনটোত নৱবৰ্ষ পালন কৰিবলৈ ল'লে।

জুলিয়ান কেলেণ্ডাৰত সময় গণনাত বহুতো আঁসোৱাহ ৰৈ গৈছিল। ছেইন্ট বিড নামৰ এজন ধৰ্মগুৰুৱে গণনা কৰি প্ৰমাণ কৰিছিল যে পৃথিৱীয়ে সূৰ্য্যক প্ৰদক্ষিন কৰিবলৈ ৩৬৫ দিন ৬ ঘণ্টা নহয়, প্ৰকৃততে ৩৬৫ দিন ৫ ঘণ্টা ৪৮ মিনিট ৪৬ ছেঃ সময়হে লয়। কিন্তু জুলিয়ান কেলেণ্ডাৰত ১১ মিনিট ১৪ ছেঃ অধিককৈ ধৰা হৈছিল যাৰ ফলত প্ৰতি ৪০০ বছৰৰ মূৰত তিনিদিন পিছুৱাই গৈছিল। ১৫৮২ চনৰ অক্টোবৰ মাহত পোপ ত্ৰয়োদশ গ্ৰেগ'ৰীয়ে এখন কেলেণ্ডাৰ প্ৰৱৰ্তন কৰে যাক গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ বুলি জনা যায়। এই কেলেণ্ডাৰে জুলিয়ান কেলেণ্ডাৰৰ সংশোধন, লিপ ইয়াৰ গণনাৰ ভুলৰ সমাধান কৰিছিল। এইখন কেলেণ্ডাৰৰ জৰিয়তে জ্যোতিৰ্বিজ্ঞানৰ পৰিঘটনা বিশেষকৈ বসন্ত বিষুৱৰ সৈতে কেলেণ্ডাৰখন পুনৰ সংযুক্ত কৰিবলৈ চেষ্টা কৰা হৈছিল। গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰে লিপ ইয়াৰ নিয়ম সংশোধন কৰিছিল, প্ৰতি ৪০০ বছৰৰ মূৰে মূৰে তিনিটা লিপ ইয়াৰ বাদ দিছিল। এইদৰে জুলিয়ান কেলেণ্ডাৰৰ কিছু সংশোধনী কৰা হয় যদিও গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰো সম্পূৰ্ণৰূপে আঁসোৱাহমুক্ত নহয়। এতিয়াও প্ৰতি বছৰে ১৪ ছেকেণ্ডৰ ব্যৱধান ৰৈ গৈছে। এই ব্যৱধানৰ ফলত ৫০০০ খৃষ্টাব্দত এদিনৰ ব্যৱধান সৃষ্টি হ'ব। এই কেলেণ্ডাৰৰ মতেও নতুন বছৰ ১ জানুৱাৰীত আৰম্ভ হৈছিল। গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰে সমগ্ৰ বিশ্বৰ স্বীকৃতি পাবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল। এই কেলেণ্ডাৰৰ মতে বছৰৰ শেষৰ দিনটো অৰ্থাৎ ৩১ ডিচেম্বৰ তাৰিখে নতুন বছৰটোক আদৰণি জনাবৰ বাবে নৃত্য গীত, আতচবাজী, খুৱাবোৱা কৰি আনন্দ স্ফুৰ্তি, উলহমালহেৰে নিশা ১২ বজাৰ পিছত নতুন বছৰৰ প্ৰথম দিনটোক আদৰণি জনোৱা হয়। খ্ৰীষ্টান ধৰ্মৰ প্ৰসাৰে নৱবৰ্ষ উদ্‌যাপনত যথেষ্ট প্ৰভাৱ পেলাইছিল। মধ্যযুগীয় ইউৰোপত নৱবৰ্ষ উদ্‌যাপনৰ ক্ষেত্ৰত বহু ভিন্নতা দেখা গৈছিল, কিছুমান অঞ্চলত ৰোমান তাৰিখ মানি চলিছিল আৰু আন কিছুমানে খ্ৰীষ্টমাছ উৎসৱৰ দৰে ধৰ্মীয় উৎসৱৰ ওপৰত ভিত্তি কৰি পালন কৰিছিল।

বহু সংস্কৃতিত নৱবৰ্ষ উদ্‌যাপনৰ লগত অন্ধবিশ্বাস আৰু আগন্তুক বছৰৰ বাবে ভাগ্য কঢ়িয়াই অনা বুলি বিশ্বাস কৰা ৰীতি-নীতিৰো প্ৰচলন আছিল। আতচবাজী, শব্দ কৰা আৰু উজ্জ্বল ৰঙৰ কাপোৰ পিন্ধা আদি আছিল দুষ্ট আত্মাক আঁতৰাই পেলোৱা আৰু সমৃদ্ধিশালী আৰম্ভণি নিশ্চিত কৰাৰ সাধাৰণ প্ৰথা। নৱবৰ্ষত সংকল্প লোৱাৰ ধাৰণাটো ১৮ শতিকাত জনপ্ৰিয় হৈ উঠে, আগন্তুক বছৰত মানুহে নিজকে উন্নত কৰাৰ বাবে সংকল্প লয়। এই পৰম্পৰা আজিও চলি আছে যদিও সময়ৰ লগে লগে সংকল্পৰ প্ৰকৃতিৰ বিকাশ ঘটে। কুৰি শতিকাত বিশ্বায়নে নৱবৰ্ষ উদ্‌যাপনৰ ক্ষেত্ৰত অধিক ঐক্যবদ্ধ দৃষ্টিভংগীৰ গঢ় দিয়ে আৰু গ্ৰেগৰিয়ান কেলেণ্ডাৰৰ ১ জানুৱাৰী বহু সংস্কৃতিৰ বাবে বাস্তৱিকতে নৱবৰ্ষৰ দিৱস হৈ পৰে। বিশ্বৰ চহৰসমূহত এতিয়া আতচবাজী প্ৰদৰ্শন, গীত-মাত-নৃত্য, আনন্দ-উল্লাস, শুভেচ্ছা জ্ঞাপন, হেঁপাহৰে এসাঁজ মিলিজুলি খোৱা-বোৱা কৰি নতুন বছৰটিক আদৰণি জনোৱা হয়। এতিয়া প্ৰশ্ন হয় আমি নতুন বছৰটোক ইমান উলহমালহেৰে, আড়ম্বৰতাৰে আদৰো কিয়? উত্তৰটো স্পষ্ট, আমাক লাগে বিশ্বশান্তি, বিশ্বভাতৃত্ববোধ, প্ৰেম, ভালপোৱা, সাম্য-মৈত্ৰী, ঐক্য-সম্প্ৰীতি। নতুনৰ প্ৰতীক নৱবৰ্ষই লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ আৰু কেলেণ্ডাৰ সলনিৰ দৰেই মনৰ কলুষতা আঁতৰাই বিবেকক পোৰাই তুলিবলৈ এক সুযোগ আনি দিয়ে।



বিজ্ঞান আৰু প্ৰযুক্তিৰ নাটকীয় বিকাশে নিঃসন্দেহে অসংখ্য ইতিবাচক পৰিৱৰ্তন আনিছে যদিও বিশ্বব্যাপী মানৱীয় মূল্যবোধৰ ওপৰত ইয়াৰ প্ৰভাৱ উদ্বেজনক। আজিৰ যান্ত্ৰিক সমাজত সহৃদয়তা, প্ৰেম, অহিংসা, পৰস্পৰৰ সহায়-সহযোগিতা, সততা আৰু ন্যায় যেন মূল্যহীন হৈ পৰিছে। ঔপনিৱেশিকতাবাদ, ধৰ্মীয় জাতীয়তাবাদ, প্ৰতিশোধ, সম্পদৰ প্ৰতিযোগিতা, লিপ্সা আৰু অসহিষ্ণুতাই বিশ্বত অশান্তিৰ সূচনা কৰিছে।

প্ৰযুক্তিয়ে লাভ কঢ়িয়াই আনিলেও মানৱীয় মূল্যবোধক সংৰক্ষণৰ বাবে নৈতিক বিবেচনাৰ প্ৰয়োজন। যেতিয়া মানুহৰ অন্তৰত মনুষ্যত্বৰ গুণৰ উৎকৰ্ষ সাধন হ'ব, তেতিয়াহে পৃথিৱীখন সঁচাকৈয়ে সুন্দৰ হ'ব। এইদৰে নতুন বছৰটো কেৱল কেলেণ্ডাৰৰ সংখ্যাৰ পৰিৱৰ্তনেই নহয়, ই জীৱনৰ দৃষ্টিভংগী সংশোধনৰ এক সুন্দৰ সুযোগ আনি দিয়ে। প্ৰতিটো নৱবৰ্ষই আমালৈ সেই আশাবাদৰ বাৰ্তা কঢ়িয়াই আনে, কেৱল প্ৰয়োজন আমাৰ অন্তৰ্দৃষ্টিৰ জাগৰণ। এই নতুন বছৰটিয়ে যদি সেই নতুনত্বৰ সঁচা অৰ্থ বহন কৰি আনে, তেন্তে প্ৰযুক্তিৰ গতিশীলতাৰ মাজতো মানৱতাৰ পোহৰে বিশ্বক উজ্জ্বল কৰি তুলিব। আহক, আমি সকলোৱে এই সুযোগ গ্ৰহণ কৰি অন্তৰৰ পৰিৱৰ্তনৰে এক সুন্দৰ, শান্তিময় আৰু সহানুভূতিশীল পৃথিৱী গঢ়ি তোলোঁ।

# নতুন বছৰ: পুৰণিৰ স্মৃতি আৰু ২০২৬ৰ নতুন আশা

**নলিনী ৰঞ্জন ভূঞা**

২০২৫ চনৰ সকলো অভিজ্ঞতা, প্ৰাপ্তি, আৰু বিফলতাৰ টোপোলা অতীতৰ গৰ্ভত বিলীন কৰি নতুন উৎসাহ আৰু সঙ্কল্পৰে আমি ২০২৬ চনক আদৰিবলৈ সাজু হৈছো। এই পৰিৱৰ্তন কেৱল দিনপঞ্জীৰ তাৰিখ সলনি হোৱাটোতে সীমাবদ্ধ নহয়, ই হ'ল এক সামূহিক আত্ম-বিশ্লেষণৰ সময়। বিগত বৰ্ষটোত আমি ব্যক্তিগত আৰু সামাজিক ভাৱে কিমান আগবাঢ়িলোঁ, কি শিকিলোঁ, আৰু বিশেষকৈ অসমীয়া হিচাপে আমি কি হেৰুৱালোঁ—এই সকলোবোৰৰ এক নিকা হিচাপ-নিকাচ কৰাটো অত্যন্ত প্ৰয়োজনীয়। অতীতৰ তিক্ত অভিজ্ঞতাৰ পৰা শিক্ষা গ্ৰহণ কৰিহে আমি ভৱিষ্যতৰ বাবে এক শক্তিশালী আৰু উন্নত পথ নিৰ্ধাৰণ কৰিব পাৰোঁ। নতুন বছৰৰ প্ৰভাতত অতীতৰ শিক্ষাক বৰ্তমানৰ পোহৰলৈ আনি ভৱিষ্যতৰ দিশে আগুৱাই যোৱাৰ দৃঢ় পদক্ষেপ লোৱাটোৱেই এই নতুন বৰ্ষৰ সৰ্বশ্ৰেষ্ঠ সংকল্প হোৱা উচিত।

২০২৫ চনটো অসমৰ বাবে আছিল সফলতা আৰু প্ৰত্যাহ্বানেৰে ভৰা এক সংমিশ্ৰিত বৰ্ষ। আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত ৰাজ্যখনে কিছু উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছিল। বিশেষকৈ পথ, দলং আৰু অন্যান্য গুৰুত্বপূৰ্ণ প্ৰকল্পৰ কাৰ্য্যকৰী কৰণে অৰ্থনৈতিক গতিশীলতা বৃদ্ধিৰ ইংগিত দিছিল। শিক্ষানুষ্ঠান আৰু স্বাস্থ্যখণ্ডৰ আধুনিকী কৰণৰ বাবে চৰকাৰে লোৱা কিছুমান পদক্ষেপেও আশাৰ সঞ্চাৰ কৰিছিল। অসমৰ যুৱক-যুৱতী সকলে ক্ৰীড়া, সাহিত্য আৰু কলাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা অৰ্জন কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। কিন্তু এই সফলতাৰ মাজতে আছিল গভীৰ প্ৰত্যাহ্বানৰ ছাঁ। বানপানী আৰু খহনীয়াৰ বাৰ্ষিক সমস্যাই ৰাজ্যখনৰ জনজীৱন ব্যাহত কৰিছিল। অৰ্থনৈতিক দূৰৱস্থা, মূল্যবৃদ্ধিৰ হেঁচা আৰু বৰ্ধিত নিবনুৱা সমস্যাই সাধাৰণ মানুহৰ জীৱন নিৰ্বাহ কষ্টকৰ কৰি তুলিছিল। কৃষিখণ্ডত বতৰৰ পৰিৱৰ্তনৰ বাবে হোৱা লোকচান আৰু স্থানীয় উদ্যোগ সমূহৰ বিকাশৰ ক্ষেত্ৰত দেখা দিয়া স্থবিৰতাই অৰ্থনীতিৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছিল। এই প্ৰত্যাহ্বান সমূহেই আমাক ২০২৬ চনত অধিক বাস্তৱবাদী নীতি আৰু কৰ্মপন্থা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব।

২০২৫ চনত অসমে কেৱল প্ৰাকৃতিক সম্পদ বা অৰ্থনৈতিক ক্ষতিৰেই সন্মুখীন হোৱা নাছিল, বৰং কিছুমান অপূৰণীয় ক্ষতিৰ বোজাও বহন কৰিবলগীয়া হৈছিল। আনহাতে এই বৰ্ষটোত অসমে বহুকেইজন বৰেণ্য শিল্পী, সাহিত্যিক আৰু শিক্ষাবিদক হেৰুৱালে, যি সকলে অসমীয়া সংস্কৃতি আৰু বৌদ্ধিক জগতখনলৈ উল্লেখনীয় বৰঙনি আগবঢ়াইছিল। ২০২৫ চন আৰম্ভ হোৱাৰ লগে লগেই ২ জানুৱাৰীৰ দিনা বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, প্ৰযোজক পৰাণ বৰবৰুৱাই চিৰবিদায় গ্ৰহণ কৰিছিল। ৮ জানুৱাৰীত অভিনেত্ৰী জ্ঞানদা কাকতিয়ে ইহলীলা সম্বৰণ কৰিছিল। ৬ জানুৱাৰীত সংঘটিত হৈছিল এক শোকাবহ দুৰ্ঘটনা। অসমৰ ডিমা হাছাও জিলাৰ অবৈধ কয়লা খনিত আবদ্ধ হৈ মৃত্যু ঘটিছিল ৯ জনকৈ শ্ৰমিকৰ। ১৩ জানুৱাৰীত সংগীত শিল্পী ৰাজিব শদিয়াৰ, ১৯ জানুৱাৰীত তবলা বাদক আৱিৰ বৰগোহাঞিৰ, ৩ ফেব্ৰুৱাৰীত গায়িকা বীণা ভাগৱতীৰ পৰলোক প্ৰাপ্তি ঘটিছিল। অসমত সকলোতকৈ মৰ্মান্তিক ঘটনা ঘটিছিল ১৯ চেপ্তেম্বৰৰ দিনা। সেইদিনা এক হৃদয় বিদাৰক খবৰে অসমক স্তব্ধ কৰি দিছিল- অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ছিংগাপুৰৰ সাগৰৰ বুকুত হোৱা মৃত্যুৰ বাতৰিয়ে।



তেতিয়াৰ পৰা এতিয়ালৈকে সমগ্ৰ অসমবাসীয়ে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত অটল হৈ আছে। ইয়াৰ পিছতেই ৩ নৱেম্বৰত অসমৰ আন এটি ভোটাতৰা বাঁহীবাদক দীপক শৰ্মাৰ অকাল মৃত্যু ঘটিছিল। ৩০ অ'ক্টোবৰত যশস্বী সুৰকাৰ, আকাশবাণীৰ ঘোষক চৈয়দ ছাদুল্লাই জীৱন নাটৰ সামৰণি মাৰিছিল। শেহতীয়াকৈ ১৩ ডিচেম্বৰৰ নিশা পদ্মশ্ৰী প্ৰফুল্ল গোবিন্দ বৰুৱাৰ পৰলোক ঘটে। ইয়াৰ উপৰিও এই বছৰটোতে আমি হেৰুৱাইছিলো-গায়ত্ৰী হাজৰিকা, অনুভৱ তুলসী, হেমন্ত দত্ত, তিমথী দাস হাঙ্গে আৰু ফাইলাও বসুমতাৰীৰ দৰে প্ৰতিষ্ঠিত কবি-শিল্পীক। ইয়াৰ উপৰিও বছৰটোত আৰু অনেক বিশিষ্ট জনৰ মৃত্যু ঘটিছিল, যি সকলৰ নাম এই লেখাত উল্লেখ কৰা সম্ভৱ নহল। এই সকলৰ বিদায়ে সৃষ্টি কৰা শূন্যতা পূৰণ হোৱাটো সম্ভৱ নহব। ইয়াৰ উপৰিও বছৰটোৰ ভিতৰত ভাৰতবৰ্ষৰ বৈছাৰণ উপত্যকাত হোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণত হিন্দু পৰ্যটকৰ প্ৰাণহানি, যাৰ পৰিপ্ৰেক্ষিতত ভাৰত- পাকিস্তানৰ মাজত সংঘাত, ভাৰতে চলোৱা অপাৰেছন সেন্দূৰ লগতে গোৱাৰ নাইট ক্লাৱত ২৫ জনকৈ লোকৰ শোকাবহ মৃত্যু, ১২ জুনত আহমেদাবাদত এয়াৰ ইণ্ডিয়াৰ বিমান দুৰ্ঘটনাত ২৭৪জন যাত্ৰী নিহত আদি ঘটনাই বিশ্ব জোকাৰি গৈছিল। এই সমূহ দেশ আৰু জাতিৰ বাবে পুৰাব নোৱাৰা গুৰুতৰ ক্ষতি।

আনহাতে বানপানী আৰু গৰা খহনীয়াই অসমৰ বহু মূল্যবান কৃষিভূমি, বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্যা নষ্ট কৰিলে। বিশেষকৈ গুৰুত্বপূৰ্ণ জলাশয় আৰু বনাঞ্চল সমূহৰ ক্ষতিয়ে ভৱিষ্যত প্ৰজন্মৰ বাবে এক গভীৰ পাৰিপাৰ্শ্বিক সংকটৰ সৃষ্টি কৰিছে।

এই লোকচান সমূহে আমাক সতৰ্ক কৰি দিছে যে- আমি কেৱল অৰ্থনৈতিক বিকাশৰ ওপৰত গুৰুত্ব নিদি আমাৰ সাংস্কৃতিক শিপা, সামাজিক শান্তিআৰু পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰতো সমানে গুৰুত্ব দিব লাগিব।

২০২৬ বৰ্ষৰ প্ৰাক ক্ষণত আমি ২০২৫ চনৰ তিক্ত অভিজ্ঞতা সমূহক পাথেয় হিচাপে লৈ নতুন বছৰৰ বাবে এক শক্তিশালী সংকল্প গ্ৰহণ কৰাটো উচিত। এই নতুন বৰ্ষৰ সৰ্বোচ্চ আশা হ'ব লাগিব অসমৰ সৱলীকৰণ। ইয়াৰ বাবে জনসাধাৰণতকৈ ৰাজ্য চৰকাৰৰ কৰণীয় অধিক হব লাগিব। চৰকাৰে স্থানীয় উদ্যোগ, কৃষিভিত্তিক অৰ্থনীতি, আৰু যুৱ-উদ্যমীক উৎসাহিত কৰি ৰাজ্যখনক অৰ্থনৈতিকভাৱে অধিক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে বিভিন্ন আচনি গ্ৰহণ কৰি কাৰ্যক্ষেত্ৰত আগবাঢ়িব লাগিব। কেৱল চৰকাৰী চাকৰিৰ ওপৰত নিৰ্ভৰ নকৰি ব্যক্তিগত খণ্ডত নিয়োগৰ নতুন পথ মুকলি কৰাত গুৰুত্ব দিব লাগিব। বানপানী আৰু খহনীয়া সমস্যাৰ দীৰ্ঘম্যাদী সমাধানৰ বাবে এক সুসংগঠিত পৰিকল্পনা কাৰ্য্যকৰী কৰিব লাগিব। জলাশয়, বনাঞ্চল আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ বাবে প্ৰতিজনে দায়বদ্ধতাৰে কাম কৰিব লাগিব। আমাৰ মাজৰ পৰা চিৰকালৰ বাবে হেৰাই যোৱা

বৰেণ্য ব্যক্তিসকলৰ আদৰ্শক ধৰি ৰাখি, অসমীয়া ভাষা-সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে যুৱ প্ৰজন্মক আগুৱাই আহিবলৈ উৎসাহিত কৰিব লাগিব। বিদ্যালয় আৰু মহাবিদ্যালয় সমূহত নৈতিক শিক্ষা আৰু জাতীয় চেতনাৰ পাঠ্যক্ৰম শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব দিব লাগিব। জাতি-ধৰ্ম নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ মাজত ভাতৃত্ববোধ আৰু শান্তি বজাই ৰাখিবলৈ সমাজৰ প্ৰতিজন লোকে প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগিব। বিভাজনকাৰী শক্তিক প্ৰতিহত কৰি এক উমৈহতীয়া প্ৰগতিৰ পথ গঢ়ি তুলিব লাগিব।

যথাৰ্থতে ২০২৬ চনক সফলতাৰ বৰ্ষ হিচাপে গঢ়ি তুলিবলৈ কেৱল চৰকাৰী প্ৰচেষ্টাই যথেষ্ট নহয়। ইয়াত প্ৰতিজন নাগৰিকৰ সক্ৰিয় অংশ গ্ৰহণ আৰু সামূহিক দায়বদ্ধতাৰ প্ৰয়োজন। সাংবাদিক, শিক্ষক, কৃষক, শ্ৰমিক, আৰু ছাত্ৰ-ছাত্ৰী-সকলোৱে নিজৰ নিজৰ স্থানত দায়বদ্ধতাৰে কাম কৰিলেহে এই জাতিটোৰ আৰু ৰাজ্যখনৰ সঁচা উন্নয়ন সম্ভৱ হ'ব। প্ৰযুক্তিবিদ্যাৰ ইতিবাচক ব্যৱহাৰ, স্বচ্ছ শাসন ব্যৱস্থাৰ প্ৰতি সমৰ্থন, আৰু দুৰ্নীতিৰ বিৰুদ্ধে একত্ৰিত হোৱাৰ মনোভাৱে আমাৰ সমাজখনক এক নতুন মাত্ৰা দিব পাৰে। ২০২৫ চনৰ স্মৃতিবোৰক কেৱল অতীতৰ কাহিনী হিচাপে লৈ ক্ষান্ত নাথাকি, এইবোৰক অভিজ্ঞতাৰ চানেকি হিচাপে গ্ৰহণ কৰি ২০২৬ চনৰ পথত আগুৱাই যোৱাটোৱেই হব আমাৰ সকলোৰে বাবে পৰম কৰ্তব্য। এই নতুন বছৰটো অসমৰ বাবে শান্তি, সমৃদ্ধি আৰু সৱলীকৰণৰ এক যুগান্তকাৰী বৰ্ষ হৈ উঠিব বুলি নিশ্চয় আশা কৰিব পাৰি।

# দেৰগাঁৱত অগপ দলৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা সম্পন্ন



**অসম বাৰ্তা, দেৰগাঁও, ২৬ ডিচেম্বৰ ঃ** অসম গণ পৰিষদ দলৰ দেৰগাঁও সমষ্টি সমিতিৰ এখনি বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা আজি দেৰগাঁৰৰ কৈলাস বিবাহ বাহৰত অনুষ্ঠিত হয়। সভাত দলৰ সাংগঠনিক দিশত বিস্তাৰিতভাৱে আলোচনা হোৱাৰ লগতে অগপৰ দখলত থকা দেৰগাঁও বিধানসভা সমষ্টিতে আগন্তুক বিধানসভা নিৰ্বাচনত কোনো কাৰণতে এৰি নিদিয়াৰ সংকল্প লোৱাৰ লগতে ২০২৬ ৰ ৰননীতি কৰে। উল্লেখযোগ্য যে, অগপ বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালীৰ দখলত থকা দেৰগাঁও সমষ্টিটোত এইবাৰ বিজেপিৰ পৰাও বহুকেইজন প্ৰাৰ্থীত্ব প্ৰয়াশীয়ে বিজেপিৰ প্ৰাৰ্থীত্ব দাবী কৰি সমষ্টিটো বিজেপিৰ দখললৈ নিয়াৰ যুঁজ অব্যাহত ৰাখিছে। বিজেপি কৰ্মী সমৰ্থকসকলেও দেৰগাঁও বিজেপিক দিয়াৰ দাবী উত্থাপন কৰি আহিছে। ইপিনে, অগপৰ পৰা বৰ্তমানৰ বিধায়ক ভৰালীৰ উপৰি অন্য কেইবাজনো নেতাই অগপৰ প্ৰাৰ্থীত্ব বিচাৰি নিৰ্বাচনী কুচ-কাৱাজ চলাই আছে। এনে পৰিপ্ৰেক্ষিতত আজিৰ অগপৰ সভাখনে বিশেষ তাৎপৰ্য বহন কৰিছে। অগপ দলৰ আজিৰ সভাখনত বিশেষভাৱে অংশ গ্ৰহণ কৰে দলটোৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই। কাৰ্যত ২০২৬চনৰ নিৰ্বাচনৰ পূৰ্বে এই সভাখনে দেৰগাঁও সমষ্টিৰ অগপ দলটোক পূৰ্বতকৈ অধিক সক্ৰিয় কৰি তুলিব বুলি আশাবাদী সভাপতি গৰাকী। দেৰগাঁও সমষ্টি সমিতি অগপৰ সভাপতি প্ৰশান্ত ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সভাত মন্ত্ৰী তথা দলৰ সভাপতি অতুল বৰাৰ লগতে বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালী, কেন্দ্ৰীয় উপ-সভাপতি নুৰুল চুলতান, গোলাঘাট জিলাৰ সভাপতি ড° নৃপেন বৰুৱা প্ৰমুখ্যে দলীয় নেতাসকলে বক্তব্য ৰাখি দলৰ সাংগঠনিক দিশ অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব দি ভাষণ দিয়ে। সভাত আগন্তুক বিধানসভা নিৰ্বাচনত দেৰগাঁও সমষ্টিটো পুনৰ দলৰ দখললৈ অনাত গুৰুত্ব দিয়া হয়। সভাৰ শেষত মন্ত্ৰী তথা অগপৰ সভাপতি অতুল বৰাই সাংবাদিকসকলৰ প্ৰশ্নৰ উত্তৰত দেৰগাঁও সমষ্টি এইবাৰ কাৰ দখলত থাকিব এই সন্দৰ্ভত কোনো ধৰণৰ মন্তব্য নকৰি ফালৰি কাটি যোৱা পৰিলক্ষিত হয়। তৎস্বত্বেও দেৰগাঁৱত আজি অনুষ্ঠিত দলৰ এই গুৰুত্বপূৰ্ণ সভাখনে দলীয় কৰ্মীসকলৰ মনত আশাৰ ৰেঙণি কঢ়িয়াই অনা দেখা গৈছে। পাঁচ শতাধিক দলীয় কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰা সভাত সভাপতি তথা মন্ত্ৰী অতুল বৰাই কয় যে, অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ বাবে জন্মলগ্নৰে পৰা কাম কৰি অহা অগপ ই নিৰন্তৰ সেৱা আগবঢ়াই আহিছে। অগপ শক্তিশালী হোৱা মানেই অসমত আঞ্চলিকতাবাদৰ ভেটি সুদৃঢ় হোৱা। আগন্তুক নিৰ্বাচনত শক্তিশালী ৰূপত অৱতীৰ্ণ হোৱাৰ বাবে দল পূৰ্ণোদ্যমে সাজু হৈ উঠিছে। দলৰ তৃণমূল কৰ্মীসকলেই দলৰ শক্তিৰ মূল আধাৰ। সেয়ে আগন্তুক বিধানসভা নিৰ্বাচনৰ সৈতে সংগতি ৰাখি তৃণমূল পৰ্যায়ৰ জনসংযোগ বৃদ্ধিৰ যোগেদি দলৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ বাবে নিষ্ঠাৰে যাৱতীয় কাম কাজত নিয়োজিত হ'বলৈ দলীয় কৰ্মকৰ্তা সকলক তেওঁ আহ্বান জনায়। আজিৰ সভাখনত আনুষ্ঠানিকভাৱে বহুসংখ্যক আন দলৰ কৰ্মীসমৰ্থকে অগপদলত যোগদান কৰে।

## বনবিভাগৰ সলনি কেইগৰাকীমান যুৱকে পালন কৰিছে বনবিভাগৰ দায়িত্ব

# বন্যহস্তীৰ আক্ৰমণত দুধনৈ কুচধোৱাত পুনৰ এগৰাকী মহিলাৰ মৃত্যু

### ২৪ ঘণ্টাৰ ভিতৰত প্ৰাণ হেৰুৱালে তিনিগৰাকী লোকে

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৬ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাত ২৪ ঘণ্টাৰ ভিতৰত হাতী মানুহৰ সংঘাতৰ পৰিণতিত তিনিগৰাকীকৈ লোকে প্ৰাণ হেৰুৱাব লগা হ'ল। এই ঘটনাই গোৱালপাৰা জিলাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বৃহস্পতিবাৰে অসম মেঘালয় সীমান্তৱৰ্তী খামাৰীত বিয়লি দুইমান বজাত দিনৰ পোহৰতে দুজনকৈ ব্যক্তিয়ে বনৰীয়া হাতীৰ আক্ৰমণত দুৰ্ভাগ্যজনক ভাবে নিহত হোৱাৰ প্ৰতিক্ৰীয়া মাৰ নাযাওঁতেই আজি শুকুৰবাৰে ৰাতিপুৱা ৭ মান বজাত দুধনৈ কুচধোৱাত বন্যহস্তীৰ আক্ৰমণত গুৰুতৰ ভাবে আহত হব লগীয়া হয় কণিকা খাখলাৰী নামৰ আন এগৰাকী পঞ্চাশউৰ্ধৰ মহিলা। ৰাতিপুৱা ৭মান বজাত ঘন কুৱলীৰ মাজেৰে কুচধোৱাত প্ৰবেশ কৰা এটা অকলশৰীয়া হাতীয়ে আকস্মিক ভাবে কণিকা খাখলাৰীক আক্ৰমণ কৰে। এই আক্ৰমণত গুৰুতৰভাৱে আহত হয় কণিকা খাখলাৰী। আহত কণিকা খাখলাৰীক লগে লগে দুধনৈৰ এফ আৰ ইউ হস্পিতালত লৈ যোৱা হয়। দুধনৈ চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা প্ৰদান কৰাৰ অন্তত উন্নত চিকিৎসাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰা হয়। কিন্তু উন্নত চিকিৎসা লাভ কৰাৰ আগতেই মহিলা গৰাকীয়ে মৃত্যু বৰণ কৰে। এই ঘটনাই ইতিমধ্যে অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে শোকাকুল পৰিবেশৰ সৃষ্টি কৰিছে। জাকৰ পৰা ফালৰি কাটি অহা এটা অকলশৰীয়া হাতী জিলাবাসীৰ বাবে সন্ত্ৰাসৰ কাৰণ হৈ পৰিছে। প্ৰতিদিনে হোৱা বনৰীয়া হাতীৰ সন্ত্ৰাসত উজাগৰী নিশা কটাব লগা হোৱা গ্ৰামাঞ্চলৰ ৰাইজ অতিষ্ঠ হৈ পৰিছে। বন বিভাগৰ প্ৰতি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। বন বিভাগে বৃহৎ বৃহৎ হাতীৰ জাক তথা অকলশৰীয়া হাতীটোক নিয়ন্ত্ৰণ কৰি নোৱাৰাটো বনবিভাগৰ বাবে চৰম বিফলতা হিচাবে গণ্য কৰিছে। বন বিভাগে বনৰীয়া হাতীৰ গতিবিধিৰ ওপৰত যেনেদৰে সজাগতা সৃষ্টি কৰিব লাগিছিল তাকে নকৰি কেৱল মাত্ৰ সামান্যতম খা-খবৰ লৈয়ে নিজৰ দায়িত্ব সামৰি থয়। তাৰ বিপৰীতে জিলাখনত অমল হাজং, নিৰ্মল সূত্ৰধৰ, তীৰ্থলোচন, প্ৰদীপ দৈমাৰী আদিকে কেইগৰাকী মান যুৱকে নিজৰ জীৱনকো তুচ্ছ কৰি "বনৰীয়া হাতী আৰু মানুহৰ সংঘাত" শীৰ্ষক এটা ওৱাটচ আপ গ্ৰুপৰ জৰিয়তে ৰাইজক সজাগতা মুলক বাৰ্তাৰে এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। যাৰ ফলত ৰাইজ কিছু হলেও সতৰ্ক হব পাৰিছে। সেয়েহে জিলা বন বিভাগৰ দুৰ্বল ভূমিকাৰ বাবে সকলো হেৰুৱাই ক্ষোভত ফাটি পৰিছে ক্ষতিগ্ৰস্ত ৰাইজ। খাদ্যৰ সন্ধানত মেঘালয় পাহাৰৰ পৰা নামি অহা বনৰীয়া হাতীয়ে অকল গ্ৰামাঞ্চলৰ ৰাইজৰে ক্ষতি কৰাই নহয় মঙলবাৰে গোটেই নিশা দুধনৈ চহৰৰ মাজ মজিয়াত থকা বনবিভাগৰ কাৰ্যালয় আৰু দুধনৈ আৰক্ষী থানাৰ কাষতে মানুহৰ ঘৰ, বজাৰ, কাৰ্যালয়ত তাণ্ডৱ চলাই বিস্তৰ ক্ষতিসাধন কৰিছিল। এতিয়া পুহ মহীয়া প্ৰচণ্ড শীত আৰু ঘন কুৱলীৰ বাবে ভয় আৰু শংকাৰ মাজত উজাগৰি নিশা যাপন কৰিব লগা হৈছে ৰাইজে।

# প্ৰাপ্য ধন নিশ্চিত কৰাৰ দাবীত ছমৰীয়াত মহিলাৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, সোণতলী, ২৬ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়াত আজি বঞ্চিত মহিলাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মহিলাৰ উদ্যামিতাৰ আঁচনিৰ পৰা বঞ্চিত ৫ শতাধিক মহিলাই নিজৰ প্ৰাপ্য ধন নিশ্চিত কৰাৰ দাবীত এই প্ৰতিবাদ কৰে। ছমৰীয়াৰ ছমৰীয়া ৰাম সৰাস্বতী খেল পথাৰত এই প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য, ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত প্ৰায় পাঁচ শতাধিক মহিলা উদ্যামিতা আঁচনিৰ ১০০০০ টকাৰ পৰা বাদ পৰে। যাৰ বাবে বঞ্চিত মহিলা সকলে জাঙুৰ খাই উঠে। কি কাৰণত ছমৰীয়া অঞ্চলৰ প্ৰায় ৫ শতাধিক মহিলা বাদ পৰে এই উদ্যামিতা আঁচনিৰ পৰা ইয়াকে লৈ চৰ্চা চলে। ইয়াৰ বিপৰীতে সোণতলী চৰ অঞ্চলত প্ৰায় সংখ্যক মহিলাই এই উদ্যামিতা আঁচনিৰ ধন। লাভ কৰে। ফলত বঞ্চিত মহিলা সকলে নিজৰ প্ৰাপ্য আঁচনিৰ ধন বিচাৰি ৰাজপথত ওলাই আহে। বঞ্চিত মহিলা সকলৰ আঁচনিৰ ধন সুনিশ্চিত কৰাৰ বাবে এই প্ৰতিবাদেৰে মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনয়। লগতে কাৰ ভুলৰ বাবে এই ঘটনা সংঘটিত হ'ল তাৰ বাবেও মহিলাসকলে এক উচিত তদন্ত বিচাৰিছে।

## কাৰ্বিসকলৰ পক্ষত আছে অনুসূচিত জাতি ছাত্ৰ সন্থা

# কেৱল কাৰ্বিসকলেই নহয়, সমগ্ৰ অসমীয়া জাতিয়েই সংকটত ঃ পৰশ জ্যোতি দাস

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৬ ডিচেম্বৰ ঃ** শেহতীয়াকৈ কাৰ্বি আংলঙৰ ঘটনাই স্পষ্ট কৰে যে অসমত অসমীয়াৰ ভৱিষ্যত সুৰক্ষিত নহয়। অসমীয়াৰ অস্তিত্ব সুৰক্ষিত কৰিছোঁ বুলি দাম্ভিকতাৰে কৰা মুখ্যমন্ত্ৰীৰ ঘোষণা যে কেৱল এক আভুৱা সংলাপ সেই কথা বুজিবলৈ আৰু বাকী নাই। এই অভিযোগ উত্থাপন কৰিছে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৰশ জ্যোতি দাসে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত সন্থাৰ সম্পাদক গৰাকীয়ে কয় যে অসমৰ প্ৰাচীনতম জনগোষ্ঠী কাৰ্বি সকলক নিজ ভূমিতেই বহিৰাগতই "কাৰ্বি চাইনিজ গ' বেক" ধ্বনি দিয়া কাৰ্য্য অত্যন্ত ভয়াবহ ভৱিষ্যতৰ ইংগিত বুলি অনুধাৱন কৰিব পৰা যায়। নকলেও হব যে কেৱল ভোট বেংক ৰক্ষৰ স্বাৰ্থত শাসকীয় দলটোৱে কাৰ্বি আংলঙত বহিৰাগত মানুহক সুৰক্ষা প্ৰদান কৰিছে। কাৰণ, কোনো দিনে আইনৰ বাধ্যবাধকতা নামনি বৃদ্ধাঙ্গুষ্ঠ প্ৰদৰ্শন কৰি অহা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মুখত কাৰ্বি আংলঙৰ বহিৰাগত সকলক উচ্ছেদ কৰাৰ ক্ষেত্ৰত আইনৰ বাধ্যবাধকতা আছে বুলি প্ৰকাশ কৰিছে। উচ্ছেদৰ সন্দৰ্ভত সিদ্ধহস্ত শৰ্মা ছাৰৰ এনে মন্তব্যত আচৰিত হৈছো বুলিও উল্লেখ কৰে পৰশ জ্যোতি দাসে। বিজেপিৰ আমোলত আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শাসনকালত অসম্ভৱ সকলো সম্ভৱপৰ হৈছে। বাংলাদেশীয়ে নিৰ্বাচন খেলি বিধায়ক হৈছে, তাকো অনুসূচিত জাতিৰ সংৰক্ষিত সমষ্টিৰ পৰা। বহিৰাগতই নিৰ্বাচন খেলি মন্ত্ৰী হৈ ট্ৰাইবেল বেল্টৰ মাটি দখল কৰি লব পাৰে, মুঠৰ ওপৰত সকলো সম্ভৱ। কেৱল কাৰ্বি আংলঙৰ জনতাক উদ্ধাৰ কৰিব নোৱাৰে। অসমীয়া জাতিৰ সুৰক্ষাৰ স্বাৰ্থত কাম কৰিব নোৱাৰে। জনতাৰ দাবীৰ প্ৰতি সঁহাৰি জনাব নোৱাৰে। প্ৰতিবাদৰ ভাষা বুজিব নোৱাৰে। যাৰ ফলত আজি কাৰ্বি আংলঙত কাৰ্বি সকল সংখ্যালঘুত পৰিণত হৈছে। সমগ্ৰ অসমত বহিৰাগত আৰু বাংলাদেশৰ আগ্ৰাসন চলিছে। সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সম্পাদক গৰাকীয়ে সন্থাৰ স্থিতি স্পষ্ট কৰি কয় যে কাৰ্বি সকলৰ পক্ষত সন্থা আছে আৰু যিকোনো পৰিবেশৰ লগত মোকাবিলা কৰিবলৈ সাজু হৈ আছে। ইয়াৰোপৰি শাসনাধিষ্ঠ চৰকাৰখনক অন্যায়ৰ প্ৰত্যুত্তৰ গ্ৰহণ কৰিবলৈ সাজু হব বাবে আহ্বান জনাই সম্পাদক গৰাকীয়ে।

# দেৰগাঁৱত কৈৱৰ্ত্ত স্বায়ত্তশাসন পৰিষদ অসম দাবী সমিতিৰ প্ৰথম দ্বি-বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, দেৰগাঁও, ২৬ ডিচেম্বৰ ঃ** অনুসুচিত জাতিৰ অন্যতম অসমৰ ভূমিপুত্ৰ কৈৱৰ্ত্ত সকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে স্বায়ত্ব শাসন অতিকে জৰুৰী। সেয়েহে কৈৱৰ্ত্ত স্বায়ত্তশাসন পৰিষদ অসম দাবী সমিতিয়ে ইতিমধ্যে অসমৰ ১২৬ গৰাকী বিধায়ক, কেইবাগৰাকীও সাংসদ, মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাক পৃথকে পৃথকে লগ কৰি দাবী চনদ প্ৰদান কৰিছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও আগন্তুক নিৰ্বাচনৰ আগতেই স্বায়ত্ব শাসন দাবী সমিতি সৈতে আলোচনা কৰাৰ বাবে সন্মতি প্ৰদান কৰিছে। আজি নেঘেৰিটিং কৈৱৰ্ত্ত আদৰ্শ গাঁও নাট্য মন্দিৰত কৈৱৰ্ত্ত স্বায়ত্তশাসন দাবী সমিতিৰ প্ৰথম দ্বি-বাৰ্ষিক সাধাৰণ সভাখন গড়গাঁও মহাবিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী ড° ৰমানন্দ দাসৰ সভাপতিত্বত অনুষ্ঠিত হয়। কৈৱৰ্ত্ত স্বায়ত্বশাসন দাবী সমিতিৰ সাধাৰণ সম্পাদক বিপুল কৈৱৰ্ত্তই উদ্দেশ্য ব্যাখ্যা কৰা আৰু সমিতিৰ তথ্য আৰু প্ৰচাৰ বিভাগৰ সম্পাদক কনমইনা দাসে আঁতধৰা সভাখনত কৈৱৰ্ত্ত স্বায়ত্তশাসন পৰিষদ অসম দাবী সমিতিৰ মুখ্য উপদেষ্টা তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ডীন ড° লক্ষ্মীকান্ত হাজৰিকাই অসমীয়া জাতি অন্যতম অংশীদাৰ অসমৰ কৈৱৰ্ত্ত সমাজৰ ইতিবৃত্ত আৰু সমাজত ইয়াৰ ভূমিকা সম্পৰ্কে বিস্তৃতভাৱে অৱগত কৰে। সমাজকৰ্মী মৃদুপৱন দাসে প্ৰতিগৰাকী কৈৱৰ্ত্ত লোকক এই সংগ্ৰামৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়। তিনি শতাধিক লোক উপস্থিত থকা সভাখনত কৈৱৰ্ত্ত সন্মিলন অসমৰ সভাপতি ডম্বৰুধৰ দাস, মুখ্য সচিব ঋতুপৰ্ণ দাস, কৈৱৰ্ত্ত স্বায়ত্তশাসন পৰিষদ অসম দাবী সমিতিৰ সম্পাদক মহেশ্বৰ দাস, কৈৱৰ্ত্ত স্বায়ত্তশাসন পৰিষদ অসম দাবী সমিতিৰ যোৰহাট জিলা সমিতিৰ সভাপতি ঠানুৰাম দাস, কৈৱৰ্ত্ত সাহিত্য আৰু সাংস্কৃতিক সভাৰ সম্পাদক জিটুল দাস, গোলাঘাট জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সভাপতি প্ৰনৱ প্ৰতীম দাস, সম্পাদক ইন্দ্ৰ প্ৰসাদ দাস, তথা কৈৱৰ্ত্ত স্বায়ত্তশাসন পৰিষদ অসম দাবী সমিতিৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক নকুল দাস, শিক্ষাবিদ লক্ষ্মীৰাম হাজৰিকা, দেৱেন দাস প্ৰমুখ্যে বিভিন্নজন গণ্য মান্য ব্যক্তি উপস্থিত থাকি গঠন মূলক মন্তব্য প্ৰদান কৰে। সভাত বিশিষ্ট সমাজকৰ্মী, সাহিত্যিক নুৰুল চুলতান প্ৰমুখ্যে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## সমগ্ৰ অসমত নাহৰ পুলি ৰোপণ কৰাৰ উদ্দেশ্যেৰে এজন যুৱকৰ পদযাত্ৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ ডিচেম্বৰ ঃ** 'জনতাৰ শিল্পী' জুবিন গাৰ্গৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ উদ্দেশ্যে দমদমা কদমতলাৰ তাপস বৈশ্য নামৰ এজন যুৱকে পদব্ৰজে পৰিভ্ৰমণ কৰিছে সমগ্ৰ অসম। জুবিন গাৰ্গে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা তামোলপুৰ অঞ্চলৰ পৰা যুৱকজনে আৰম্ভ কৰিছে কৰিছে এই পদযাত্ৰা। বিভিন্ন ৰাজহুৱা স্থানত নাহৰ পুলি ৰোপণ কৰি জুবিন গাৰ্গৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ উদ্দেশ্যে সমগ্ৰ অসমত এই পদযাত্ৰা কৰা যুৱকজন আজি উপস্থিত হয় ডুমডুমাত। বিভিন্ন দল-সংগঠনে যুৱকজনক এই পদযাত্ৰাত সহযোগিতা কৰা বুলি মন্তব্য কৰি 'নাহৰ গছ য'ত তাত জুবিন থাকিব' বুলি প্ৰাণৰ শিল্পীগৰাকীয়ে কোৱা কথাষাৰ বাস্তৱত ৰূপায়িত কৰাৰ উদ্দেশ্যেৰে বিগত ৫১টা দিনে এইদৰে পদযাত্ৰা কৰি অহা বুলি সাংবাদিকৰ আগত মন্তব্য কৰে তাপস বৈশ্যই।

# পশ্চিম কাৰ্বি আংলঙৰ হিংসাত্মক ঘটনাক লৈ লংকা প্ৰেছ ক্লাবত অসম ভোজপুৰী সন্মিলনৰ সংবাদমেল




**অসম বাৰ্তা, লংকা, ২৬ ডিচেম্বৰ ঃ** পশ্চিম কাৰ্বিআংলঙত সংঘটিত হোৱা শেহতীয়া হিংসাত্মক ঘটনা সন্দৰ্ভত আজি অসম ভোজপুৰী সন্মিলনৰ তৰফৰ পৰা লংকা প্ৰেছ ক্লাবত এখন সংবাদমেল আয়োজন কৰে। সংবাদমেলত সংগঠনটোৰ সভাপতি নৰেন্দ প্ৰসাদ চৌহানে ঘটনাটোৰ তীব্ৰ নিন্দা কৰাৰ লগতে অঞ্চলটোৰ শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ চৰকাৰ আৰু প্ৰশাসনৰ সক্ৰিয় ভূমিকা দাবী কৰে। সংবাদমেলত অসম ভোজপুৰী সন্মিলনে স্পষ্টভাৱে কয় যে, কাৰ্বি আংলঙৰ ভূমিপূত্ৰ কাৰ্বিসকলৰ বিৰুদ্ধে ব্যৱহাৰ কৰা "গ' বেগ" আৰু "চাইনিজ" আদি কটু আৰু অপমানজনক বাক্য কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। এইধৰণৰ অপমানজনক মন্তব্য কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংগঠনটোৱে চৰকাৰৰ ওচৰত দাবী জনায়। সংগঠনটোৱে লগতে স্পষ্ট কৰি দিয়ে যে, প্ৰতিবাদৰ নামত কোনো ধৰণৰ হিংসাত্মক কাৰ্যকলাপ অসম ভোজপুৰী সন্মিলনে কেতিয়াও সমৰ্থন নকৰে। গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ উপায়ৰে নিজৰ দাবী উত্থাপন কৰাই সকলোৰে কৰ্তব্য বুলি সংবাদমেলত উল্লেখ কৰা হয়। কাৰ্বিআংলঙৰ ভূমি সংক্ৰান্ত বিষয়ত মন্তব্য কৰি সংগঠনটোৱে কয় যে, যদি কোনো ভূমি PGR-VGR অন্তৰ্গত হয়, তেন্তে চৰকাৰে আইনৰ অধীনত উপযুক্ত ব্যৱস্থা তথা উচ্ছেদ প্ৰক্ৰিয়া গ্ৰহণ কৰিব লাগে। একে সময়তে, কাৰ্বি ভূমিপুত্ৰসকলে PGR-VGR ভূমি সুৰক্ষাৰ বাবে আন্দোলন কৰা ক্ষেত্ৰত একাংশ যুক্তিসংগত দিশো আছে বুলি সংগঠনটোৱে স্বীকাৰ কৰে। সংবাদমেলত চৰকাৰৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন কৰে। কাৰ্বিসকলৰ আন্দোলনক গুৰুত্ব নিদিয়া ক্ষেত্ৰত চৰকাৰৰ ভূমিকা সন্দেহৰ আৱৰ্তত পৰিছে বুলি অসম ভোজপুৰী সন্মিলনে মন্তব্য কৰে। লগতে, আৰক্ষীৰ সন্মুখতেই যদি এই ধৰণৰ হিংসাত্মক কাৰ্য সংঘটিত হয়, তেন্তে তাৰ বাবে আৰক্ষী সম্পূৰ্ণৰূপে দায়ী বুলি সংগঠনটোৱে অভিযোগ তোলে। শেষত সংবাদমেলত কোৱা হয় যে, বৰ্তমান পশ্চিম কাৰ্বিআংলঙৰ পৰিস্থিতি ক্ৰমান্বয়ে শান্ত হৈছে। এই সময়ছোৱাত চৰকাৰে বিচক্ষণ আৰু সঠিক সিদ্ধান্ত গ্ৰহণ কৰি সকলো জনগোষ্ঠীৰ লোক শান্তিপূৰ্ণভাৱে সহবাস কৰিব পৰা এক সৌহাৰ্দ্যপূৰ্ণ পৰিবেশ পুনৰ স্থাপন কৰিবলৈ তৎপৰ হ'ব লাগে বুলি অসম ভোজপুৰী সন্মিলনে জোৰদাৰ দাবী জনায়।

# ডুমডুমা শতদল শাখা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন সম্পন্ন




**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৬ ডিচেম্বৰ ঃ** ডুমডুমা শতদল শাখা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশনখনি আজি শাখাৰ ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই। স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিমলা বৰুৱাই। ইয়াৰ পিছতেই শাখাৰ সভাপতি দেবেন ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত বিগত বছৰৰ সম্পাদকীয় প্ৰতিবেদন আৰু বিত্তীয় প্ৰতিবেদন পাঠ কৰে শাখা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সম্পাদক জোনালী শইকীয়া ডেকাই। প্ৰতিনিধি সভাই সৰ্বসন্মতিক্ৰমে দুয়োখন প্ৰতিবেদন গ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ডুমডুমা নামঘৰ সমিতিৰ প্ৰাক্তন সভাপতি গোবিন্দ ফুকনে। ইয়াৰ পিছতেই অনুষ্ঠিত হয় মুকলি সভা। শাখাৰ সভাপতি দেবেন ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাত ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ ছাত্ৰীৰ দলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি পৰিৱেশন কৰে। আজিৰ সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, অসম সাহিত্য সভাৰ হিতৈষী সভ্য ধীৰেন ডেকা, ডুমডুমা প্ৰেছ ক্লাৱৰ সভাপতি মনোজ দত্ত আৰু উপসভাপতি অভিজিৎ খাটনিয়াৰে। এই অনুষ্ঠানত কবিতা আবৃত্তি কৰে শিল্পী শিখা কটকী আৰু প্ৰণিতা চক্ৰৱৰ্তী শৰ্মাই। স্বৰচিত কবিতা পাঠ কৰে জয়সূৰ্য বৰা, গৌতম মেধি, সাৰংগ নাথ, সঞ্জীৱ শৰ্মা আৰু গোলোক ডেকাই। কণমানি চায়ং প্ৰধানে 'মায়াবীনি' গীতটি পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। গীটাৰ বাদন পৰিৱেশন কৰে মুকুল কুমাৰ ডেকাই। অনামিকা লহকৰৰ পৰিচালনাত কানমানিসকলে জুবিন গাৰ্গৰ কেইবাটাও গীতৰ সংমিশ্ৰণত এটি সমবেত গীত পৰিৱেশন কৰে। একক গীত পৰিৱেশন কৰে বৰিষ্ঠা ডেকা, দেৱাশিষ প্ৰতীম শৰ্মা আৰু অনামিকা লহকৰে। এটি নৃত্য পৰিৱেশন কৰে কাকলি কলিতাই। ১৯৪৫ চনতে প্ৰতিষ্ঠা লাভ কৰা তিনিচুকীয়া জিলা সাহিত্য সভাৰ অন্যতম শাখা হিচাপে পৰিচিত ডুমডুমা শতদল শাখা সাহিত্য সভাৰ আজিৰ মধ্যকালীন অধিৱেশনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। আজিৰ সভাত আজীৱন সভ্য গ্ৰহণ কৰা মুঠ ২২ গৰাকীক আজীৱন সভ্যৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। শেষত জাতীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

# লংকা প্ৰেছ ক্লাবৰ উদ্যোগত কমলেশ্বৰ কলিতাৰ 'ইচ্ছাৰ হৰিণা নাচে" গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, লংকা, ২৬ ডিচেম্বৰ ঃ** লংকা প্ৰেছ ক্লাবৰ উদ্যোগত আজি এক সাহিত্যিক আৰু স্মৰণীয় অনুষ্ঠান অনুষ্ঠিত হয়। লংকা কলেজৰ অধ্যাপক তথা খ্যাতনামা সাহিত্যিক কমলেশ্বৰ কলিতাৰ ৰচিত গ্ৰন্থ "ইচ্ছাৰ হৰিণা নাচে" আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। লংকা প্ৰেছ ক্লাবৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই উন্মোচনী অনুষ্ঠানত প্ৰেছ ক্লাবৰ সভাপতি হেমন্ত গোস্বামী আৰু ক্লাবৰ উপদেষ্টা অপূৰ্ব ভট্টাচাৰ্যই যৌথভাৱে গ্ৰন্থখন উন্মোচন কৰে। এই দিনটো লংকা প্ৰেছ ক্লাবৰ ইতিহাসত বিশেষ গুৰুত্বপূৰ্ণ, কিয়নো ক্লাবৰ ইতিহাসত প্ৰথমবাৰৰ বাবে এনে এখন গ্ৰন্থ উন্মোচন অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি প্ৰেছ ক্লাবৰ সভাপতি হেমন্ত গোস্বামীয়ে কয়, "এই গুৰুত্বপূৰ্ণ গ্ৰন্থখন উন্মোচন কৰিব পাৰি মই নিজকে ধন্য অনুভৱ কৰিছোঁ। আজিৰ দিনটো লংকা প্ৰেছ ক্লাবৰ ইতিহাসত সদায় স্মৰণীয় হৈ থাকিব।" অনুষ্ঠানৰ শেষত লেখক কমলেশ্বৰ কলিতাই উপস্থিত সকলোকে আন্তৰিক ধন্যবাদ জনাই কয় যে, "ইচ্ছাৰ হৰিণা নাচে" গ্ৰন্থখনসহ তেওঁৰ এতিয়ালৈকে মুঠ ১৮খন গ্ৰন্থ আনুষ্ঠানিকভাৱে প্ৰকাশ পাইছে। উন্মোচনী অনুষ্ঠানত অন্যান্যসকলৰ ভিতৰত উপস্থিত আছিল লেখকৰ সহধৰ্মিণী তথা লংকা কলেজৰ অধ্যাপিকা তুলিকা গোস্বামী, লংকা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি বিজু ভট্টাচাৰ্য লগতে লংকা প্ৰেছ ক্লাবৰ সদস্যসকল। অনুষ্ঠানটো সৌহাৰ্দ্যপূৰ্ণ পৰিবেশত সফলতাৰে সম্পন্ন হয়।

# ছয়গাঁও চাটাবাৰীস্থিত হেমিল্টন হাউচৰৰ প্ৰাইভেট লিমিটেড কোম্পানীৰ বাৰ্ষিক খেল সপ্তাহৰ সফল সমাপ্তি

**অসম বাৰ্তা, বকো, ২৬ ডিচেম্বৰ ঃ** প্ৰতি বছৰৰ দৰে এই বেলিও কামৰূপ জিলাৰ ছয়গাঁও চাটাবাৰীস্থিত হেমিল্টন হাউচৰেৰ প্ৰাইভেট লিমিটেড কোম্পানীয়ে দহদিনীয়াকৈ খেল সপ্তাহৰ বিভিন্ন খেলৰ আয়োজন কৰিছে। ইফালে আজি চুৰান্ত তথা বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। খেলৰ প্ৰতিযোগিতাত জয়ী খেলুৱৈ সকলোক পুৰস্কাৰ প্ৰদান কৰা হয়। ইফালে বকোৰ বনগাঁও ক্ৰীড়া সন্থাৰ খেলপথাৰত আয়োজন কৰা ক্ৰীড়া সমাৰোহত ক্ৰিকেট খেলাত তেৰ চুপাৰ ষ্টাৰ প্ৰথম আৰু মিলটন নাইট ৰাইডাৰছ দ্বিতীয় সন্মান পাৱলৈ সক্ষম হয়। খেলখনত উপস্থিত থাকি সহযোগিতা আগবঢ়ায় কোম্পানীৰ HR হেদ তথা পৰিচালনা সমিতিৰ প্ৰৱাল বড়া, কুলদীপ দেকা, ইন্দ্ৰ, ৰকটিম, তপন, বিকাশকে ধৰি আটাইবোৰ অশেষ কষ্টৰ ফলত তথা হেমিল্টনৰ সকলো কৰ্মচাৰীয়ে সহযোগিতা সফল সমাপ্তি হয়।

## কলেজ শিক্ষক সংস্থাৰ বেডমিণ্টন প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ২৬ ডিচেম্বৰ ঃ** অসম কলেজ শিক্ষক সংস্থাৰ যোৰহাট মণ্ডলৰ উদ্যোগত আৰু চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ সহযোগত চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্পত যোৰহাট মণ্ডলৰ অন্তৰ্গত বিভিন্ন মহাবিদ্যালয়সমূহৰ শিক্ষকসকলৰ মাজত ২২'ডিচেম্বৰত বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হয়। মণ্ডলৰ অন্তৰ্গত ১৬ খনৰ ১২খন মহাবিদ্যালয়ৰ প্ৰতিনিধি আৰু বিষয়ববীয়াসকলৰ উপস্থিতিত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° ব্ৰীজমোহন হাজৰিকাই, মণ্ডলৰ পতাকা উত্তোলন কৰে মণ্ডলৰ সভাপতি শুভাশীষ শৰ্মাই, আয়োজক মহাবিদ্যালয় গোটৰ পতাকা উত্তোলন কৰে সভাপতি ড° হৰেশ্বৰ দাসে। আৰম্ভণিতে আদৰণী ভাষণ প্ৰদান কৰে অসম কলেজ শিক্ষক সংস্থা, যোৰহাট মণ্ডলৰ সম্পাদক ড° অমৰজ্যোতি ভৰালীয়ে আৰু প্ৰতিযোগিতাখ উদ্বোধন কৰে অধ্যক্ষ ড° ব্ৰীজমোহন হাজৰিকাই। প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাত চেম্পিয়ন হয় মানস প্ৰতিম গোস্বামী, চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয় আৰু ৰানাৰ্ছ আপ হয় দিগবিজয় দাস, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়। মহিলাৰ একক শাখাত চেম্পিয়ন হয় ড° বনশ্ৰী শইকীয়া, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় আৰু ৰানাৰ্ছ আপ হয় ড° মিনাক্ষী মিলি কাকজান মহাবিদ্যালয়। পুৰুষৰ ডাবলছ শাখাত বিজয়ী হয় ড° চিত্ৰধৰ টায়ে, ড° অনিৰ্বান গাৰ্গ, জগন্নাথ।

## ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তি

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু জনজাতি পৰিক্ৰমা (সমভূমি) মন্ত্ৰী ড° ৰণোজ পেগু উপস্থিত আছিল। এই তিনিটা জনগোষ্ঠীয়ে নিজ নিজ স্বায়ত্তশাসিত পৰিষদসমূহক সাংবিধানিক মৰ্যাদা প্ৰদানৰ দাবী দীৰ্ঘদিন ধৰি উত্থাপন কৰি আহিছে। বৰ্তমান এই পৰিষদসমূহ—তিৱা স্বায়ত্তশাসিত পৰিষদ, মিচিং স্বায়ত্তশাসিত পৰিষদ আৰু ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদ—ৰাজ্য চৰকাৰৰ অধীনত বিধিগত সংস্থা হিচাপে কাৰ্যকৰী হৈ আছে। কিন্তু এই জনগোষ্ঠীসমূহে এইবোৰক ষষ্ঠ অনুসূচীৰ অধীনলৈ অন্তৰ্ভুক্ত কৰি সাংবিধানিক সুৰক্ষা প্ৰদানৰ দাবী জনাই আহিছে। বৈঠকত অসম চৰকাৰে এই বিষয়ত কেন্দ্ৰলৈ প্ৰেৰণ কৰা প্ৰস্তাৱৰ ভিত্তিত বিস্তৃত আলোচনা অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তিনিওটা জনগোষ্ঠীৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যসকলৰ লগতে বিভিন্ন জাতীয় সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতে পৃথকে পৃথকে মত বিনিময় কৰে। বৈঠকৰ অন্তত সাংবাদমাধ্যমৰ আগত মন্ত্ৰী ড° ৰণোজ পেগুৱে কয়, “আমি এই তিনিটা জনগোষ্ঠীক সাংবিধানিক অধিকাৰ প্ৰদানৰ বাবে দৃঢ়তাৰে আহ্বান জনাইছো। সমগ্ৰ বিষয়টো আগুৱাই নিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰে এজন জ্যেষ্ঠ মধ্যস্থতাকাৰী নিয়োগ কৰিব বুলি গৃহমন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰিছে।” তেওঁ লগতে কয় যে, আলোচনাত উপস্থিত সকলো নেতৃত্বই এই প্ৰক্ৰিয়াক ইতিবাচক বুলি মন্তব্য কৰিছে আৰু এই আশ্বাসে দীৰ্ঘদিনীয়া জাতিগত সমস্যাসমূহৰ সমাধানৰ পথ মুকলি কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বৈঠকক স্বাগত জনাই কয় যে, কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ এই পদক্ষেপে অসমৰ আদিবাসী সম্প্ৰদায়সমূহৰ সাংবিধানিক আকাংক্ষাৰ সুৰক্ষাৰ প্ৰতি ভাৰত চৰকাৰৰ দায়বদ্ধতা প্ৰতিফলিত কৰিছে। এই মধ্যস্থতাকাৰীৰ মাধ্যমেৰে প্ৰতিষ্ঠানিক সংলাপৰ জৰিয়তে এক স্থায়ী সমাধান লাভ কৰাৰ আশা কৰা হৈছে। এই আলোচনাই অসমৰ জনজাতীয় সম্প্ৰদায়সমূহৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে আৰু ভৱিষ্যতে এই দাবীসমূহৰ সমাধানৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে।

## মা পদুমী ছাগলী ফাৰ্মত

সন্মুখীন কৰিছে। এই ছাগলী ফাৰ্মখন আছিল দম্পতীটোৰ পৰিয়ালৰ একমাত্ৰ উপাৰ্জনৰ উৎস। কেৱল অসমৰ ভিতৰতে নহয়, উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তলৈকে তেওঁলোকে এই ফাৰ্মৰ পৰা ছাগলী যোগান ধৰি আহিছিল। ফাৰ্মটোৰ জৰিয়তে পাঁচজন স্থানীয় লোকেও স্থায়ী কৰ্মসংস্থান লাভ কৰি নিজৰ পৰিয়াল পোহপাল দি আছিল। এই জঘন্য কাণ্ডৰ ফলত কেৱল ফাৰ্ম মালিক দম্পতীয়েই নহয়, সেই কৰ্মীসকলৰ পৰিয়ালো গভীৰ আৰ্থিক সংকটৰ সন্মুখীন হৈছে। দিবাকৰ কলিতা আৰু ভণিতা কলিতাই এই ঘটনাৰ পিছত গভীৰ মৰ্মাহত হৈ পৰিছে। তেওঁলোকে জনোৱা অনুসৰি, এই ফাৰ্মটো গঢ়ি তুলিবলৈ বছৰ বছৰ ধৰি অক্লান্ত পৰিশ্ৰম কৰিছে আৰু ই তেওঁলোকৰ সপোনৰ প্ৰকল্প আছিল। এতিয়া এক নিমিষতে সকলো ধ্বংস হোৱাৰ ফলত তেওঁলোকৰ পৰিয়ালটোৰ ভৱিষ্যত অন্ধকাৰময় হৈ পৰিছে। দম্পতীটোৱে এই ঘটনাৰ ন্যায় বিচাৰি কামৰূপ জিলা আৰক্ষীৰ ওচৰত গোচৰ ৰুজু কৰাৰ প্ৰস্তুতি চলাইছে। স্থানীয় ৰাইজে এই নৃশংস কাণ্ডৰ তীব্ৰ নিন্দা কৰিছে আৰু এক সফল উদ্যোগী পশুপালক দম্পতীক এনেদৰে সৰ্বস্বান্ত কৰাৰ ঘটনাই সকলোকে গভীৰভাৱে মৰ্মাহত কৰি তুলিছে। অনেকে এই কাণ্ডৰ আঁৰত পুৰণি শত্ৰুতা বা ঈৰ্ষাৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছে, যদিও নিশ্চিত তথ্য এতিয়াও পোহৰলৈ অহা নাই। আৰক্ষীয়ে ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। বিষ প্ৰয়োগৰ নমুনা সংগ্ৰহ কৰাৰ লগতে চাৰিওফালৰ সাক্ষীসকলৰ বক্তব্য লিপিবদ্ধ কৰা হৈছে। আৰক্ষীৰ এক জ্যেষ্ঠ বিষয়াই জনোৱা অনুসৰি, এই বিৰল নিষ্ঠুৰতাৰ আঁৰত কোন বা কোনসকল জড়িত আছে, সেয়া তদন্তৰ পিছতহে পোহৰলৈ আহিব। এই ঘটনাই পশুপালনৰ দৰে উদ্যোগত নিয়োজিত লোকসকলৰ মাজত নিৰাপত্তাৰ প্ৰশ্ন উত্থাপন কৰিছে। স্থানীয় লোকে আৰক্ষীৰ পৰা দ্ৰুত আৰু নিৰপেক্ষ তদন্তৰ দাবী জনাইছে যাতে অপৰাধীসকলক কঠোৰ শাস্তি দিয়া হয়।

## নামনি সোৱণশিৰি জলবিদ্যুৎ

পৰিণতিক লৈ কঠোৰ স্থিতি গ্ৰহণ কৰিছে। সংগঠনটোৱে প্ৰকল্প কৰ্তৃপক্ষক শেষবাৰৰ বাবে সকীয়নি দি কয় যে, দ্ৰুত আলোচনাৰ প্ৰক্ৰিয়া আগবঢ়াই নিলে তেওঁলোকে পুনৰ তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব। আজি এখন প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে AJYCPয়ে প্ৰকাশ কৰে যে, যোৱা ২৮ জুনত গেৰুকামুখত সহস্ৰাধিক লোকৰ উপস্থিতিত এক বৃহৎ গণ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। সেই অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষকৰ উপস্থিতিত প্ৰশাসন আৰু প্ৰকল্প কৰ্তৃপক্ষই ১৫ দিনৰ ভিতৰত আলোচনাৰ দিন ধাৰ্য কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু সংগঠনটোৰ অভিযোগ অনুসৰি, কৰ্তৃপক্ষই ইচ্ছাকৃতভাৱে এই প্ৰক্ৰিয়াত বিলম্ব ঘটাই আহিছে। বিশেষকৈ পৰিষদৰ চতুৰ্থ সংখ্যক প্ৰবীণ গগৈ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলৰ দিনাই আলোচনাৰ সময় নিৰ্ধাৰণ কৰি পৰিৱেশ নস্যাৎ কৰাৰ অপচেষ্টা চলোৱা বুলি AJYCPয়ে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। সংগঠনটোৱে এই কাৰ্যকে প্ৰতিবাদীসকলৰ মনোবল ভাঙি দিয়াৰ ষড়যন্ত্ৰ বুলি অভিহিত কৰিছে। পৰিষদৰ নেতৃত্বই স্পষ্টভাৱে জনাইছে যে, ২০২৬ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত যদি ফলপ্ৰসূ আলোচনাৰ বাবে কোনো নিৰ্দিষ্ট দিন ধাৰ্য কৰা নহয়, তেন্তে তেওঁলোকে ধাৰাবাহিকভাৱে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ কৰিব। প্ৰকল্পটোৰ সুৰক্ষাৰ বিষয়ে ৰাইজৰ শংকা দূৰ নকৰালৈকে আন্দোলনৰ পথ এৰি নিদিয়াৰ দৃঢ় প্ৰতিজ্ঞা ব্যক্ত কৰিছে সংগঠনটোৱে। নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পটো দীৰ্ঘদিন ধৰি বিতৰ্কিত হৈ আহিছে। প্ৰকল্পটোৰ ফলত নামনি অঞ্চলত বানপানীৰ তীব্ৰতা বৃদ্ধি, পৰিৱেশৰ ক্ষতি আৰু জীৱবৈচিত্ৰ্যৰ ধ্বংসৰ আশংকা কৰি অসমৰ বিভিন্ন সংগঠনে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত ৰাখিছে। AJYCPয়ে এই প্ৰকল্পক অসমৰ পৰিৱেশ আৰু জনজীৱনৰ বাবে এক বৃহৎ ভাবুকি বুলি অভিহিত কৰি আহিছে। এই সকীয়নিয়ে প্ৰকল্প কৰ্তৃপক্ষ আৰু চৰকাৰৰ মাজত নতুন চৰ্চাৰ সৃষ্টি কৰিছে। ভৱিষ্যতে এই বিষয়ত কি পদক্ষেপ লোৱা হয়, সেয়া লক্ষণীয় হ'ব।

## শিৱসাগৰত আৰক্ষীৰ অভিযান; ৪০টা অবৈধ

৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ৪০ টাকৈ অবৈধ গৰু জব্দ কৰিবলৈ সক্ষম হয়। এই সন্দৰ্ভত আৰক্ষীয়ে গৰু কঢ়িয়াই অনা দুখন মিনি ট্ৰাকসহ ৫জন সৰবৰাহকাৰীক আটক কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি, তিনিচুকীয়া জিলাৰ বৰডুমচাৰ পৰা নগাঁৱৰ ৰূপহীলৈ ডিমৌ ৰাষ্ট্ৰীয় ঘাইপথ পথেদি কোনো বৈধ ‘কেটল পাৰ্মিট’ নোহোৱাকৈ দুখন মিনিট্ৰাকত বৃহৎ সংখ্যক গৰু কঢ়িয়াই অনা হৈছিল। এক গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত শিৱসাগৰ আৰক্ষীৰ এটা দলে জেঙনীকটীয়াৰ সমীপৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত খাপ পিটি বহি থাকে। নিশা সন্দেহযুক্ত বাহন দুখন আহি পোৱাৰ লগে লগে আৰক্ষীয়ে তালাচী চলায় আৰু অবৈধভাৱে কঢ়িয়াই অনা ৪০টা গৰু উদ্ধাৰ কৰে। আৰক্ষীয়ে গৰু সৰবৰাহৰ বাবে ব্যৱহৃত এ এছ ০১ আৰ চি ৮০১৩ (AS 01 RC 8013) আৰু এ এছ ২৫ এফ চি ৮৫০৭ (AS 25 FC 8507) নম্বৰৰ মিনি ট্ৰাক দুখন জব্দ কৰে। ইয়াৰ লগতে নগাঁৱৰ ৰূপহীৰ ৫জন ব্যক্তিক আটক কৰা হয়। আটক কৰা ব্যক্তিকেইজন ক্ৰমে-আব্দুল বিলাল, আজিজুল হক, আবিদ আলি, জামিৰ উদ্দিন, ইমৰাণজুল হক। বৰ্তমান আৰক্ষীয়ে ধৃত ব্যক্তিকেইজনক শিৱসাগৰ সদৰ থানাত ৰাখি অধিক সোধপোছ অব্যাহত ৰাখিছে। এই বৃহৎ আন্তঃজিলা গৰু সৰবৰাহ চক্ৰটোৰ সৈতে আৰু কোন কোন জড়িত আছে, সেই সন্দৰ্ভতো তদন্ত আৰম্ভ কৰিছে আৰক্ষী প্ৰশাসনে।

## দিছপুৰত কাৰ্বি আংলঙৰ আন্দোলনকাৰী

বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত কাৰ্বি আংলঙ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং আৰু প্ৰতিবাদী সচেতন যুৱক তথা বিভিন্ন সংগঠনৰ নেতাসকলৰ মাজত বিস্তৃত আলোচনা হয়। বৈঠকত অংশগ্ৰহণ কৰা প্ৰতিবাদী দলৰ অন্যতম নেতা লিটচন ৰংফাৰৰ নেতৃত্বত কাৰ্বি আংলঙৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিসকলে নিজৰ দাবীসমূহ দাঙি ধৰে। প্ৰতিবাদকাৰীসকলে খেৰণিৰ ফেলাংপীত আমৰণ অনশন আৰম্ভ কৰাৰ পিছতহে চৰকাৰে আলোচনাৰ বাবে আহ্বান জনোৱা বুলি অভিযোগ উত্থাপন কৰে যদিও বৈঠকত ইতিবাচক পৰিৱেশ বিৰাজ কৰে আৰু একাধিক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, “পশ্চিম কাৰ্বি আংলঙৰ পৰিস্থিতিৰ সন্দৰ্ভত আজি এখন ফলপ্ৰসূ ত্ৰিপাক্ষিক বৈঠক সম্পন্ন হৈছে। ভি জি আৰ আৰু পি জি আৰ ভূমিৰ মালিকীস্বত্ব সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড আদালতত মোকৰ্দমা বিচাৰাধীন হৈ আছে। কিন্তু কাৰ্বি আংলঙ স্বায়ত্তশাসিত পৰিষদে এতিয়ালৈ শপতনামা দাখিল কৰা নাই বাবে বিষয়টোৰ নিষ্পত্তি বিলম্বিত হৈ আছে। আজিৰ বৈঠকত সিদ্ধান্ত লোৱা হৈছে যে পৰিষদে আগন্তুক ৫ জানুৱাৰীৰ ভিতৰত আদালতত শপতনামা দাখিল কৰিব। লগতে কাৰ্বি ৰাইজেও আদালতত পক্ষ হিচাপে নিজৰ দলিল-প্ৰমাণ দাখিল কৰিব। ৰাজ্য চৰকাৰে আদালতত অনুৰোধ জনাব যাতে বিষয়টোৰ সোনকালে ৰায়দান হয় আৰু ৰায় অনুসৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা সম্ভৱ হয়।” মুখ্যমন্ত্ৰীয়ে লগতে জানিবলৈ দিয়ে যে খেৰণিৰ ভি জি আৰ আৰু পি জি আৰত অৱস্থিত চৰকাৰী কাৰ্যালয়সমূহ শীঘ্ৰেই অন্য ঠাইলৈ স্থানান্তৰ কৰা হ'ব। এই অঞ্চলত প্ৰায় ৮ হাজাৰ বিঘা খালী ভূমি আছে। এই খালী ভূমি সংৰক্ষণৰ বাবে পৰিষদে ফেন্সিং নিৰ্মাণ কৰিব আৰু বনানিকৰণৰ কাম আৰম্ভ কৰিব যাতে ভৱিষ্যতে কোনো অবৈধ দখল নহয়। আৰক্ষীৰ গুলীচালনাত মৃত্যু হোৱা ব্যক্তিজনৰ পৰিয়ালৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, “পৰিষদে মৃত ব্যক্তিজনৰ পৰিয়ালৰ এজন সদস্যক চাকৰি প্ৰদান কৰিব আৰু ৰাজ্য চৰকাৰে অতিৰিক্তভাৱে ১০ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰিব।” তদুপৰি ভি জি আৰ আৰু পি জি আৰ ভূমিত জাৰি কৰা সকলো ট্ৰেড লাইচেন্স পৰিষদে বাতিল কৰিব যাতে অবৈধ ব্যৱসায়িক কাৰ্যকলাপ বন্ধ হয়। কাৰ্বি আংলঙৰ অন্যান্য চৰকাৰী বিভাগৰ ভূমিত হোৱা অবৈধ দখলৰ ক্ষেত্ৰতো পৰিষদে উচ্ছেদ অভিযান চলাব। মুখ্যমন্ত্ৰীয়ে আগবঢ়াই কয়, “আগন্তুক ১৬ বা ১৭ জানুৱাৰীত দ্বিতীয় পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব। তেতিয়ালৈ উচ্চ ন্যায়ালয়ৰ পৰা এটা সুস্পষ্ট ৰায় লাভ কৰাৰ আশা কৰিছো। লগতে পৰিষদৰ কেইখাখনো নিয়মাৱলী ৰাজ্য চৰকাৰৰ অনুমোদনৰ বাবে বিচাৰাধীন হৈ আছে; সেইবোৰ শীঘ্ৰে অনুমোদন দিয়াৰ ব্যৱস্থা কৰা হ'ব। আমি কাৰ্বি আংলঙত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিম।” বৈঠকত অংশগ্ৰহণ কৰা যুৱ নেতা লিটচন ৰংফাৰে কয়, “আজিৰ বৈঠকত বহুকেইটা ইতিবাচক সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। খালী ভূমি সংৰক্ষণ, ট্ৰেড লাইচেন্স বাতিল আদি বিষয়ত সিদ্ধান্ত হৈছে। কিন্তু ৰাইজৰ মাজত আলোচনা কৰি সন্তুষ্টিৰ মাত্ৰা নিৰ্ধাৰণ কৰিহে চূড়ান্ত মন্তব্য কৰিব পাৰিম। কাৰ্বি আংলঙত জাতি, মাটি আৰু ভেটি ৰক্ষাৰ প্ৰশ্নটো অতি গুৰুত্বপূৰ্ণ। আমি নিজৰ ভূমিতে সংখ্যালঘু হৈ পৰিছো।” আনহাতে কাৰ্বি ৰজা লাংটুক টেৰাঙে বৈঠকক স্বাগতম জনাই কয়, “আজিৰ আলোচনা অতি ভাল হৈছে। আগতে দাবীসমূহৰ প্ৰতি যথেষ্ট গুৰুত্ব দিয়া হোৱা নাছিল। আন্দোলনৰ পিছত পৰিস্থিতি জটিল হোৱাৰ পাছতহে আলোচনাৰ সুযোগ হৈছে। জানুৱাৰীৰ পৰা উচ্ছেদ অভিযান আৰম্ভ হ'ব বুলি আশা কৰিছো।” এই ত্ৰিপাক্ষিক বৈঠকে পশ্চিম কাৰ্বি আংলঙৰ উত্তপ্ত পৰিস্থিতি শান্ত কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

## নগাঁৱত ২০২৬ বিধানসভা

জিলাত ইলেক্ট্ৰনিক ভোটিং মেচিন (ইভিএম) আৰু ভোটাৰ ভেৰিফায়েবল পেপাৰ অডিট ট্ৰেইল (ভিভিপেট)ৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ (এফএলচি) প্ৰক্ৰিয়া আজিৰে পৰা আনুষ্ঠানিকভাৱে আৰম্ভ হৈছে। এই পৰীক্ষণ কাৰ্যসূচী ৭ জানুৱাৰীলৈকে অব্যাহত থাকিব। প্ৰথম দিনৰ কাৰ্যসূচীত নগাঁও জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱাশিস শৰ্মাই বেবেজীয়াৰ সমীপস্থিত শেনচোৱাস্থিত ইভিএম পণ্যাগাৰত উপস্থিত হৈ পৰীক্ষণৰ বাবে সংৰক্ষিত ইভিএম আৰু ভিভিপেট যন্ত্ৰসমূহৰ সামগ্ৰিক অৱস্থা পৰিদৰ্শন কৰে। তেওঁ এই প্ৰক্ৰিয়া নিখুঁতভাৱে সম্পন্ন কৰাৰ বাবে কেন্দ্ৰটিত নিয়োজিত ইলেক্ট্ৰনিকছ কৰ্পৰেচন অৱ ইণ্ডিয়া লিমিটেড (ইচিআইএল)ৰ দক্ষ অভিযন্তাসকলৰ সৈতে বিস্তৃত মত বিনিময় কৰে আৰু যন্ত্ৰসমূহৰ কাৰিকৰী পৰীক্ষণ প্ৰক্ৰিয়াৰ বিষয়ে গভীৰভাৱে অৱগত হয়। লগতে জিলা আয়ুক্তগৰাকীয়ে পৰীক্ষণ কেন্দ্ৰটিৰ নিৰাপত্তা ব্যৱস্থা আৰু সুৰক্ষাৰ পৰ্যবেক্ষণো কৰে, যাতে সমগ্ৰ প্ৰক্ৰিয়াটো সুৰক্ষিত আৰু স্বচ্ছ হৈ উঠে। ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি এই এফএলচি প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে স্বচ্ছতাৰে সম্পন্ন কৰা হ'ব আৰু ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলকো এই প্ৰক্ৰিয়া পৰ্যবেক্ষণৰ সুবিধা প্ৰদান কৰা হ'ব। আজিৰ এই গুৰুত্বপূৰ্ণ কাৰ্যসূচীত জিলা আয়ুক্তগৰাকীৰ লগত অতিৰিক্ত জিলা আয়ুক্ত সুদীপ নাথ, নিৰ্বাচনী বিষয়া শেষৰণ ফুকন, নগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া পংকজ ভূএ্যা আৰু বৰহমপুৰ খণ্ড উন্নয়ন বিষয়া সিদ্ধাৰ্থ চাংকাইকে ধৰি জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া তথা সংশ্লিষ্ট বিভাগৰ কৰ্মচাৰী উপস্থিত আছিল। এই প্ৰথম পৰ্যায়ৰ পৰীক্ষণে নিৰ্বাচন প্ৰক্ৰিয়াৰ বিশ্বাসযোগ্যতা আৰু স্বচ্ছতা নিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি জিলা প্ৰশাসনে আশা প্ৰকাশ কৰিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক মুক্ত, ন্যায্য আৰু শান্তিপূৰ্ণ কৰি তুলিবলৈ জিলা প্ৰশাসনৰ এনে প্ৰচেষ্টা অব্যাহত থাকিব।

## নৱবৰ্ষৰ আনন্দত বাধা !

কৰিছে। চুইগি, জোমেটো, জিপ্টো, ব্লিংকিট, আমাজন, ফ্লিপকাৰ্টকে ধৰি বিভিন্ন প্লেটফৰ্মৰ গিগ কৰ্মীসকলে এই ধৰ্মঘটত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। ফলত উৎসৱৰ সময়ত অনলাইন অৰ্ডাৰ কৰা খাদ্য সামগ্ৰী বা অন্যান্য বস্তুৰ ডেলিভাৰীত যথেষ্ট ব্যাঘাত জন্মিব পাৰে। এই ধৰ্মঘটৰ আহ্বান কৰিছে ইণ্ডিয়ান ফেডাৰেচন অৱ এপ-বেছড ট্ৰান্সপৰ্ট ৱৰ্কাৰছ (আইএফএটি) আৰু তেলেংগানা গিগ এণ্ড প্লেটফৰ্ম ৱৰ্কাৰছ ইউনিয়নে। কৰ্মীসকলে কামৰ অৱস্থাৰ ক্ৰমাৎ অৱনতি, ন্যায্য মজুৰিৰ অভাৱ, সুৰক্ষাৰ অভাৱ, চাকৰিৰ নিৰাপত্তা আৰু সামাজিক সুৰক্ষাৰ দাবীত এই পদক্ষেপ গ্ৰহণ কৰিছে। বিশেষকৈ দীঘলীয়া কামৰ সময়ৰ বিপৰীতে উপাৰ্জন হ্ৰাস পোৱা, অতি দ্ৰুত ডেলিভাৰী (যেনে ১০ মিনিটৰ ডেলিভাৰী)ৰ ফলত সৃষ্টি হোৱা বিপদাশংকা আৰু এলগৰিদমিক নিয়ন্ত্ৰণৰ বাবে অভিযোগ উত্থাপন কৰিছে। ইউনিয়ন নেতাসকলে প্ৰকাশ কৰা মতে, প্লেটফৰ্ম কোম্পানীসমূহে কৰ্মীসকলৰ জীৱনৰ ঝুঁকি বৃদ্ধি কৰি লাভৱান হৈছে, কিন্তু সামাজিক সুৰক্ষা যেনে স্বাস্থ্য বীমা, দুৰ্ঘটনা কভাৰেজ আৰু পেঞ্চনৰ ব্যৱস্থা নাই। লগতে অভিযোগ উত্থাপন ব্যৱস্থাৰ অভাৱ আৰু ন্যায়সংগত প্ৰক্ৰিয়া অবিহনে একাউণ্ট ব্লক কৰাৰ পৰিপ্ৰেক্ষিততো প্ৰতিবাদ জনাইছে। শেহতীয়াকৈ চৰকাৰে গিগ কৰ্মীসকলক আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰি সামাজিক সুৰক্ষা সংহিতাৰ অধীনত প্লেটফৰ্মসমূহক তেওঁলোকৰ বাৰ্ষিক টাৰ্নঅভাৰৰ ১-২ শতাংশ অৰিহণা যোগান ধৰলৈ জমা কৰিবলৈ বাধ্য কৰিছে যদিও ইউনিয়নসমূহে এই ব্যৱস্থাৰ কাৰ্যকৰী ৰূপায়ণৰ অভাৱৰ কথা উল্লেখ কৰিছে। উৎসৱৰ সময়ত ডেলিভাৰীৰ চাহিদা সৰ্বোচ্চ হোৱাৰ বাবে এই ধৰ্মঘটে গ্ৰাহকসকলক যথেষ্ট অসুবিধাত পেলাব পাৰে। মহানগৰ আৰু দ্বিতীয় শ্ৰেণীৰ চহৰসমূহত এই প্ৰভাৱ অধিক দেখা যাব বুলি আশংকা কৰা হৈছে। কৰ্মীসকলে চৰকাৰ আৰু কোম্পানীসমূহক তেওঁলোকৰ দাবীসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰিবলৈ আহ্বান জনাইছে, যাতে গিগ অৰ্থনীতিৰ এই গুৰুত্বপূৰ্ণ অংশই ন্যায়সংগত অধিকাৰ লাভ কৰে।

## বীৰ বাল দিৱসত ৰাষ্ট্ৰপতি মুৰ্মুৰ ২০জন শিশু-কিশোৰক

আৰু বিজ্ঞান-প্ৰযুক্তিৰ দৰে ক্ষেত্ৰত অসাধাৰণ কৃতিত্ব দেখুৱাই এই সন্মান লাভ কৰা এই যুৱ প্ৰতিভাসমূহৰ ভিতৰত কেইজনমানে নিজৰ জীৱনৰ ঝুঁকি লৈ আনৰ প্ৰাণ ৰক্ষা কৰাৰ কাহিনীৰে সকলোকে প্ৰেৰণা যোগাইছে। এইবাৰৰ পুৰস্কাৰ গ্ৰহণকাৰীসকলৰ ভিতৰত এটা হৃদয়স্পৰ্শী মুহূৰ্ত আছিল যেতিয়া অৰ্চনা শিৱৰমকৃষ্ণনে নিজৰ কন্যা ব্যোমা প্ৰিয়াৰ হৈ সাহসৰ বঁটা গ্ৰহণ কৰে। মাত্ৰ ৮ বছৰ বয়সতে এপাৰ্টমেণ্ট কমপ্লেক্সৰ শিশু পাৰ্কত খেলি থকাৰ সময়ত বিদ্যুত্স্পৃষ্ট হোৱা ৬ বছৰীয়া ল'ৰাজনক বচাবলৈ চেষ্টা কৰোঁতে ব্যোমা প্ৰিয়াই নিজৰ প্ৰাণ হেৰুৱাইছিল। পাৰ্কৰ স্লাইডটো ক্ষতিগ্ৰস্ত ভূগৰ্ভস্থ কেবলৰ ওপৰত স্থাপন কৰা হৈছিল, যাৰ ফলত সেই অংশ বিদ্যুত্প্ৰবাহিত হৈ পৰিছিল। পুৰস্কাৰ গ্ৰহণ কৰি অৰ্চনা শিৱৰমকৃষ্ণনে কয়, “আমাৰ কন্যা ব্যোমা প্ৰিয়াৰ হৈ মই এই সাহসৰ বঁটা লাভ কৰিছোঁ। তাই মাত্ৰ ৮ বছৰীয়া আছিল যেতিয়া আমাৰ এপাৰ্টমেণ্টৰ শিশু পাৰ্কত খেলি আছিল। স্লাইডটোৰ তলত ক্ষতিগ্ৰস্ত কেবলৰ বাবে বিদ্যুত্স্পৃষ্ট হৈ এজন ৬ বছৰীয়া ল'ৰা পৰি গৈছিল। ব্যোমাই তাক বচাবলৈ চেষ্টা কৰোঁতে নিজেও বিদ্যুত্স্পৃষ্ট হৈ প্ৰাণ হেৰুৱাইছিল। এই বঁটা লাভ কৰাটো আমাৰ বাবে তিতা-মিঠা মুহূৰ্ত। আমি আশা কৰিছিলোঁ তাই নিজেই ইয়াত উপস্থিত হৈ এই সন্মান গ্ৰহণ কৰিলেহেঁতেন। “আন এগৰাকী পুৰস্কাৰ বিজয়ী শ্ৰৱণ সিংয়ে (১০ বছৰীয়া) ‘অপাৰেচন সিন্দূৰ’ চলি থকাৰ সময়ত সীমান্তত মোতায়েন ভাৰতীয় সৈন্যসকলক নিতৌ গাখীৰ, চাহ, মাখন আৰু বৰফ যোগান ধৰাৰ কথা বৰ্ণনা কৰে। তেওঁ কয়, “যুদ্ধৰ ঝুঁকিৰ মাজতো মই তেওঁলোকক সেৱা আগবঢ়াইছিলোঁ। এই বঁটা লাভ কৰি মোৰ খুব ভাল লাগিছে। এই কথা মই সপোনতো ভবা নাছিলোঁ।” ক্ৰীড়া ক্ষেত্ৰত বিশেষ সন্মান লাভ কৰে ১৪ বছৰীয়া ক্ৰিকেট প্ৰতিভা বৈভৱ সূৰ্যবংশীয়ে। তেওঁৰ অভিলেখময় প্ৰদৰ্শনে ক্ৰিকেট জগতত খলকনি তুলিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে তেওঁক প্ৰশংসা কৰি কয় যে, “বৈভৱ সূৰ্যবংশীয়ে অতি প্ৰতিযোগিতামূলক ক্ৰিকেট জগতত নিজৰ নাম গঢ়ি তুলিছে আৰু বহুতো অভিলেখ গঢ়িছে।” বৈভৱৰ জ্যেষ্ঠ ভাতৃ উজ্জ্বল সূৰ্যবংশীয়ে সামাজিক মাধ্যমত পোষ্ট কৰি এই সন্মানক পৰিয়ালৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলি অভিহিত কৰে। উল্লেখ্য যে, ২০২২ চনৰ ৯ জানুৱাৰীত শ্ৰী গুৰু গোবিন্দ সিং জীৰ প্ৰকাশ পূৰৱ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৬ ডিচেম্বৰক ‘বীৰ বাল দিৱস’ হিচাপে পালন কৰাৰ ঘোষণা কৰিছিল। এই দিৱসত সমগ্ৰ দেশতে অংশগ্ৰহণমূলক কাৰ্যসূচীৰ আয়োজন কৰা হয়, যাৰ উদ্দেশ্য হৈছে শিশুসকলৰ অদম্য সাহস, ত্যাগ আৰু শৌৰ্য্যক স্মৰণ কৰা আৰু নতুন প্ৰজন্মক প্ৰেৰণা যোগোৱা। কাৰ্যসূচীত সাধু কোৱা, আবৃত্তি, পোষ্টাৰ নিৰ্মাণ আৰু ৰচনা প্ৰতিযোগিতা আদি অন্তৰ্ভুক্ত কৰা হয়। এই পুৰস্কাৰ প্ৰদান অনুষ্ঠানে ভাৰতৰ যুৱ প্ৰতিভাসমূহৰ সম্ভাৱনাক উজ্জ্বল কৰি তুলিছে আৰু দেশৰ ভৱিষ্যতক আশাৰে ভৰাই তুলিছে।

## প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিংৰ প্ৰথম

বাৰ্ষিকী পালন কৰিছে। বিগত বৰ্ষৰ ২৬ ডিচেম্বৰত ৯২ বৰ্ষ বয়সত দিল্লীৰ অল ইণ্ডিয়া ইনষ্টিটিউট অৱ মেডিকেল ছায়েন্সত (এইমছ) তেওঁৰ দেহাৱসান ঘটিছিল। ১৯৩২ চনৰ ২৬ ছেপ্টেম্বৰত জন্মগ্ৰহণ কৰা ড° মনমোহন সিং এগৰাকী বিখ্যাত অৰ্থনীতিবিদ আছিল। ১৯৮২ৰ পৰা ১৯৮৫ লৈ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পিছত ১৯৯১ চনত বিত্তমন্ত্ৰী হিচাপে তেওঁ ভাৰতৰ অৰ্থনৈতিক সংকটৰ পৰা উদ্ধাৰৰ নেতৃত্ব দিছিল। ২০০৪ৰ পৰা ২০১৪ লৈ দহ বছৰ ধৰি ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যকাল সম্পূৰ্ণ কৰা তেওঁ জৱাহৰলাল নেহৰু আৰু ইন্দিৰা গান্ধীৰ পিছত আটাইতকৈ দীৰ্ঘকালীন প্ৰধানমন্ত্ৰীসকলৰ অন্যতম। উল্লেখ্য যে, তেওঁ কেতিয়াও লোকসভা নিৰ্বাচনত প্ৰত্যক্ষভাৱে জয়ী হোৱা নাছিল, তথাপি ৰাজ্যসভাৰ সদস্য হিচাপে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ নেতৃত্ব দিছিল। ড° সিংৰ নীৰৱ কিন্তু দৃঢ় নেতৃত্ব, সৰলতা, নিষ্ঠা, সততা আৰু দেশপ্ৰেমে ভাৰতৰ অৰ্থনৈতিক পুনৰগঠন আৰু গণতান্ত্ৰিক মূল্যবোধৰ সংৰক্ষণত অনন্য অৱদান আগবঢ়াইছে। তেওঁৰ দূৰদৰ্শীতাই দেশক নতুন দিশ দেখুৱাই থৈ গৈছে। এই বিশেষ দিনটোত ৰাজনৈতিক নেতাসকলে তেওঁক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে সামাজিক মাধ্যমত লিখিছে, “ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী, বিশ্ববিশ্ৰুত অৰ্থনীতিবিদ আৰু দেশৰ উন্নয়নৰ এক দৰ্শনীয় পথপ্ৰদৰ্শক ড° মনমোহন সিং ডাঙৰীয়াক তেখেতৰ প্ৰথম মৃত্যু বাৰ্ষিকীত গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। তেখেতৰ দূৰদৰ্শী নেতৃত্ব, সৰলতা, নিষ্ঠা, সততা আৰু দেশপ্ৰেমে ভাৰতৰ অৰ্থনৈতিক পুনৰগঠন আৰু গণতান্ত্ৰিক মূল্যবোধৰ সংৰক্ষণত এক অনন্য অৱদান আগবঢ়াই থৈ গৈছে। নীৰৱ কিন্তু দৃঢ় নেতৃত্বৰ দ্বাৰা তেওঁ দেশক নতুন দিশ দেখুৱাই থৈ গৈছে। এই দিনটোত আমি মহান নেতাজনৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছোঁ আৰু তেওঁৰ আদৰ্শসমূহ আগুৱাই লৈ যোৱাৰ সংকল্প লৈছো।” অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও সামাজিক মাধ্যমত পোষ্ট কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। তেওঁ লিখিছে, “দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিংক তেখেতৰ প্ৰথম পুণ্যতিথিত গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছো। তেখেতৰ অনবদ্য অৱদান সদায় স্মৰণীয় হৈ থাকিব।” দেশৰ বিভিন্ন প্ৰান্তৰ পৰা নেতাসকলে ড° সিংৰ অৱদানক স্মৰণ কৰি তেওঁৰ আদৰ্শক আগুৱাই নিয়াৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰিছে। তেওঁৰ স্মৃতি ভাৰতৰ ইতিহাসত চিৰকাল জীয়াই থাকিব।

## কাৰ্বি আংলঙৰ জনগাঁথনি

আজি গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এক সংবাদমেলত সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই এই মত ব্যক্ত কৰে। সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে সংবাদমেল সম্বোধন কৰি কয়, “খেৰণিৰ এই দুৰ্ভাগ্যজনক ঘটনাত ক্ষতিগ্ৰস্ত হোৱা কাৰ্বি সমাজৰ লগত অসম সাহিত্য সভা সদায় থিয় দিব। কোনো জনগোষ্ঠীৰ ওপৰত অন্যায় হ'লে অসমৰ ৰাইজ কেতিয়াও নীৰৱে নাথাকে। বিশেষকৈ কাৰ্বি জনগোষ্ঠীৰ এই সমস্যাক আমি গুৰুত্বসহকাৰে বিবেচনা কৰোঁ।” সভাই সংঘৰ্ষত ক্ষতিগ্ৰস্ত সকলো পৰিয়ালৰ প্ৰতি গভীৰ সহানুভূতি জ্ঞাপন কৰে। সভাই উল্লেখ কৰে যে, এই ঘটনাৰ প্ৰতিবাদত ইতিমধ্যে বিভিন্ন স্থানত স্বতঃস্ফূৰ্ত প্ৰতিবাদ আৰম্ভ হৈছে। এনে প্ৰেক্ষাপটত প্ৰতিবাদকাৰীসকলক শান্তি, সংযম আৰু শালীনতা বজাই ৰখাৰ আহ্বান জনায় সভাই। প্ৰতিবাদ যাতে হিংসাত্মক ৰূপ নলয় আৰু কোনো ব্যক্তি বা সম্পত্তিৰ ক্ষতি নঘটে, তাৰ বাবে সকলোকে দায়িত্বশীল আচৰণ কৰিবলৈ অনুৰোধ কৰে। গণতান্ত্ৰিক আৰু সাংবিধানিক পথেৰে দাবী উত্থাপন কৰাটোৱেই সৰ্বোত্তম বুলি সভাই মত পোষণ কৰে। আনহাতে, ৰাজ্য চৰকাৰক এই ঘটনাৰ ক্ষেত্ৰত অধিক দায়িত্বশীল ভূমিকা গ্ৰহণ কৰিবলৈ দাবী জনায় অসম সাহিত্য সভাই। লগতে পশ্চিম কাৰ্বি আংলঙৰ জিলা প্ৰশাসনকো ঘটনাৰ সকলো দিশ সূক্ষ্মভাৱে বিশ্লেষণ কৰি ন্যায়সংগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সংবাদমেলত সভাই পুনৰ সোঁৱৰাই দিয়ে যে, অসম এখন বহু জাতি, বহু ভাষা আৰু বহু সংস্কৃতিৰ ৰাজ্য। ইয়াত জাতি-জনগোষ্ঠীসমূহৰ মাজত সহাৱস্থান, পাৰস্পৰিক সন্মান আৰু সম্প্ৰীতি এক মূল্যৱান ঐতিহ্য। এনে সংকটৰ সময়ত উচটনি আৰু বিভাজনমূলক বক্তব্যৰ পৰা সকলোকে আঁতৰি থাকিবলৈ সভাই অনুৰোধ জনায়। অসম সাহিত্য সভা কেৱল ভাষা-সাহিত্যৰ সংগঠন নহয়, সমাজৰ অভিভাৱক হিচাপেও দায়িত্ব পালন কৰি আহিছে বুলি উল্লেখ কৰি সভাপতি আৰু সম্পাদকে কয়, “সামাজিক অন্যায়, সংঘাত বা অশান্তিৰ সময়ত সভা সদায় থিয় দিব। আমি সকলো ৰাজনৈতিক দল, সামাজিক সংগঠন, বৌদ্ধিক সমাজ আৰু সাধাৰণ নাগৰিকক একেলগ হৈ শান্তি পুনৰ্স্থাপনত সহায় কৰিবলৈ আহ্বান জনাইছোঁ। ‘খেৰণিৰ এই সংঘৰ্ষই অসমৰ সামাজিক ঐক্যক প্ৰভাৱিত কৰিছে বুলি সভাই মত প্ৰকাশ কৰি শীঘ্ৰে সমাধানৰ পথ উলিওৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

## বিধানসভা নিৰ্বাচনত জয়ী

পৰা শোভাযাত্ৰাৰে আদৰি অনা হয় নীতিন নবীনক। এই শোভাযাত্ৰাত মন্ত্ৰী পীযুষ হাজৰীকা, জয়ন্ত মল্লবৰুৱাকে ধৰি ভালেসংখ্যক নেতা-কৰ্মীয়ে সংগ দিয়ে। ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি পদত দায়িত্ব গ্ৰহণ কৰাৰ পিছত অসমলৈ এয়ে নীতিন নবীনৰ প্ৰথমখন ভ্ৰমণ। এই ভ্ৰমণৰ মূল উদ্দেশ্য হৈছে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা বিজেপিৰ অসম প্ৰদেশ কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰা আৰু কেইবাখনো গুৰুত্বপূৰ্ণ সাংগঠনিক বৈঠকত যোগদান কৰা। শুকুৰবাৰে বিয়লিৰ পৰা আৰম্ভ হোৱা এই কাৰ্যনিৰ্বাহক সভা ২৭ ডিচেম্বৰত দিনৰ ২.৩০ বজাত সমাপ্ত হ'ব। বিজেপিৰ ৰাজ্যিক উপ-সভাপতি মনোজ বৰুৱাই জানিবলৈ দিয়া অনুসৰি, এই কাৰ্যনিৰ্বাহক সভাত ৰাজ্যৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতিৰ বিশদ পৰ্যালোচনা, সাংগঠনিক দিশৰ গভীৰ বিশ্লেষণ আৰু আগন্তুক নিৰ্বাচনী ৰণনীতি সন্দৰ্ভত বিস্তৃত আলোচনা অনুষ্ঠিত হ'ব। প্ৰকৃতাৰ্থত এই সভাতে ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ৰোডমেপ প্ৰস্তুত কৰা হ'ব। সভাত ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষ, অসম প্ৰদেশৰ নিৰ্বাচনী প্ৰভাৰী তথা ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত জয় পাণ্ডা, সহ-প্ৰভাৰী সুনীল শৰ্মা, উত্তৰ-পূৰ্বাঞ্চলৰ সমন্বয়ক সম্বিত পাত্ৰ, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, ৰাষ্ট্ৰীয় সম্পাদক কামাখ্যা প্ৰসাদ তাছা আৰু ৰিতুৰাজ শৰ্মাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি বিশিষ্ট নেতাসকল উপস্থিত থাকিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ সম্বোধনৰে সমৃদ্ধ হ'বলগীয়া এই সভাত সভাপতিত্ব কৰিব ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই। সভাত ৰাজ্যৰ সকলো সাংসদ, বিধায়ক, ৰাজ্যিক বিষয়ববীয়া, কাৰ্যনিৰ্বাহক সদস্য, ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য, ৰাজ্যিক পৰিষদৰ সদস্যকে ধৰি প্ৰায় ৮০০জন কৰ্মীয়ে অংশগ্ৰহণ কৰি ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে সাজু হ'ব। আনহাতে, ২৭ ডিচেম্বৰত ৰাজ্যিক নিৰ্বাচন প্ৰবন্ধন সমিতি আৰু ইস্তাহাৰ প্ৰস্তুতি সমিতিৰ বৈঠকো অনুষ্ঠিত হ'ব। শুকুৰবাৰে নিশা নীতিন নবীনৰ উপস্থিতিত ৰাজ্যিক বিজেপিৰ কৰ্ণধাৰ সমিতিৰো এখন বৈঠক অনুষ্ঠিত হ'ব। এই দুদিনীয়া ভ্ৰমণে অসমত বিজেপিৰ সাংগঠনিক শক্তি বৃদ্ধি কৰাৰ লগতে আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিত নতুন গতি প্ৰদান কৰিব বুলি দলীয় সূত্ৰই আশা প্ৰকাশ কৰিছে।

## প্ৰধানমন্ত্ৰী মোদীৰ অধ্যক্ষতাত

গাঁথনিগত আৰু স্থায়ী আলোচনাৰ জৰিয়তে সহযোগিতামূলক ফেডাৰেলিজমক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে বিস্তৃত চৰ্চা অনুষ্ঠিত হ'ব। এই সন্মিলনৰ মূল থীম হৈছে ‘বিকশিত ভাৰতৰ বাবে মানৱ পুঁজি’। ভাৰতৰ জনগাঁথনিগত সুবিধাক সৰ্বোচ্চ ব্যৱহাৰ কৰি অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন ত্বৰান্বিত কৰাৰ দিশত গুৰুত্ব আৰোপ কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰণালয়সমূহ, বিভাগসমূহ, নিটি আয়োগ, ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ প্ৰতিনিধি আৰু বিষয়বস্তুৰ বিশেষজ্ঞসকলৰ মাজত হোৱা বিস্তৃত পৰামৰ্শৰ ভিত্তিত এই সন্মিলনত ৰাজ্যসমূহে অনুসৰণ কৰিবলগীয়া উত্তম পদ্ধতি আৰু কৌশলসমূহৰ ওপৰত আলোচনা কৰা হ'ব। এই মূল থীমৰ অধীনত পাঁচটা ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব- প্ৰাথমিক শিশু শিক্ষা, স্কুলীয়া শিক্ষা, দক্ষতা বিকাশ, উচ্চ শিক্ষা আৰু ক্ৰীড়া তথা পাঠ্যক্ৰম বহিৰ্ভূত কাৰ্যসূচী। লগতে ৰাজ্যসমূহত নিয়ন্ত্ৰণমুক্তকৰণৰ ওপৰত ছটা বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব, য'ত প্ৰশাসনত প্ৰযুক্তিৰ সুযোগ, বিপদাশংকা আৰু প্ৰশমন; এগ্ৰিষ্টেকৰ জৰিয়তে স্মাৰ্ট যোগান শৃংখলা আৰু বজাৰ সংযোগ; এক ৰাজ্য, এক বিশ্বমানৰ পৰ্যটনস্থলী; আত্মনিৰ্ভৰ ভাৰত; স্বদেশীকৰণ আৰু বাঁওপন্থী উগ্ৰবাদ-পৰৱৰ্তী ভৱিষ্যতৰ পৰিকল্পনা আদি বিষয় সামৰি লোৱা হ'ব। ইয়াৰ উপৰি ঐতিহ্য আৰু পাণ্ডুলিপিৰ সংৰক্ষণ তথা ডিজিটেলাইজেচন আৰু সকলোৰে বাবে আয়ুষৰ জৰিয়তে প্ৰাথমিক স্বাস্থ্যসেৱাত জ্ঞান সংহত কৰাৰ ওপৰতো কেন্দ্ৰীভূত আলোচনা হ'ব। প্ৰধানমন্ত্ৰীৰ সমবায় ফেডাৰেলিজমৰ দৃষ্টিভংগীৰে পৰিচালিত এই সন্মিলনে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত সহযোগিতাৰ এক শক্তিশালী মঞ্চ হিচাপে কাম কৰে। ই ভাৰতৰ মানৱ পুঁজিৰ সম্ভাৱনাক সৰ্বাধিক কৰি তোলাৰ লগতে সৰ্বাংগীণ আৰু ভৱিষ্যতমুখী উন্নয়নৰ বাবে এক ঐক্যবদ্ধ ৰোডমেপ প্ৰস্তুত কৰাত সহায় কৰিব। এই সন্মিলনে জনগাঁথনিকে কেৱল সংখ্যাগত লাভ হিচাপে নোচোৱাকৈয়ে শিক্ষা ব্যৱস্থা শক্তিশালী কৰা, দক্ষতা বিকাশৰ পদক্ষেপ আগবঢ়াই নিয়া আৰু দেশজুৰি ভৱিষ্যতৰ বাবে সাজু কৰ্মশক্তি সৃষ্টিৰ সুনিৰ্দিষ্ট কৌশল প্ৰণয়নত গুৰুত্ব দিব। উল্লেখ্য যে, বিগত চাৰি বছৰ ধৰি এই ৰাষ্ট্ৰীয় সন্মিলন প্ৰতি বছৰে আয়োজন কৰা হৈ আহিছে। প্ৰথমখন সন্মিলন ২০২২ চনৰ জুন মাহত ধৰ্মশালাত অনুষ্ঠিত হৈছিল, তাৰ পিছত ২০২৩ চনৰ জানুৱাৰী আৰু ডিচেম্বৰত আৰু ২০২৪ চনৰ ডিচেম্বৰত নতুন দিল্লীত হৈছে। এইবাৰো সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য সচিব, জ্যেষ্ঠ বিষয়া, বিষয়বস্তুৰ বিশেষজ্ঞসকলৰ লগতে অন্যান্য প্ৰতিনিধি উপস্থিত থাকিব। এই সন্মিলনে ৰাষ্ট্ৰীয় উন্নয়নৰ অগ্ৰাধিকাৰসমূহত কেন্দ্ৰ-ৰাজ্য অংশীদাৰিত্বক আৰু শক্তিশালী কৰাৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'ব বুলি আশা কৰা হৈছে। অসমৰ দৰে ৰাজ্যসমূহ বাবেও এই মঞ্চত শেহতীয়া পৰিস্থিতিৰ দৰে বিষয়সমূহ উত্থাপনৰ সুযোগ থাকিব পাৰে।

## ভুল তথ্যৰ ভিত্তিত হ'চিয়েল

জলজীৱন মিচনত দুৰ্নীতিৰ অভিযোগ তুলি আক্ৰমণ কৰাৰ পিছতে ৰাজনৈতিক মহলত বিতৰ্কৰ সৃষ্টি হৈছে। গৌৰৱ গগৈয়ে নিজৰ পোষ্টত লিখিছে, “নলবাৰী জিলাৰ পানীগাঁওস্থিত ছেইণ্ট মেৰী স্কুলত বৰদিন উদযাপনৰ সামগ্ৰীৰ লগতে ধৰ্মীয় বিশ্বাসৰ চিহ্ন লণ্ডভণ্ড কৰা কাৰ্যক মই কঠোৰ ভাষাৰে নিন্দা কৰিছো। ঘটনাৰ স্থান নলবাৰীৰ বৰ্তমানৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ মন্ত্ৰীগৰাকীৰ সমষ্টি। জলজীৱন মিচনত হোৱা বৃহৎ দুৰ্নীতিৰ বাবে এই মন্ত্ৰীগৰাকী মূলত দায়ী। কংগ্ৰেছে এই দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদ চলোৱাৰ পিছত মন্ত্ৰীগৰাকীয়ে নিজৰ দলৰ ভিতৰত স্থান সুৰক্ষিত কৰিবলৈ বিশ্ব হিন্দু পৰিষদ আৰু বজৰংগ দলৰ সহায় লৈছে।” লগতে তেওঁ কয় যে, ভাতৃত্ববোধৰ আদৰ্শ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সন্নিৱিষ্ট আৰু এই ঘটনাই সংবিধানক আঘাত হানিছে। কংগ্ৰেছে অহা বছৰ ক্ষমতালৈ আহিলে ধৰ্মীয় উৎসৱত অপমান কৰাসকলৰ বিৰুদ্ধে কঠোৰ আইন প্ৰণয়ন কৰা হ'ব বুলিও তেওঁ দাবী কৰে। এই পোষ্টৰ প্ৰত্যুত্তৰত কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই স্পষ্ট কৰে যে, উক্ত ঘটনাটো নলবাৰী বিধানসভা সমষ্টিত নহয়, বৰঞ্চ টিহু সমষ্টিৰ অন্তৰ্গত বেলচৰ আৰক্ষী থানাৰ অধীনত সংঘটিত হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, “লোকসভাৰ বিৰোধী দলৰ উপ-নেতাৰ দৰে দায়িত্বশীল পদত থকা ব্যক্তি এজনে ন্যূনতম ভৌগোলিক আৰু নিৰ্বাচনী তথ্য পৰীক্ষা নকৰাকৈ এনে দাবী কৰাটো অত্যন্ত দুৰ্ভাগ্যজনক। এয়ে তেওঁৰ জ্ঞানৰ অভাৱ প্ৰতিফলিত কৰে।” সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপত মন্ত্ৰী মল্লবৰুৱাই গৌৰৱ গগৈয়ে উত্থাপন কৰা দুৰ্নীতিৰ অভিযোগ খণ্ডন কৰি কয় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এই ঘটনাত ক্ষিপ্ৰতাৰে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অসম আৰক্ষীয়ে অবিলম্বে দোষীসকলক চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰিছে আৰু আইন অনুসৰি কঠোৰ ব্যৱস্থা লোৱা হৈছে। তেওঁ পুনৰ নিশ্চিত কৰে যে, ৰাজ্য চৰকাৰে সমগ্ৰ অসমত শান্তি, সাম্প্ৰদায়িক সম্প্ৰীতি আৰু সকলো ধৰ্মীয় প্ৰতিষ্ঠানৰ নিৰাপত্তা বজাই ৰখাৰ বাবে সদায় সংকল্পবদ্ধ। মন্ত্ৰীগৰাকীয়ে লগতে কয়, “অসমক এনে নেতৃত্বৰ প্ৰয়োজন যিয়ে তথ্যক সন্মান কৰে, দায়িত্বশীলতাৰে কাম কৰে আৰু সাংবিধানিক মূল্যবোধক ঊৰ্ধ্বত ৰাখে। ভুল তথ্যৰ ভিত্তিত হ'চিয়েল মিডিয়াত বিচাৰ চলোৱা নেতাৰ পৰিৱৰ্তে দায়িত্বশীল জনপ্ৰতিনিধিৰ প্ৰয়োজন।” উল্লেখ্য যে, ২৪ ডিচেম্বৰত সংঘটিত এই ঘটনাত বিশ্ব হিন্দু পৰিষদৰ কেইবাজনো সদস্যৰ নাম জড়িত হোৱা বুলি অভিযোগ উঠিছে আৰু আৰক্ষীয়ে চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিছে। এই বিতৰ্কই ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশক আৰু উত্তপ্ত কৰি তুলিছে।

